www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. (Title) : ASSASS01389

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ইচ্ছাশক্তি প্রবল হ'লে জটিলতাই কোনো ধৰণৰ প্রতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে। — মেকিয়াভেলে

□ ষষ্ঠ বছৰ □ সংখ্যা - ১৮১ □ বৃহস্পতিবাৰ □ ২৮ আগষ্ট, ২০২৫ চন □ ১১ ভাদ, ১৯৪৭ শক □ VOL - 6 □ NO.- 181 □ Wednesday □ 28th August, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮

যোৰাবাটৰ ১০ মাইলত কৃত্রিম বানত উটি যোৰহাটৰ বাসিন্দাৰ মৃত্যু

নলাত উদ্ধাৰ মৃতদেহ

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৭ আগষ্ট ঃ যোৰাবাটৰ ১০ মাইলত কৃত্রিম বানৰ পানীৰ সোঁতত উটি এজন লোকৰ মৃত্যুৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। এন আৰ এল পেট্রলিয়াম পাম্পৰ সমীপৰ এটা নলাত মৃতদেহটো উদ্ধাৰ হৈছে। মৃত ব্যক্তিজন হাতীগড়ৰ বাসিন্দা ▸▸৬ পৃষ্ঠাত

কেন্দ্রীয় চৰকাৰৰ গেজেট অধিসূচনা জাৰি

সুধাকণ্ঠৰ নামত প্রস্তুত হ'ব ১০০ টকীয়া স্মৃতি মুদ্রা

ভাৰত ৰত্ন গৰাকীৰ জন্ম শতবার্ষিকীক লৈ সিদ্ধান্ত

অনলাইন ডেস্ক, অসম বার্তা, ২৭ আগষ্ট ঃ ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকীৰ প্রাক মুহূর্তত অসমৰ বাবে আহিছে এক সুখবৰ। কেন্দ্রীয় চৰকাৰে এই কিংবদন্তি শিল্পীৰ সম্মানার্থে ১০০ টকা মূল্যৰ এক বিশেষ স্মৃতি মুদ্রা প্রকাশৰ সিদ্ধান্ত গ্রহণ কৰিছে। এই বিষয়ে কেন্দ্রীয় বিত্ত মন্ত্রণালয়ে সম্প্রতি এক চৰকাৰী গেজেট অধিসূচনা জাৰি কৰিছে। অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব ▸▸৬ পৃষ্ঠাত

ৰেংমা বনাঞ্চলত উচ্ছেদিত ভূমিৰ পক্ষত অসমীয়াৰ বিৰুদ্ধে কঠোৰ হুংকাৰ

এই ভূমি আমাৰ, ইয়াত কোনো গছ ৰোপণ বা কটাৰ অনুমতি দিয়া নহ'ব- নগাৰ দাবী

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৭ আগষ্ট ঃ মঙলবাৰে ৰেংমা সংৰক্ষিত বনাঞ্চলত অসম চৰকাৰৰ দ্বিতীয় পর্যায়ৰ উচ্ছেদ অভিযান চলি থকাৰ সময়ত একাংশ নগা লোকে অসমীয়াৰ বিৰুদ্ধে প্রত্যাহ্বানমূলক মনোভাৰ প্রকাশ কৰিছে। তেওঁলোকে দাবী কৰিছে যে উচ্ছেদিত এই ভূমি নাগালেণ্ডৰ অধীন, আৰু ▸▸৬ পৃষ্ঠাত

ৰাজ্যিক কেবিনেটৰ গুৰুত্বপূর্ণ সিদ্ধান্ত

ভিন্ন ধর্মৰ মাটি হস্তান্তৰ নিয়ন্ত্রণৰ বাবে নতুন SOP

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৭ আগষ্ট ঃ বুধবাৰে দিহুপুৰৰ লোক সেৰা ভবনত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰা হৈছে। বৈঠকৰ পিছত মুখ্যমন্ত্রীয়ে সংবাদমাধ্যমৰ আগত কেবিনেটৰ সিদ্ধান্তসমূহ সবিশেষে ব্যাখ্যা কৰে। সংবাদমেলত মুখ্যমন্ত্রী শর্মাই জানিবলৈ দিয়ে যে কেবিনেটে ভিন্ন ধর্মৰ মাজত মাটি হস্তান্তৰ নিয়ন্ত্রণৰ বাবে এখন বিশেষ SOP (Standard Operating Procedure) অনুমোদন কৰিছে। তেওঁ কয়, "আজিৰ ▸▸৬ পৃষ্ঠাত

□ পদুম ফুলৰ চিহ্ন, 'ভাৰতীয় জনতা পার্টি অসম প্রদেশ' লিখা আখৰৰ সৈতে হর্ডিং, বেনাৰত দুই নেতা □

বহুৰজোৰাকে ড° ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকী আয়োজনৰ সিদ্ধান্ত আছুৰ

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৭ আগষ্ট ঃ ড° ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকী উপলক্ষে সদৌ অসম ছাত্র সন্থাই বহুৰজোৰা বিভিন্ন কার্যসূচী আয়োজনৰ সিদ্ধান্ত লৈছে। ▸▸৬ পৃষ্ঠাত

মণিপুৰত নিষিদ্ধ ঘোষিত উগ্রপন্থী গোটৰ ৮ সদস্যক আটক, অস্ত্র-শস্ত্র জব্দ

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৭ আগষ্ট ঃ মণিপুৰত সেনা, অসম ৰাইফলছ, মণিপুৰ আৰক্ষী আৰু অন্যান্য সুৰক্ষা বাহিনীয়ে যুটীয়া অভিযান চলাই ৮জন নিষিদ্ধ ঘোষিত উগ্রপন্থী ▸▸৬ পৃষ্ঠাত

বিজেপিত যোগদান কৰিলে নেকি শীর্ষ দুই অগপ নেতাই ?

অমিত শ্বাহৰ অসম ভ্রমণক লৈ ৰাজনৈতিক মহলত তীব্র জল্পনা-কল্পনা

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৭ আগষ্ট ঃ কেন্দ্রীয় গৃহ মন্ত্রী অমিত শ্বাহৰ অসম ভ্রমণক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত এতিয়া তীব্র জল্পনা-কল্পনা চলিছে। চৰকাৰী আৰু দলীয় কার্যসূচীবে অহা এই ভ্রমণৰ আগতে কোনো ডাঙৰ অঘটন ঘটিল নেকি ঃ এই প্রশ্নই এতিয়া সকলোবে মনত ঘূর্ণীবাহ সৃষ্টি কৰিছে। বিশেষকৈ বিজেপিৰ সহযোগী দল অসম গণ পৰিষদ (অগপ)ৰ দুইজন শীর্ষ নেতা তথা ৰাজ্য চৰকাৰৰ মন্ত্রী অতুল বৰা আৰু কেশৰ মহন্তৰ বিজেপিত যোগদানৰ সম্ভাৱনাই ৰাজনৈতিক চর্চাক আৰু অধিক উত্তপ্ত কৰি তুলিছে। যদিও এই যোগদানৰ কোনো ▸▸৬ পৃষ্ঠাত

ৰাজ্যৰ কার্যসূচী

সন্ধিয়া ৰাজপেয়ী ভৱনত অংশ ল'ব ক'ৰ কমিটীৰ বৈঠকত

আজি দুদিনীয়া কার্যসূচীৰে অসমলৈ গৃহমন্ত্রী অমিত শ্বাহ

- নতুনকৈ নির্মিত ৰাজভৱনৰ ব্রহ্মপুত্র উইঙৰ আনুষ্ঠানিক উদ্বোধন
- ৰাষ্ট্রীয় চাইবাৰ ফৰেনছিক পৰীক্ষাগাৰৰ আৰু আই টি বি পি, এছ এছ বি তথা অসম ৰাইফলছৰ বিভিন্ন উয়য়নমূলক প্রকল্পৰ ই-উদ্বোধন
- খানাপাৰা খেলপথাৰত পঞ্চায়ত প্রতিনিধি সম্মিলনত অংশগ্রহণ

নিউজ ডেস্ক, অসম বার্তা, ২৭ আগষ্ট ঃ আজি দুদিনীয়া কার্যসূচীবে অসমলৈ আহিব কেন্দ্রীয় গৃহ মন্ত্রী অমিত শ্বাহ। গুৱাহাটী মহানগৰীত অংশগ্রহণ কৰিব তিনিটাকৈ বিশেষ কার্যসূচীত। গুৱাহাটীৰ লোকপ্রিয় ▸▸৬ পৃষ্ঠাত

ৰামায়নৰ ৰাৱন, মহাভাৰতৰ দুর্যোধনো ইমান অহংকাৰী নাছিল যিমান মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা অহংকাৰী ঃ গৌৰৰ

■ অসম প্রদেশ কংগ্রেছৰ তত্ত্বাবধায়ক বিকাশ উপাধ্যায়ৰে দলীয় সভাত অংশগ্রহণ ■

অসম বার্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ আজি পুৱা পুনৰ কমলাবাৰী ফেৰিঘাটেৰে মাজুলীত উপস্থিত হয় অসম প্রদেশ কংগ্রেছৰ সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰব গগৈ। অসম প্রদেশ কংগ্রেছৰ সহ তত্ত্বাবধায়ক বিকাশ উপাধ্যায়ৰ সৈতে মাজুলীত উপস্থিত হোৱা ▸▸৬ পৃষ্ঠাত

ভোট চোৰ, চকী এৰক- কংগ্রেছৰ নতুন শ্লোগান

অসমত কোনো বাংলাদেশী বা বিদেশী নাগৰিকৰ স্থান নাই ঃ সাংসদ প্রদ্যুৎ বৰদলৈ

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৭ আগষ্ট ঃ অসমত কোনো বাংলাদেশী বা বিদেশী নাগৰিকক থাকিবলৈ দিয়া নহ'ব বুলি কঠোৰ স্থিতি প্রকাশ কৰিছে সাংসদ প্রদ্যুৎ বৰদলৈয়ে। তেওঁ স্পষ্টভাৱে কয়, "অসমত কোনো বাংলাদেশী থাকিব নোৱাৰে। এই কথা একদম স্পষ্ট। কোনো বিদেশী নাগৰিককো ইয়াত থাকিবলৈ অনুমতি দিয়া নহ'ব।" তেওঁ সতর্ক কৰি দিয়ে যে ভাৰতীয় নাগৰিকক বিদেশী বুলি ভুৱে-মধে সন্দেহযুক্ত নাগৰিক হিচাপে ▸▸৬ পৃষ্ঠাত

আইপিএলৰ পৰা অৱসৰ ঘোষণা ৰবিচন্দ্রন অশ্বিনৰ

ক্রীড়া ডেস্ক, অসম বার্তা, ২৭ আগষ্ট ঃ ভাৰতীয় ক্রিকেট দলৰ প্রাক্তন তাৰকা অফ স্পীনাৰ ৰবিচন্দ্রন অশ্বিনে আইপিএলৰ পৰা অৱসৰ ঘোষণা কৰিছে। ২৭ আগষ্ট তেওঁ ইঞ্জিয়ান প্রিমিয়াৰ লীগৰ পৰা অৱসৰ ▸▸৬ পৃষ্ঠাত

বিটিচি নির্বাচনত বিপিএফৰ জয়ৰ দৃঢ় আত্মবিশ্বাস

ইউপিপিএলে বিপিএফে কৰিব নোৱাৰা কাম কৰিছে ঃ প্রমোদ বড়ো

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৭ আগষ্ট ঃ "এইবাৰ বিটিচিত আমাৰ চৰকাৰ গঠনৰ বাবে আমি সম্পূর্ণৰূপে প্রস্তুত। আমি ২০বো অধিক আসন জয় কৰিম। বেছি আসন পোৱাৰ সম্ভাৱনা থাকিলেও সঠিক সংখ্যা এতিয়া নকওঁ, নহ'লে বিজেপি, ইউপিপিএল আৰু কংগ্রেছে ভয় খাব!" —এই মন্তব্যবে বুধবাৰে ▸▸৬ পৃষ্ঠাত

আজি দুদিনীয়া কার্যসূচীৰে অসমলৈ গৃহমন্ত্রী অমিত শ্বাহ

অসম চৰকাৰৰ সাংবাদিক বিৰোধী নীতিৰ বিৰোধিতাৰে দিল্লীত সাংবাদিকৰ প্রতিবাদ

অনলাইন ডেস্ক, অসম বার্তা, ২৭ আগষ্ট ঃ বুধবাৰে নতুন দিল্লীৰ কেৰেলা হাউচ সম্মুখত "দিল্লী জার্নেলিষ্ট ইউনিয়ন" আৰু "কেৰালা ইউনিয়ন অফ ৰর্কিং জার্নেলিষ্ট"ৰ সদস্যসকলে অসম চৰকাৰৰ সাংবাদিক বিৰোধী নীতিৰ বিৰুদ্ধে এক শক্তিশালী প্রতিবাদ সভাৰ আয়োজন কৰে। এই প্রতিবাদৰ মূল লক্ষ্য ▸▸৬ পৃষ্ঠাত

সহজ বিজয়ৰে ওদালগুৰি আৰু ডিব্ৰুগড়ৰ অগ্ৰগতি

মৰিগাঁৰত অনুৰ্দ্ধ ১৯ ছোৱালী আন্তঃজিলা ক্ৰিকেট

ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৭ আগষ্ট ঃ অসম ক্ৰিকেট সম্থাৰ জৰিয়তে পৰিচালিত ১৯ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাখণ্ডৰ 'চি'ৰ নবমখন খেলত চিৰাং জিলা ক্ৰীড়া সম্থাৰ বিপক্ষে ওদালগুৰি জিলা ক্ৰীড়া সম্থাই ২৭ বাণৰ ব্যবধানত বিজয়ী হৈ সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সম্থাৰ আতিথ্য আৰু ক্ৰিকেট উপশমিতিৰ তত্বাবধানত ক্ষীৰেন বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আজিৰ দিনটোৰ ১মখন খেলত ওদালগুৰি জিলা ক্ৰীড়া সম্থাই প্ৰথমে বেটিং কৰি ডিব্ৰুগড় দলে গুৰুত্বীজ শইকীয়াৰ আকষণীয় ৪৩, বিজয়া বৰৱাৰ ১৭ আৰু তসভি পাগলিগৰিৰ ১০ বাণৰ সহায়ত ৫০ অভাৱত ৪টা উইকেটে হেৰুৱাই ৬৯ বাণ সংগ্ৰহ কৰে। বলিঙত চিৰাং দলৰ হৈ মনিষা দাস, দিশা সাহা আৰু প্ৰিয়া চৌধুৰীয়ে একোটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত লক্ষ্য অনুসৰণ কৰি চিৰাং দলে ১২-০০ অভাৱত ৭টা উইকেট হেৰুৱাৰ বিনিময়ত ৪২ বাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ওদালগুৰি দলৰ টুম্পা ঘোষে শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰে। বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খন খেলত ডিব্ৰুগড় জিলা ক্ৰীড়া সম্থাই ৯৩ বাণৰ বৃহৎ ব্যবধানত মেমজি জিলা ক্ৰীড়া সম্থাক পৰাস্ত কৰি গ্ৰুপ '১'ৰ শীৰ্ষস্থানত উপনীত হৈছে। প্ৰদৰ্শন কৰি হেৰী সোণোৱালে ৫টা আৰু তসভি পালগিৰিয়ে ২টা উইকেট দখল কৰে। ডিব্ৰুগড় দলৰ হেৰী সোণোৱালে শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰে। অসম ক্ৰিকেট সম্থাৰ পেনেল আম্পায়াৰ অসীম ভাৰালী আৰু ডেকিকল হকে আজিৰ দুয়োখন খেল পৰিচালনা কৰে।

বিশ্ব সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি (UNESCO) লাভৰ পাছতো পাৰিতোষিকৰ পৰা বঞ্চিত চৰাইদেউ মৈদামৰ অস্থায়ী কৰ্মচাৰীসকল

অসম বাৰ্তা বিশেষ, সোণাৰি, ২৭ আগষ্ট ঃ চৰাইদেউ মৈদাম "বিশ্ব সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ" স্বীকৃতি লাভৰ পাছত বৰ্তমানৰ সময়তো পাৰিতোষিক লাভৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সম্মুখীন হৈছে জড়িত থকা বিভিন্ন অস্থায়ী সুবক্ষা কৰ্মী, চাফাই কৰ্মচাৰী সকল। অসম ৰাজ্যিক প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ অধীনস্থ চৰাইদেউ মৈদাম ক্ষেত্ৰত নিয়োজিত অস্থায়ী কৰ্মচাৰী সকলে দীৰ্ঘদিন ধৰি পাৰিতোষিক লাভ নকৰাত এতিয়া বিমোনত পৰা বুলি অভিযোগ উত্থাপন হৈছে। কৰ্মচাৰী সকলৰ অভিযোগ অনুসৰি দুই পৰা সাত মাহলৈকে পাৰিতোষিক লাভৰ পৰা বঞ্চিত হৈ আছে অস্থায়ী কৰ্মচাৰী সকল। ই ইয়াৰ ফলত পৰিষালৰ ভৰণপোষণৰ ধাৰে যথেষ্ট অসুবিধা সৃষ্টি হৈছে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি পাৰিতোষিক লাভ নকৰাত অস্থায়ী কৰ্মচাৰী সকলে কৰ্মবিতি পালন কৰাৰ ফলত মৈদাম ক্ষেত্ৰত হাৰি-বনেৰে ভৰি পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মৈদাম ক্ষেত্ৰ পৰিৱৰ্শন কৰিবলৈ অহা পৰ্যটক সকল শংকিত হৈ পৰিছে বুলি জানিব পৰা গৈছে। চৰাইদেউ মৈদাম ক্ষেত্ৰই বিগত ২০২৪ বৰ্ষৰ ২৬ জুলাইত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ আগতেই ফেব্ৰুৱাৰী মাহৰ পৰা অস্থায়ী কৰ্মচাৰী সকলক নিয়োগ কৰা হৈছিল। ইয়াৰে বহুতেই আশিকঁহাকে পাৰিতোষিক লাভ কৰিছে যদিও বহু কৰ্মচাৰীয়ে এই ক্ষেত্ৰত বঞ্চিত হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত শীঘ্ৰেই অনাদায়ে থকা পাগুবনসমূহ সোনকালে মুকলি কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাইছে অস্থায়ী কৰ্মচাৰী সকলে।

দুৰ্ঘটনাৰ আশংকা; পকী দলং নিৰ্মাণৰ দাবী

মাজুলীৰ ডাম্বুকিয়াল ঘাটত টুলুঙা নাওৰে বিপদজনক যাত্ৰা ছাত্ৰ-ছাত্ৰীৰ

অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ মাজুলীৰ লোহিত খাবলু গাঁও পঞ্চায়তৰ অন্তৰ্গত ডাম্বুকিয়াল ঘাটত চলি থকা টুলুঙা নাওখনে যিকোনো সময়ত বিপদ মাতি আনিব পাৰে। উক্ত গড়মুৰ ডাম্বুকিয়াল ঘাটৰ লোহিত খৰকটীয়া নৈত চলি থকা টুলুঙা নাওখনে প্ৰতিবাৰেই অত্যধিক ভাৰ বহি যাত্ৰী পাৰাপাৰ হয়। প্ৰায় তিনিশ মিটাৰ বহল নদীখনত বৰ্তমান বাৰিষাৰ সময়ত সোঁতৰ তীব্ৰতা বৃদ্ধি পাই ছে। উক্ত, ডাম্বুকিয়াল ঘাটৰ উক্ত লোহিত খৰকটীয়া নৈৰ ওপৰত এখন স্থায়ী পকী দলং নিৰ্মাণ নকৰাৰ বাবেই বৃহত্তৰ লোহিত খাবলুৰ বাহিলে টুলুঙা নাওবে বিপদজনক ভাৱে পাৰাপাৰ হ'বলগীয়া হৈছে। উক্ত, টুলুঙা নাওখনেৰে উজনি ডাম্বুকিয়াল, নামনি ডাম্বুকিয়াল, গড়মুৰ ডাম্বুকিয়াল আদি গাঁৱৰ বাহিল, ছাত্ৰ-ছাত্ৰীৰ লগতে লখিমপুৰ দিশৰ পৰা মাজুলীলৈ অহা দৈনিক শ শ লোক পাৰাপাৰ হয়। উক্ত, ডাম্বুকিয়াল ঘাটত টুলুঙা নাওখনেৰে বৰ্তমান দৈনিক শ শ ছাত্ৰ-ছাত্ৰী বিদ্যালয়, মহাবিদ্যালয় অহা বিশ্ববিদ্যালয়লৈ অহা যোৱা কৰে। বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে উক্ত টুলুঙা নাওখনেৰে পাৰ হৈ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী মহাবিদ্যালয় গড়মুৰ পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়, পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, বঙচাংহী মহাবিদ্যালয়, আইলেণ্ড একাডেমী, হলী আইলেণ্ড স্কুল, শংকৰজ্যোতি হাইস্কুল, গড়মুৰ বিদ্যা নিকেতন, পীতাম্বৰ দেৱ গোস্বামী বালিকা বিদ্যালয় আদিত অধ্যয়ন কৰে। উক্ত, ছাত্ৰ-ছাত্ৰীসকল শিক্ষা গ্ৰহণ বাবে অহাৰ পুৱাৰ সময়ত আৰু শিক্ষা অনুষ্ঠানৰ পৰা ঘূৰি যোৱাৰ সময়ত ঘাটটোত যথেষ্ট ভিৰ হয়। চাইকেল, মটৰ চাইকেল আদিৰ সৈতে উক্ত ঘাটত পাৰাপাৰ হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হেতা ওপৰা লাগে। নাওখনত যিমান উঠিব লাগে, তাতকৈ বেছিকৈ উঠাই পাৰাপাৰ কৰাটোৱে অতি বিপদজনক হৈ পৰিছে। শিক্ষা অনুষ্ঠানৰ সময়ত উক্ত ঘাটটোত হোৱা যাত্ৰীৰ অত্যধিক ভিৰ দেখিলে বুকু কপি উঠে। ই ফালে চিকিৎসা জনিত কাৰণতো একেই অসুবিধাৰ সম্মুখীন হ'ব লগা হয়। এই সকল লোক। উক্ত, ডাম্বুকিয়াল ঘাটত এখন স্থায়ী দলং নিৰ্মাণ নকৰাৰ বাবেই বৃহত্তৰ অঞ্চলটোৰ বাইজে অতি বিপদজনকভাৱে পাৰাপাৰ হৈ আছে। বাইজৰ সপোনৰ দলংখন নিৰ্মাণ কৰিবলৈ জনকল্যাণকামী চৰকাৰে স্বাধীনতাৰ ৭৯ বছৰ পাৰ কৰাৰ পাছতো পুঁজি বিছাৰি পোৱা নাই। উক্ত, লোহিত খাবলু ডাম্বুকিয়াল অঞ্চলটো পূৰ্বে লখিমপুৰ জিলাৰ অন্তৰ্গত আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ ভিতৰত আছিল। সেই সময়ত কেৱল ভোট বেংক হৈ থকা ডাম্বুকিয়াল অঞ্চলটোক উন্নয়নমূলক কোনো আঁচনিৰ মুখ নেদেখিলে। বৰ্তমান ৰাজ্য চৰকাৰে লোহিত খাবলু গাঁও পঞ্চায়তখন ২০১৯ চনৰ পৰা মাজুলী জিলাৰ লগত সংলগ্ন কৰিলে। বৰ্তমান মাজুলী জিলা প্ৰশাসনৰ অন্তৰ্গত ডাম্বুকিয়াল অঞ্চলটোত এখন স্থায়ী দলং নিৰ্মাণ কৰিবলৈ মাজুলীৰ জিলা প্ৰশাসন অথবা মাজুলীৰ বিধায়ক, সাংসদ কোনেও ব্যবস্থা গ্ৰহণ কৰা নাই। লোহিত খাবলুৰ মিচিং জাতীয় সংগঠনৰ তৰফৰ পৰা চৰকাৰ, প্ৰশাসন সকলোকে ডাম্বুকিয়াল ঘাটত এখন স্থায়ী দলং নিৰ্মাণ কৰিবলৈ বাৰম্বাৰ আবেদন নিবেদন কৰিও কোনো সুফল পোৱা নাই। বৰ্তমানো বাইজে মাজুলীৰ বিধায়ক ভুবন গগাঙ অইনিলে উক্ত দলংখন নিৰ্মাণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰি আছে। অতি গুৰুত্বপূৰ্ণ দলংখন নিৰ্মাণ নকৰাৰ বাবেই বৃহত্তৰ অঞ্চলটোৰ বাইজৰ লগতে, বোগী, কৰ্মচাৰী, কণ কণ ছাত্ৰ ছাত্ৰীয়ে অতি বিপদজনক ভাৱে টুলুঙা নাওবে পাৰাপাৰ হৈ আছে। ঘাটটোত অতি সোনকালেই এখন স্থায়ী পকী দলং নিৰ্মাণ কৰিবলৈ মাজুলীৰ জিলা প্ৰশাসন, বিধায়ক ভুবন গাম আৰু সাংসদ গৌৰব গগৈক বাইজে পুনৰ দাবী জনাইছে। লগতে, দলং, নিৰ্মাণ নোহোৱালৈকে উক্ত গড়মুৰ ডাম্বুকিয়াল ঘাটত মেৰাইন ইঞ্জিনযুক্ত দুখন ডাঙৰ নাওৰ ব্যবস্থা কৰিবলৈ স্থানীয় বাইজে দাবী জনাইছে।

জাতীয়-জনগোষ্ঠীয় সংগঠনৰ আহ্বানত ৩১ আগষ্টত তিনিচুকীয়াত বিশাল নাগৰিক সভা

ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৭ আগষ্ট ঃ ঐতিহাসিক 'বেংমো' তথা মটক ৰাজ্যৰ ৰাজধানী বৰ্তমানৰ উজনি অসমৰ অন্যতম বাণিজ্যিক তথা জনবহুল চহৰ হিচাপে পৰিচিত তিনিচুকীয়াৰ জনগাঁথনি এতিয়া যথেষ্টখিনি সলনি হৈছে। এসময়ত খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকে গিজগিজাই থকা তিনিচুকীয়া চহৰকে মুখ্য কৰি সমগ্ৰ জিলাখনত সময়ৰ গতিৰ তুলনাসাপেক্ষ বহিৰাগত লোকৰ প্ৰব্ৰজন ঘটিল, যি প্ৰব্ৰজনে সদৰ চহৰখনক এক বাণিজ্যিক কেন্দ্ৰলৈ পৰিবৰ্তিত কৰিলে সঁচা, কিন্তু ইয়াৰ অচিনা লে আজিৰ তাৰিখতো জিলাখনলৈ সন্দেহ যুক্ত তথা বহিৰাগত প্ৰব্ৰজন ঘটিয়েই আছে। এই প্ৰব্ৰজনে খিলঞ্জীয়া লোকসকলৰ লগতে জিলাখনৰ থলুৱা জাতি-জনগোষ্ঠীৰ প্ৰতি এক ভয়ংকৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। বহিৰাগত আৰু সন্দেহজনক লোকৰ প্ৰব্ৰজনে খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ অস্তিত্বৰ প্ৰতিও চৰম ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ সমান্তৰালকৈ জিলাখনত ইটাৰ পিছত সিটো বহিৰাগতে খিলঞ্জীয়াৰ সংঘোতো সংঘটিত হৈ আছিল, যিটো কোনোপধেই শুভ লক্ষণ নহয়। খিলঞ্জীয়াই আজি নিজৰ ভূমিতে অস্তিত্ব জীয়াই বাখিবলৈ সংগ্ৰাম কৰিবলগীয়া হোৱাৰ বিষয়টো অত্যন্ত দুৰ্ভাগ্যজনক আৰু লজ্জাজনক। যিটো পৰিৱেশত খিলঞ্জীয়াই স্বাভিমানেৰে স্বভূমিত জীবন-যাপন কৰিব পাৰিব লাগিছিল, সেয়া বহিৰাগতৰ আগ্ৰাসনৰ ফলত এক প্ৰকাৰ যেন অসম্ভৱ হৈ উঠিছে। শেহতীয়াকৈ বহিৰাগতৰ আগ্ৰাসনী মনোভাৱৰ বাবে তিনিচুকীয়া সদৰ চহৰত জনসমাগম ভয়ংকৰ ৰূপত বৃদ্ধি পাব ধৰিছে। ব্যবসায়িক দৃষ্টিকোণেৰে হওক কিম্বা অন্যান্য কাৰণতেই হওক তিনিচুকীয়া চহৰলৈ সোঁত বোৱা বহিৰাগতৰ এটা অংশে এনে অপ্ৰীতিকৰ পৰিবেশ-পৰিস্থিতিৰ প্ৰতি লক্ষ্য বাখি তথা বহিৰাগতৰ আগ্ৰাসনৰ বিষয়টোৰ ওপৰত বিশদভাবে আলোচনা কৰিবলৈ অহা ৩১ আগষ্ট দিনৰ ১ বজাত ৰৱদৈ নাথছিত সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত এখন নাগৰিক সভাৰ আহ্বান কৰিছে। আহ্বায়ক সংগ্ৰামেসমুৰৈ হৈ- সদৌ মৰাণ ছাত্ৰ সম্থা, সদৌ অসম মটক যুব-ছাত্ৰ সম্মিলন, সদৌ তই আহোঁ ছাত্ৰ সম্থা (কেন্দ্ৰীয় সমিতি), সদৌ তিনিচুকীয়া ছাত্ৰ-ছাত্ৰীসকলে উক্ত টুলুঙা নাওখনেৰে পাৰ হৈ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী যুব-ছাত্ৰ পৰিষদ (তিনিচুকীয়া জিলা সমিতি), তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সম্থা, অসম চাহ জনজাতি ছাত্ৰ সম্থা (তিনিচুকীয়া জিলা সমিতি) ই জাতিবক্ষাৰ স্বাৰ্থত উক্ত নাগৰিক সভাত সকলোকে উপস্থিতি আৰু সু দিহা-পৰামৰ্শ কামনা কৰিছে।

গোৰালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ আয়োজন

ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৭ আগষ্ট ঃ গোৱালপাৰা জিলা প্ৰশাসনে ২৯ আগষ্ট ২০২৫ তাৰিখৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰিবৰ বাবে প্ৰস্তুতি চলাই আছে। ভাৰতৰ প্ৰখ্যাত হকী খেলুৰে মেজৰ ধ্যান চাঁদৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি ১৯০৫ চনৰ ২৯ আগষ্ট তাৰিখে জন্ম হৈছিল আৰু প্ৰখ্যাত হকী খেলুৰে গৰাকীক পিছলৈ সকলোৱে "হকীৰ যাদুকৰ" বুলি অভিহিত কৰিছিল। গোৱালপাৰা জিলা প্ৰশাসনে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে প্ৰথম বাৰৰ বাবে কাৰ্যসূচী অনুসৰি ২৯আগষ্ট জিলাখনৰ বিদ্যালয়সমূহত পুৱাৰ প্ৰাৰ্থনা সভাত মেজৰ ধ্যান চাঁদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব আৰু ফটোৰ মাল্যাৰ্পণ কৰা হব। উক্ত দিনাই গোৱালপাৰা কল্যাণপুৰ হাইস্কুল খেলপথাৰত এখনি মহিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ৩০ আগষ্ট তাৰিখে বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ৰ খেলুৰৈৰ মাজত কাবাদী প্ৰতিযোগিতা আৰু চৰকাৰী বিষয়া, অধ্যাপক, শিক্ষক, নাগৰিক আদিৰ মাজত খেল অনুষ্ঠিত কৰা হব। ৩১ আগষ্টত এটা চাইকেল যাত্ৰা কৰা হ'ব। এই চাইকেল যাত্ৰা গোৱালপাৰাৰ ভালুকডুবিস্থ অতিৰিক্ত আৰক্ষ অধীক্ষকৰ বাসগৃহৰ পৰা আৰম্ভ হৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ "বিসর্জন ঘাট"ত সামাপ্ত হ'ব। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ এই প্ৰস্তুতিৰ বাবে আজি গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুংএ তেখেতৰ কাৰ্যালয়ৰ সভাগৃহত এখনি সভা অনুষ্ঠিত কৰে। এই সভাত জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল, জিলা ক্ৰীড়া বিষয়া, বিদ্যালয় সমূহৰ পৰিদৰ্শক, গোৱালপাৰা জিলা ক্ৰীড়া সম্থাৰ বিষয়বীয়া সকলক মাজত, মহাবিদ্যালয়-বিদ্যালয়ৰ প্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰে।

'মিঠা আমৰ পুলি ৰুলে তাত কেতিয়াও তিতাকেৰেলা নালাগে - ডঁ দেৰজিৎ শইকীয়া

মাজুলী মহাবিদ্যালয়ত নৱাগত আদৰণী সভা সম্পন্ন

অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ মাজুলীত উচ্চশিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২৫ বৰ্ষৰ নৱাগত আদৰণী সভাখনি আজি সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী নাৰায়ণ শইকীয়া, অনাময় কৰ্মী দীপক দাস, নৈশ চকীদাৰ মাণিক বেগন আৰু সমাজসেৱা সম্পাদক বিকাশ দাসৰ নেতৃত্বত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ মহাবিদ্যালয় গোটৰ ধ্বাবা পৰিবেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়ৰ পিছতেই গছপুলি বোপণ কৰে মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱাই। পুৱা ৮ বজাত ছাত্ৰ একতা সভাৰ সভাপতি সুনীল দাৰে একতা সভাৰ পতাকা উত্তোলন কৰাৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্ৰী শইদীৰ তৰপণ কৰে সদৌ মাজুলী জিলা ছাত্ৰ সম্থা ভাৰপ্ৰাপ্ত সভাপতি প্ৰাজ্ঞল শইকীয়াই। তাৰ পাছতেই মহাবিদ্যালয় প্ৰাংগণত প্ৰতিষ্ঠিত 'পঞ্চৰত্ন প্ৰতিমূৰ্তি'ৰ সম্মুখত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ডঁ অনুপ কুমাৰ দলেই। ৯ বজাত মহাবিদ্যালয়ৰ মূল প্ৰকোষ্ঠদ্বাৰৰ পৰা অধ্যক্ষ প্ৰমুখে শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলে নৱাগতসকলৰ যাত্ৰাপথত ফুল ছটিয়াই আনুষ্ঠানিকভাবে মহাবিদ্যালয়-প্ৰাংগনলৈ আদৰি আনে। আজিৰ অনুষ্ঠান লগত সংগতি ৰাখি প্ৰস্তুত কৰা ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা 'সমীৰণ' উন্মোচন কৰে অসমীয়া বিভাগৰ অসমবপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকাই। ১০.০৫ বজাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সদস্যক প্ৰশান্ত শইকীয়াই মূল মঞ্চত বন্তি প্ৰজ্বলন কৰাৰ পাছতে কেশৰবাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাখনি শুভাৰম্ভ কৰা হয়। ডঁ দেৰজিৎ শইকীয়া বচিত আৰু অনিল কুমাৰ বৰা সুৰাৰোপিত, শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিবেশিত 'বাযছিৰ মহপ্ৰলয়ো নেওচি দিলে সাহৰ পবিচয়...' শীৰ্ষক মহাবিদ্যালয়-গীতেৰে। সভাখন উদ্ঘোধন কৰে মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঁ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে তৰ্ক সম্পাদিকা মিতালী কলিতাই আৰু আদৰণী ভাষণ পাঠ কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি দলেয়ে। নিৰ্দিষ্ট বক্তাৰ সাৰগৰ্ভ ভাষণ প্ৰদান কৰি পুৰ মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী তথা অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সভাপতি প্ৰশান্ত ভবালীয়ে মহাবিদ্যালয়ৰ অভিজ্ঞ শিক্ষাগুৰুসকলৰ নিৰ্দেশ শিৰোধার্য কৰ ছাত্ৰ-ছাত্ৰীসকলক সৰ্বতোপ্ৰকাৰে নিজৰ বৌদ্ধিক বিকাশ ঘটাবলৈ আহবান জনায়। সভাপতি মন্তব্যত অধ্যক্ষ ডঁ দেৰজিৎ শইকীয়াই কয়, "নিজক গঢ়াৰ সোণালী সময়েই হৈছে ছাত্ৰকাল। জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এই ছাত্ৰকালত মিঠা আমৰ পুলি ৰুলে তাত কেতিয়াও তিতাকেৰেলা নালাগে।" সম্মানীয় অতিথিৰ ভাষণ আগবঢ়ায় জিলাৰ বিশেষ শাখাৰ উপ আৰক্ষী অধীক্ষক ৰাজীব শইকীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৱেন চন্দ্ৰ ঠাকুৰীয়া, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতেলা, আই লেণ্ড একাডেমি চিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ পূৰ্বজ্যোতি বৰা, মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ডঁ ব্ৰজেন চন্দ্ৰ নেওগে নিজৰ বক্তব্যবে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰে। আজিৰ সভাতেই ২০২৫ বৰ্ষৰ 'শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী মাজুলী শ্ৰেষ্ঠ স্নাতক' বঁটা প্ৰদান কৰা হয় জেৰাবীমুখ মহাবিদ্যালয়ৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত জিলাখনৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি স্নাতক উপাধি লাভ কৰা ছাত্ৰ পৰম কুমাৰ শ্বাহক। আনহাতে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ নৱাগত আৰু শ্ৰেষ্ঠা নৱাগতা বঁটা প্ৰদান কৰা হয় ক্ৰমে ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ অবিনাশ বৰা আৰু ইংৰাজী বিভাগৰ ছাত্ৰী সৰ্বী সোণোৱাল। সভাশেষত অভ্যন্তৰীণ মান নিৰ্ণায়কৰণ কোষৰ সমন্বয়ক ডঁ দেৰজ্যোতি ভট্টাচাৰ্য, জ্যেষ্ঠ অধ্যাপক ডঁ ৰাজেন চন্দ্ৰ বৰা, গীতাৰাণী গোস্বামী, ইন্দিৰা বড়ো, ডঁ ৰূপজ্যোতি বৰা, ডঁ ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, সুবেন চন্দ্ৰ দাস, প্ৰণীতা ৰাজখোৱা, অপূর্ব্বজ্যোতি হাজৰিকা, কাৰ্তিক নাথ, বসন্ত বৰা, ডঁ দুলাল হাজৰিকা, প্ৰণবজ্যোতি বৰা, দীনেশ গেণ্ড, আচাৰ্য মোহন দাস প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তুলসী ৰাজখুৱাই আঁত ধৰা সভাৰ অন্ত সকলোকে শলাগ জ্ঞাপন কৰে ছাত্ৰী মমী দলেয়ে। মুকলি সভাৰ পাছতে মহাবিদ্যালয়ৰ বহু বছৰ শিক্ষাৰ্থী-শিল্পীৰ দ্বাৰা পৰিবেশিত বাৰেৰণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে শংকৰদেৱ শিশু বিদ্যালয়ৰ আচাৰ্য ডঁ ৰাজিত কুমাৰ শইকীয়াই আৰু বিশিষ্ট তবলা বাদক অপূর্ব (বৰ্ণ) ভুঞাইই। মহাবিদ্যালয়ৰ প্ৰাক্তন সংগীত সম্পাদক তথা জনপ্ৰিয় কণ্ঠশিল্পী ৰাজেন (জান) বৰাৰ লগতে মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশন কৰা বৰ্ণিল গীত-নৃত্যৰ অনুষ্ঠানে উপস্থিত সকলোকে আপ্লুত কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ উদ্যোগত ভেৰগাঁও জিলা শাখাৰ আতিথ্যত কেন্দ্ৰীয় শিক্ষক দিৱসৰ আয়োজন

ষ্টাফ ৰিপৰ্টাৰ, টলো, ২৭ আগষ্ট ঃ উত্তৰ পূব ভাৰতৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক জাতীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ উদ্যোগত ভেৰগাঁও জিলা শাখাৰ আতিথ্যত ওদালগুৰি জিলাৰ ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অহা ৫ ছেপ্টেম্বৰত মহান শিক্ষাবিদ, দাৰ্শনিক আৰু ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ডঁ সৰ্বপল্লী ৰাধাকৃষ্ণণ ওপজা দিনটো ৬৪ সংখ্যক কেন্দ্ৰীয় শিক্ষক দিৱস উদযাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পৰা গৈছে। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিয়ে দিনজোৱা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলগীয়া কাৰ্যসূচী অনুসৰি পুৱা ৬ বজাত জিলা সেৱা বাহিনীৰ দ্বাৰা পৰিবেশ নিকাকৰণ, ৬-৩০ বজাত নামঘৰীয়া বিচিত্ৰ ডেকাৰ প্ৰাত প্ৰসংগৰ পিছতে ৭-৩০ বজাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুনন্দ নাৰ্জাৰী আৰু পূৰ্বদিয়া সাহিত্য সভাৰ সভাপতি ৰজনী কান্ত ডেকাই গছপুলি বোপণ কৰিব। ৮ বজাত ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া দুৰ্গা কিংকৰ শর্মাই মূল তোৰণ উন্মোচন কৰা পিছতে ৯ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভদ্ৰেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। দিনৰ ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ সভাপতি বিমল চন্দ্ৰ বৃঢ়া গোহাঁইৰ সভাপতিত্বত অনুষ্ঠিতব্য মুকলি সভা সঙ্ঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই উদ্ঘোধন কৰিব। খাকপেটীয়া মহাবিদ্যালয়ৰ অবসৰী অধ্যক্ষ ডঁ বুদ্ধিন চন্দ্ৰ হাজৰিকাই স্মৃতিগ্ৰন্থ উন্মোচন কৰিবলগীয়া সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভবেন্দ্ৰ

কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

ডুমডুমা মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় চিত্ৰাংকণ প্ৰতিযোগিতা

ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৬ আগষ্ট ঃ প্ৰখ্যাত চিত্ৰশিল্পী ৰবীন ৰবৰ নেতৃত্ব 'কেক'ন্ফেট' নামৰ এক প্ৰতিষ্ঠীমান দ্যুগড়ত তথা ডুমডুমা মহাবিদ্যালয়ৰ সহযোগত আজি ডুমডুমা মহাবিদ্যালয়ত এক জাকজমক পৰিবেশত পুৱাৰে পৰা কণকণা ছাত্ৰ-ছাত্ৰীয়ে এক উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি কৰে। তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা আহা কণকণা শিশুৰ লগতে উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে মুঠ পাঁচটা শাখাত আয়োজিত চিত্ৰাংকণ প্ৰতিযোগিতাখন দিনৰ এঘাৰ বজাৰপৰা ডুমডুমা মহাবিদ্যালয়ৰ 'ক্লেয়াল' প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠান আৰম্ভ হোৱাৰ আগতে মহাবিদ্যালয়ৰ চৌহদত বিভিন্ন ৰং-বিৰঙৰ আলোকচিত্ৰৰ এক সমাহাৰ ঘটে। ৰবীন ৰবৰ তত্ত্বাবধানত আৰু ডুমডুমা গুঞ্জন মঞ্চৰেছবী স্কুলৰ দিপ্তী গোঁহাইৰ ইলোৱা আৰ্ট এণ্ড ক্ৰাফ্ট চছাইটিৰ সহযোগত তথা 'কিক'ন্ফেটে'ৰ পৃষ্ঠপোষকতত অনুষ্ঠিত কৰা এই চিত্ৰাংকণ প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্ঘাটন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। অনুষ্ঠানত মহাবিদ্যালয়ৰ আজন্মস্বীকৃমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক দীপক ৰঞ্জন বৰুৱা, অধ্যাপক শিৰজিৎ দত্ত, টিংখং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈয়ে চমু বক্তব্য আগবঢ়ায়। এনে প্ৰচেষ্টা উঠি অহা প্ৰজন্মক উৎসাহিত কৰাৰ এক সুন্দৰ পদক্ষেপ বুলি তেওঁলোকে উল্লেখ কৰে। প্ৰায় দুঘণ্টা ধৰি চলা এই চিত্ৰাংকণ প্ৰতিযোগিতাত অংশ লোৱা ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাৰক সকলক সুস্বাদু খাদ্যৰে আপ্যায়িত কৰে আয়োজক সংস্থাটোৱে। অনুষ্ঠানৰ শেষত বিজয়ী ছাত্ৰ ছাত্ৰীৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে কেক' কনেকটৰ ব্ৰেণ্ড সঞ্চালক অক্ষয় ৰবাহী।

বাঘমাৰা চৰত ৰবপেটাৰ পাটনা পপুলাৰ ট্ৰমা কেয়াৰ হস্পিতালৰ বিনামূলীয়া স্বাস্থ্য শিৰিৰ

অসম বার্তা, শিমলীতোলা, ২৬ আগষ্ট ঃ ৰবপেটা জিলাৰ বাঘমাৰা চৰত উত্তৰ ৰবপেটা (কলনি)ৰ পাটনা পপুলাৰ ট্ৰমা কেয়াৰ হস্পিতালৰ উদ্যোগত বাঘমাৰা চৰ বজাৰ কমিটিৰ আৰু বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ সহযোগত বাঘমাৰা চৰ বজাৰ কমিটিৰ কাৰ্যালয় প্ৰাঙ্গণত বিনামূলীয়া স্বাস্থ্য শিৰিৰ অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে পূৰ্বে বিভিন্ন অঞ্চলত এনেদৰে স্বাস্থ্য শিৰিৰ অনুষ্ঠিত কৰি দৰিদ্ৰ ৰোগীক বিনামূলীয়াকৈ চিকিৎসা সেৱাৰ প্ৰদান কৰি আহিছে। পাটনা পপুলাৰ ট্ৰমা কেয়াৰ হস্পিতালৰ চিকিৎসক ডাং ৰবি কুমাৰ, এম বি বি এছ (পাটনা), ডাঃ তাজমিনা পাৰবিন, এম বি বি এছ, মৌলিক জৰুৰীকালীন প্ৰসূতি যত্নত প্ৰশিক্ষণপ্ৰাপ্ত চিকিৎসকে বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱা শিৰিৰত শতাধিক লোকক বিনামূলীয়াকৈ ঔষধ আগবঢ়োৱাৰ লগতে পূৰ্বৰ শিৰিৰসমূহৰ দৰেই বিনামূলীয়াকৈ দৰৰ প্ৰদান কৰে উদ্যোক্তাসকলে। যাতায়তৰ অসুবিধাৰ বাবেই ইঁও কনতুবা টকা পইচাৰ অসুবিধাতেই ইঁও বহু ভিতৰুৱা অঞ্চলত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকী সকলে যাতে পৰ্যাপ্ত চিকিৎসা সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি পাটনা পপুলাৰ ট্ৰমা কেয়াৰ হস্পিতাল লোৱা পদক্ষেপক বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ লগতে বিভিন্ন জনে ধনাবাদ জ্ঞাপন কৰে। এনে স্বাস্থ্য শিৰিৰৰ জৰিয়তে বহু সংখ্যক দুখীয়া পৰিয়ালৰ ৰোগীয়ে উপকৃত হৈছে বুলিও জানিব পৰা গৈছে।

আৱক্ষীৰ সৈতে হতাহতি

চুতীয়া যুৱ সন্মিলন অসম, ধনশিৰি জিলা সমিতিৰ প্ৰতিবাদী জোৰ সমদল

অসম বার্তা, ধনশিৰি, ২৬ আগষ্ট ঃ প্ৰতিবাদী কণ্ঠত কপি উঠিল সৰুপথাৰ। সৰুপথাৰত চুতীয়া যুৱ সন্মিলন অসম, ধনশিৰি জিলা সমিতিয়ে চুতীয়া জনগোষ্ঠীক অনুসূচীত জনজাতিৰ অন্তভুক্তি কৰণৰ দাবীত আজি সন্ধিয়া এক প্ৰতিবাদী জোৰ সমদল বাহিৰ কৰে। প্ৰায় পাঁচ শতাধিক পুৰুষমহিলাই সৰুপথাৰ নগৰৰ মাজমজিয়াইদি অসম চৰকাৰ হায় হায়, বিজেপি গ' বেক, অসম পুলিচ হায় হায়, চুতীয়া জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰক ইত্যাদি নানান চৰকাৰ বিৰোধী শ্লোগানেৰে সৰুপথাৰ নগৰৰ ৰাজপথ কঁপাই তোলে। উক্ত সমদলত চুতীয়া যুৱ সন্মিলন অসমৰ সভাপতি কৌস্তুভ কিশোৰ চুতীয়াই অশোধুৰণ কৰি কয় আমি জনজাতি হোৱাৰ পিছতো চৰকাৰখনে আমাক সাংবিধানিকভাৱে জনজাতিৰ মৰ্যাদা প্ৰদান কৰা নাই। আমি গণতান্ত্ৰিকভাবে আন্দোলন কৰিব বিচাৰিছো, গণতান্ত্ৰিকভাৱে আমাৰ ন্যায্য প্ৰাপ্তি বিচাৰিছো। কিন্তু বিজেপি চৰকাৰখনে পুলিচ প্ৰশাসন লগাই আমাৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিবৰ বাবে চেষ্টা কৰিছে। আমি অসম চৰকাৰক সকিয়নি প্ৰদান কৰিছোঁ। যে আজি ৰাজপথলৈ যিদৰে বাইজ ওলাই আহিছে এই যুগ কোনো তথাকথিত আন্দোলনেই নহয়, এইয়া বহুব বছৰ ধৰি চুতীয়া জাতিক কৰা প্ৰতাৰণা, প্ৰবঞ্চনা ক্ষোভৰ বহিঃপ্ৰকাশ। সভাপতি গৰাকীয়ে লগতে যেতিয়ালৈকে অসম চৰকাৰে আমাৰ ন্যায্য প্ৰাপ্তি প্ৰদান নকৰে তেতিয়ালৈকে অসমৰ জিলাই জিলাই এনেধৰণৰ গণতান্ত্ৰিক আন্দোলন চলি থাকিব বুলি স্পষ্ট কৰি দিয়ে। সৰুপথাৰ নগৰৰ ৰাজপথত জোৰ সমদল কৰি আগবাঢ়ি গৈ থাকোঁতে চুতীয়া যুৱ সন্মিলনৰ সদস্য সকলৰ লগত আৰক্ষীৰ হতাহতি হয়। আৰক্ষীয়ে তেওঁলোকৰ জোৰসমূহ নুমাই দিয়ে আৰু আগুৱাই যোৱাত বাধা প্ৰদান কৰা দেখা যায়। ইফালে প্ৰতিবাদকাৰী সকলে সকলো বাধা নেওচি তেওঁলোকৰ সমদল আগুৱাই নিয়ে।

বিজেপিৰ বিজয় সংকল্প সমাৱেশ; কাশিয়াবাৰীত মুখ্যমন্ত্ৰীৰ প্ৰচণ্ড হৰ্ষধ্বনি

অসম বার্তা, গোসাঁই গাঁও, ২৬ আগষ্ট ঃ সমাগত বিটিচি নিৰ্বাচনক কেন্দ্ৰ কৰি বিজেপিয়ে বিটিচিৰ ৪০টা সমষ্টিত 'বিজয় সংকল্প সমাৱেশ' আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইতিমধ্যে প্ৰায় সকলো সমষ্টিতেই সফলতাৰে এই সমাৱেশ অনুষ্ঠিত হৈছে। আজিৰ দিনটোত জমদুৱাৰ সমষ্টিৰ কাশিয়াবাৰীত অনুষ্ঠিত বিজয় সংকল্প সমাৱেশত প্ৰায় ১০ হাজাৰতকৈ অধিক লোকৰ ব্যাপক সমাগম দেখা যায়। জনতাৰ এই উচ্ছাস আৰু বিশ্বাসেই বিজেপিৰ প্ৰতি জনসমৰ্থনৰ স্পষ্ট প্ৰতিচ্ছবি প্ৰকাশ কৰিছে। এই সমাৱেশত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যৰ কেবিনেট মন্ত্ৰী অশোক সিংহাল, আৰু বিটিচিৰ এ'ক্ৰিউটিভ মেম্বৰ সজল কুমাৰ সিংহ উপস্থিত থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয়: "আমাৰ চৰকাৰ আহিলে VCDCৰে ব্যৱস্থা নাইকিয়া হ'ব। BJP হৈছে এটা সমল আৰু জনকল্যাণমুখী চৰকাৰ। আমাৰ চৰকাৰ আহিলেহে দুখীয়া মানুহ Direct ঘৰ পাব, Direct অকণোদয় পাব, Direct চাকৰি পাব।" তেওঁ উল্লেখ কৰে "বিটিচিত আগতে আদিবাসী আৰু মুছলমান মাজত গোষ্ঠীগত সংঘর্ষ হৈছিল। কিন্তু মই মুখ্যমন্ত্ৰী হোৱাৰ পিছত এটাও গুলিচালনা হোৱা নাই। সকলো অঁবৈধ অস্ত্ৰ আমি উদ্ধাৰ কৰিছোঁ। আজি বিটিচিত নিশা ১২ বজালৈকে শান্তিপূৰ্ণভাৱে ঘুৰি ফুৰিব পাৰে। আগতে ভোটৰ সময়ত বন্দুক দেখুৱাই ভোট লোৱা হৈছিল, আজিকালি নমস্কাৰ কৰি ভোট বিচাৰে। এই পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে একমাত্ৰ BJP চৰকাৰে।" মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ ঘোষণা কৰে- "বেচন কাৰ্ডত নাম থকা সকলো গ্ৰাহকে অকণোদয় পাব। ইয়াত VCDC নালাগে direct পাব।" কাশিয়াবাৰীৰ বিজয় সংকল্প সমাৱেশ বিজেপিৰ বাবে এক বিশাল জনসমৰ্থনৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীৰ ভাষণত পৰিষ্কাৰকৈ প্ৰকাশ পায় যে, বিজেপি নেতৃত্বাধীন চৰকাৰৰ লক্ষ্য হ'ল জনসাধাৰণৰ সবল, সজাগ আৰু সুবিচাৰভিত্তিক উন্নয়ন নিশ্চিত কৰা।

গৌৰীপুৰত শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ সংখ্যক তিৰোভাৱ তিথি উদ্যাপন

অসম বার্তা, গৌৰীপুৰ, ২৬ আগষ্ট ঃ আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ তম তিৰোভাৱ তিথি উদলহৰে আজি ধুবুৰী জিলাৰ গৌৰীপুৰৰ 'গৌৰীপুৰ নাম ঘৰ'ত ধৰ্মীয় অনুষ্ঠান অৰ্থাৎ নাম-কীৰ্তন অনুষ্ঠানৰে লগতে যোৱা কালি সাংস্কৃতিক অনুষ্ঠান পালন কৰা হয়। সত্ৰীয়া গীত আৰু সত্ৰীয়া নৃত্যৰে কালিৰ প্ৰতিযোগী কাৰ্যসূচী অনুষ্ঠান পালন কৰে নাম ঘৰ কমিটিয়ে। যোৱা কালি কাৰ্যসূচী মতে বাতিপুৱা ৯ বজাত ধৰ্মীয় ধ্বজা উত্তোলন হয়। তাৰ পিছত বাতিপুৱা ৯ঃ৪০ বজাত ধ্বজ বোপণ হয়। দিনব ১১ বজাৰ পৰা বৰগীত আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা হয় আৰু প্ৰসাদ বিতৰণ হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে গৌৰীপুৰ অঞ্চলৰ বিভিন্ন বিশিষ্ট ব্যক্তি সকল লগতে ভকত আই মাতু সকল। আৰু আজি ৯ঃ১৫ বজাত স্থানীয় আই-মাতু সকলৰ নিত্য প্ৰসঙ্গ বাতিপুৱা ৯ঃ৪৫ ভাগৰত পাঠ বাতিপুৱা ১১ বজাত পাল নাম হয়। এই পাল নাম শুভাৰম্ভ কৰে গৌৰীপুৰ পৌৰসভাৰ সভানেত্ৰী লগতে গোলকগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক অশ্বিনী সাহা সবকাৰা। আৰু দিনৰ ১ বজাত প্ৰসাদ বিতৰণ আৰু সন্ধিয়া ৬ বত্তি প্ৰজ্জ্বলন কৰে গৌৰীপুৰ পৌৰসভাৰ বাৰ্ড আয়ুক্তল লগতে উদ্যোগন সমিতি উপদেষ্টা সকলে।

অসম বার্তা, খাৰুপেটীয়া, ২৬ আগষ্ট ঃ ১৯৯০ দশকত গঠিত ৰং জিলাৰ খাৰুপেটীয়া প্ৰেছ ক্লাবৰ কাৰ্যালয় ভবনটো বৰদিনৰ অপেক্ষাৰ অন্তত শনিবাৰে খাৰুপেটীয়া প্ৰেছ ক্লাবৰ নবনিৰ্মিত কাৰ্যালয় ভবনটো আনুষ্ঠানিকভাৱে উদ্ঘোন কৰা হয়। সুদীৰ্ঘ প্ৰায় ৩৪টা বছৰ অন্তত শনিবাৰে দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানে আনুষ্ঠানিকভাৱে ফিতা কাটি শুভ উদ্ঘোধন কৰে। প্ৰেছ ক্লাবৰ নব নিৰ্মিত ভবনটো উদ্ঘোধন কৰি বিধায়কজনে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তীব্ৰ ভাষাৰে কটাক্ষ কৰে। তেওঁ কয় যে জমিয়তৰ মুৰব্বী মাদানীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীক হিমন্ত বিশ্ব শৰ্মাই যি আচৰণত কৰিছে সেইয়া গৰিহণাৰ যোগ্য। তেওঁ মুখ্যমন্ত্ৰীৰ এই আচৰণত দুখ পইছে বুলিও উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ আচৰণক অতি দুৰ্ভাগ্যজনক আখ্যা দিয়ে বিধায়ক মজিবুৰ ৰহমানে। তেওঁ কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাজানে জমিয়তৰ ইতিহাস। হয়তো জমিয়তৰ ইতিহাস ভালেকৈ জানিলে এনেকুৱা আচৰণ মাদানীৰ বিৰুদ্ধে কৰিব নোৱাৰিলেহেতেন। এটা জাতি বিশেষকৈ মুছলমানক টাৰ্গেট কৰি মুখ্যমন্ত্ৰী যি উচ্ছেদ কৰি আছে সেইটোও কোনোমতে গ্ৰহণ যোগ্য নহয়বুলি মুখ্যমন্ত্ৰীক সমালোচনা কৰি কয় যে প্ৰথমে পাপু পাপু কৰি কৈ গৌৰৱ গঁগৈৰ লগত লাগিলে এতিয়া মাদানী লগত লাগাটো বিজেপিৰ বাবে শুভ নহয়

সম্পাদকীয়

নেতৃত্বৰ বিপথগামিতা আৰু দলীয় সংকট

অসমৰ ৰাজনৈতিক পটভূমিত অগপ (অসম গণ পৰিষদ)ৰ দৰে এটা আঞ্চলিক দলৰ স্থিতি সদায়েই সূক্ষ্ম আৰু সংবেদনশীল। অসমীয়া জাতীয়তাবাদৰ প্ৰতীক হিচাপে জন্মলাভ কৰা এই দলে অসম আন্দোলনৰ ফচল হিচাপে গঠিত হৈছিল যদিও বৰ্তমানৰ পৰিস্থিতিত ইয়াৰ নেতৃত্ব কাৰ্যকলাপে দলটোৰ অস্তিত্বক প্ৰশ্নৰ সম্মুখীন কৰিছে। শেহতীয়াকৈ গুৱাহাটী মহানগৰীত লগোৱা দুখন হৰ্ডিঙে এই সংকটক পুনৰ উথাপন কৰিছে। এখনত অগপৰ সভাপতি অতুল বৰাৰ ফটো আৰু আনখনত কাৰ্যকৰী সভাপতি কেশৰ মহন্তৰ ফটো প্ৰদৰ্শিত হৈছে, কিন্তু দলীয় চিহ্ন হিচাপে হাতীৰ পৰিবৰ্তে বিজেপিৰ পদুম ফুলৰ চিহ্ন ব্যবহাৰ কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শাহৰ অসম ভ্ৰমণৰ পূৰ্বে লগোৱা এই হৰ্ডিঙসমূহে অগপৰ নেতাসকলৰ বিজেপিৰ হৰ্ডিঙত ভিলিকিই তুলিছে, যিটোৱে দলীয় স্বাতন্ত্ৰ্যমান ক্ষুণ্ণকৰত আঘাত দিছে।

এই ঘটনাত কেইবাটাও ভুল পৰ্যবেক্ষণ কৰিব পাৰি। প্ৰথমতে, হৰ্ডিঙৰ নিৰ্মাণত দলীয় চিহ্নৰ অবহেলা কেৱল এটা প্ৰযুক্তিগত ভুল নহয়, বৰঞ্চ ই নেতৃত্ব মানসিকতাৰ প্ৰতিফলন। অগপৰ হাতী চিহ্নটো অসমীয়া জাতীয়তাবাদৰ প্ৰতীক, যিটো অসম আন্দোলনৰ স্মৃতিৰ সৈতে জড়িত। ইয়াক এৰি বিজেপিৰ পদুম চিহ্নত নিজৰ ফটো প্ৰদৰ্শন কৰাটোৱে নেতাসকলৰ ব্যক্তিগত উচ্চাকাংক্ষাক দলীয় আদৰ্শৰ ওপৰত প্ৰাধান্য দিয়াৰ ইংগিত দিয়ে। দ্বিতীয়তে, অমিত শাহৰ আদৰণিৰ নামত লগোৱা এই হৰ্ডিঙসমূহে অগপক বিজেপিৰ অধীনস্থ হিচাপে চিত্ৰিত কৰিছে, যিটোৱে আঞ্চলিক দলৰ স্বাধীনতাক ক্ষুণ্ণ কৰে। সামাজিক মাধ্যমত এই বিষয়ে তীব্ৰ চৰ্চা চলিছে, য'ত বহুতে এই টোক অগপৰ 'বিজেপিকৰণ' হিচাপে বৰ্ণনা কৰিছে।

এই ঘটনাই অগপৰ প্ৰতি জনসাধাৰণৰ আস্থাক ক্ষুণ্ণকৰণভাৱে ক্ষতিগ্ৰস্ত কৰিছে। অসমৰ জনতাই অগপক অসমীয়া স্বাৰ্থৰ ৰক্ষক হিচাপে দেখিছিল, কিন্তু বিজেপিৰ সৈতে জোট গঠনৰ পিছত দলটোৰ আদৰ্শ হ্ৰাস পাইছে। জনসাধাৰণৰ মাজত এতিয়া প্ৰশ্ন উঠিছে যে অগপই অসমৰ স্বাৰ্থক কিমান গুৰুত্ব দিয়ে ? নে কেন্দ্ৰীয় নেতৃত্বৰ অনুগততাতহে সীমাবদ্ধ। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এই আস্থাহীনতা বাঢ়িছে, যিসকলে আঞ্চলিকতাবাদক প্ৰাধান্য দিয়ে।

আটাইতকৈ চিন্তাজনক দিশটো হৈছে তৃণমূল কৰ্মীসকলৰ ক্ষোভ। অগপৰ ভিত্তি হৈছে গাঁও-ভুইঁৰ কৰ্মীসকল, যিসকলে দলটোৰ বাবে ত্যাগ স্বীকাৰ কৰিছে। কিন্তু শীৰ্ষ নেতাসকলে বিজেপিৰ ছাঁত লুকাই থকা দেখি তেওঁলোকৰ মাজত অসন্তোষ বাঢ়িছে। বহু তৃণমূল কৰ্মীয়ে সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ কৰিছে যে নেতাসকলে দলীয় আদৰ্শক বিসৰ্জন দি ব্যক্তিগত লাভৰ বাবে কাম কৰিছে। এই ক্ষোভে দলটোৰ অভ্যন্তৰীণ বিচাৰহতা কমাই বঢ়াইছে।

ইয়াৰ লগতে শীৰ্ষ নেতাসকলৰ ৰাজ আতিথ্য জীৱনকো পৰ্যবেক্ষণ কৰিব লাগিব। অতুল বৰা আৰু কেশৰ মহন্তৰ দৰে নেতাসকলে মন্ত্ৰীসভাত স্থান লাভ কৰি ৰাজকীয় জীৱন যাপন কৰিছে, কিন্তু দলীয় কৰ্মীসকলৰ দুৰ্দশা অব্যহতা কৰিছে। এই হৰ্ডিঙ ঘটনাই প্ৰমাণ কৰে যে তেওঁলোকে বিজেপিৰ সৈতে ব্যক্তিগত সম্পৰ্কক দলীয় স্বাৰ্থৰ ওপৰত ৰাখিছে। ফলত অগপৰ মূল আদৰ্শ হ্ৰাস পাইছে আৰু দলটো এটা ছায়া দললৈ পৰিণত হৈছে।

যদি নেতৃত্বই দলীয় চিহ্ন আৰু আদৰ্শক সন্মান নিদিয়ে, তেন্তে জনসাধাৰণৰ আস্থা আৰু তৃণমূল কৰ্মীৰ সমৰ্থন হেৰুৱাই দলটোৱে অস্তিত্ব সংকটত পৰিব সেইয়া নিশ্চিত। অসমৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য, কিন্তু তাৰ বাবে নেতাসকলে স্বাৰ্থপৰতা ত্যাগ কৰি দলীয় ঐতিহ্যক সুৰক্ষিত কৰিব লাগিব। অন্যথা, অগপৰ ভবিষ্যত অন্ধকাৰাচ্ছন্ন হৈ পৰিব।

> অসমীয়া ভাষাৰ ভৰিষ্যত ৰক্ষাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত তেওঁলোকে ভাষাটোক আগুৰাই নিয়াৰ ক্ষেত্ৰত সক্ৰিয় ভাৱে জড়িত হ'ব পাৰে। অসমীয়া ভাষাৰ ভৰিষ্যত ৰক্ষাত যুৱ প্ৰজন্ম আগ্ৰহী নহয় বুলি ক'ব নোৱাৰি। ৰৱঞ্চ ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ একাংশৰ আগ্ৰহ বেছি বুলিয়ে ক'ব পাৰি। যুৱ প্ৰজন্মৰ একাংশ অসমীয়া ভাষা সংৰক্ষণৰ বাবে সদায় প্ৰস্তুত। সামাজিক মাধ্যম (ফেচবুক, হোৱাটছাপ) আদিৰ দৰে মাধ্যমবোৰ কেৱল সময় কটোৱাৰ বাবেহে যে একাংশ যুৱ প্ৰজন্মই ব্যৱহাৰ কৰে এনে নহয়। ৰৱঞ্চ তেওঁলোকে অসমীয়া ভাষাৰ চৰ্চা, বিশ্লেষণ আৰু বিচাৰ বিনিময়ৰ বাবেও এই সমূহ ব্যৱহাৰ কৰে।

অসমীয়া ভাষাৰ ভৰিষ্যত আৰু যুৱপ্ৰজন্ম

নিবেদিতা হাজৰিকা

এটা ভাষা হৈছে জাতিৰ ঐতিহ্য বা দাপোন। যিকোনো এটা ভাষাই এটা জাতিৰ কৃষ্টি - সংস্কৃতি আৰু ঐতিহ্যৰ বাহক হিচাপে কাম কৰে। ভাষিক চিনাকিয়ে হৈছে এটা জাতিৰ প্ৰকৃত পৰিচয়। ভাষাই বাহকৰ দায়িত্ব বা ভূমিকা পালনলৈ বহু কাৰ্য সাধিত কৰে। ভাষাৰ যি সম্মিলিত শক্তি সেই শক্তি যিমানে শক্তিশালী হ'ব ভাষাৰ স্থায়িত্বও সিমানে দৃঢ় আৰু মজবুত হয়।

পৃথিৱীৰ বহুতো ভাষাগোষ্ঠী ইন্দো - ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন পৰিবৰ্তনৰ ফলস্বৰূপে খ্ৰীষ্টীয় দশম - একাদশ শতিকাতে অসমীয়া ভাষাৰ জন্ম হৈছিল। উল্লেখ্য যে ১৮৭২ চনতে অসমীয়া ভাষা অসমৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি লাভ কৰিলেও। অসমীয়া ভাষা অসমৰ উত্তৰ - পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা হিচাপেও পৰিচিত। উত্তৰ পূৰ্বাঞ্চলৰ এক সংযোগী ভাষা হিচাপেও অসমীয়া ভাষাৰ আন এক সু-পৰিচয় আছে। অসমৰ বাঙালৰ ভাষা হিচাপে স্বীকৃতি প্ৰাপ্ত অসমীয়া ভাষাৰ আছে এক গৌৰবোজ্জ্বল ইতিহাস। কিন্তু দুখৰ বিষয় এয়ে যে এনে এটি চহকী ভাষাৰ আজি সংকটৰ গৰাহতে। বিভিন্ন ঘাট-প্ৰতিঘাত নেওচি, বিভিন্ন প্ৰত্যাহ্বান নেওচি অসমীয়া ভাষাটো বৰ্তি আছিল। কিন্তু আজি সেই ভাষাটোৰ স্থায়িত্বৰ প্ৰশ্নক লৈ উথাপিত হৈছে বিভিন্ন প্ৰশ্নবোধক্ক। সময় থাকোঁতেই অসমীয়া ভাষাটোৰ পুনৰুদ্ধাৰৰ চেষ্টা নকৰিলে আমাৰ প্ৰাণৰ ভাষাটো কালৰ বুকুত নিঃশেষ হৈ যাব। অসমীয়া ভাষাটোৰ এই সংকটৰ বেলিকা আমি সকলোৱে মাৰ বান্ধি থিয় হ'ব লাগিব।

অসমীয়া ভাষাৰ ভৰিষ্যত ৰক্ষাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত তেওঁলোকে ভাষাটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত সক্ৰিয় ভাৱে জড়িত হ'ব পাৰে। অসমীয়া ভাষাৰ ভৰিষ্যত ৰক্ষাত যুৱ প্ৰজন্ম আগ্ৰহী নহয় বুলি ক'ব নোৱাৰি। ৰৱঞ্চ ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ একাংশৰ আগ্ৰহ বেছি বুলিয়ে ক'ব পাৰি। যুৱ প্ৰজন্মৰ একাংশ অসমীয়া ভাষা সংৰক্ষণৰ বাবে সদায় প্ৰস্তুত। সামাজিক মাধ্যম (ফেচবুক, হোৱাটছাপ) আদিৰ দৰে মাধ্যমবোৰ কেৱল সময় কটোৱাৰ বাবেহে যে একাংশ যুৱ প্ৰজন্মই ব্যৱহাৰ কৰে এনে নহয়। ৰৱঞ্চ তেওঁলোকে অসমীয়া ভাষাৰ চৰ্চা, বিশ্লেষণ আৰু বিচাৰ বিনিময়ৰ বাবেও এই সমূহ ব্যৱহাৰ কৰে। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ বাবে যুৱ প্ৰজন্মই সাহিত্য চৰ্চাত মনোনিবেশ কৰা পৰিলক্ষিত হৈছে। এই কাৰ্যৰ জৰিয়তে ভাষাটোৰ প্ৰতি তেওঁলোকৰ দক্ষতা ভাষা জ্ঞানৰ বিস্তাৰ ঘটাৰ সুবিধা হৈছে আৰু সহজ হৈ পৰিছে। বিভিন্ন প্ৰযুক্তিৰ সহায়ত নিজৰ মাতৃভাষাক বিশ্বদৰবাৰত উপস্থাপন কৰিবলৈ যুৱ প্ৰজন্মই প্ৰয়াস কৰা কাৰ্য শলাগ লৰ লগীয়া। যুৱ প্ৰজন্মই ঘৰত, বন্ধু -বান্ধৱৰ লগত তথা সামাজিক মাধ্যমতো অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰা উচিত। ইয়াৰ ফলত ভাষাৰ ব্যাহাৰ বৃদ্ধি হ'ব আৰু ই অধিক শক্তিশালী হৈ উঠিব। ঠিক সেইদৰে শিক্ষানুষ্ঠান সমূহত সাংস্কৃতিক অনুষ্ঠান, কৰ্মশালা আৰু ভাষা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে ইয়াত যুৱক - যুৱতীসকলে নিজৰ ভাষাত কথা ক'বলৈ, গীত গাবলৈ তথা নাটক আদি কৰিবলৈ উৎসাহিত কৰিব পাৰে। নৱ প্ৰজন্মৰ মনত ভাষিক প্ৰেম আৰু ভাষা সচেতনতা জাগ্ৰত কৰিবলৈ তোলাৰ ই এটা অন্যতম উপায়।

অসমীয়া ভাষা ৰক্ষাৰ দায়িত্ব যুৱ প্ৰজন্মৰ ওপৰত অতীজৰে পৰা আছে আৰু এই দায়িত্ব পালন কৰিবলৈ তেওঁলোকে অসমীয়া ভাষাটোৰ প্ৰতি আগ্ৰহী হোৱাটো একান্ত প্ৰয়োজনীয়। যুৱ প্ৰজন্মই অসমীয়া ভাষাৰ প্ৰতি নিজৰ আগ্ৰহ বৃদ্ধি কৰাৰ লগতে ইয়াক স্বাভাৱিকভাবে ব্যৱহাৰ কৰাৰ প্ৰতি আগ্ৰহী হ'ব লাগে যাতে ই অসমৰ জনপ্ৰিয়তা সুদৃঢ়প্ৰসাৰী হয়। ইয়াৰ বাবে এটা পৰিবেশ গঢ়ি তোলাতো অত্যন্ত গুৰুত্বপূৰ্ণ। মাতৃভাষাৰ প্ৰতি দায়ৱদ্ধ হ'বলৈ হ'লে প্ৰথমে ঘৰ খন পৰাই সেই পৰিবেশ গঢ়ি উঠিব লাগিব আৰু তেতিয়াহে সেই পৰিবেশ লাহে-লাহে সমাজৰ মাজলৈ সংক্ৰমিত হ'ব।

ইংৰাজী মাধ্যমৰ শিক্ষাই সৃষ্টি কৰা নতুন প্ৰজন্মৰ একাংশৰ ভাষাৰ প্ৰতি অনীহা, ইংৰাজী -হিন্দী তথা ৰঙালীৰ প্ৰভাৱ, ভাষিক জাতীয়তাবোধৰ ফলত সৃষ্টি হোৱা বিভিন্ন সমস্যা সমূহ নিৰ্মূলৰ বাবে যত্ন কৰাৰ লগতে ভাষিক পুনৰুজ্জীৱন, নিজ ভাষাৰ প্ৰতি মৰ্যাদা ও সমৃহীয়া প্ৰচেষ্টাবে এই সমস্যা সমূহ নিৰ্মূলৰ বাবে প্ৰয়াস আৰু যত্নপৰ হ'ব লগীয়া।

এটা কথা ঠিক যে স্থিতিশীল স্থিতিশীল ভাষা এটাই কেতিয়াও প্ৰাণ পাই উটিব নোৱাৰে। অৰ্থাৎ ভাষা প্ৰাণবন্ত হোৱাৰ লগতে ই পৰিবৰ্তনশীল ও। সেয়ে ভাষা এটাৰ কণ পৰিবৰ্তন হোৱাটো কোনো ডাঙৰ কথা নহয়। নতুনৰ সমাহাৰ আমি অসমীয়া ভাষাটোৰ ক্ষেত্ৰত অলপ মান কৰিলেই নিশ্চয়কৈ দেখিবলৈ পাম। বৰ্তমান সময়ত অসমীয়া ভাষাত তাৰ প্ৰতিশব্দৰ অভাৱৰ বাবেই হওক বা সময়ৰ লগত খোজ মিলাবলৈ যাওঁতে হাতৰ কাষতে পোৱা ইংৰাজী শব্দৰ ব্যৱহাৰৰ বাবেই হওক ইয়াৰ ফলত অসমীয়া ভাষাটে অহা পৰিবৰ্তন সমূহে সুদূৰ ভবিষ্যতে এক গভীৰ সংকট ৰূপিহাই আনাৰ আশংকা অমূলক নহয় বা ইয়াক অস্বীকাৰ কৰিব নোৱাৰি। যেয়ে এই প্ৰত্যাহ্বান সমূহ নিৰ্মূলৰ বাবে নৱ প্ৰজন্মই যথা দিহিত ব্যৱস্থা লৰ লাগে যাতে ই আমাৰ ভাষাৰ ক্ষেত্ৰত বাধা হৈ নুঠে।

মাতৃভাষাৰ সংকট আৰম্ভ হ'লেই একোটা জাতিৰ জাতীয় জীৱনলৈ গভীৰ অন্ধকাৰ নামি আহে। সেয়েহে সকলো শ্ৰেণীৰ লোকৰ বাবে ভাষিক চেতনাৰ প্ৰয়োজন অপৰিহাৰ্য। আজি আইৰ মুখৰ ভাষা (মাতৃভাষা) সংকটৰ গৰাহত। সেয়ে অন্যান্য অনুষ্ঠান আদিৰ লগতে নৱ প্ৰজন্মও মহতৰ বাবে এক সময়ত বিশেষ তৎপৰ হোৱাটো সময়ৰ আহ্বান। অসমীয়া ভাষা যুৱপ্ৰজন্মৰ হাতত সুৰক্ষিত হয়নে বা হ'বনে নাই বা কিমান দূৰ সুৰক্ষিত হৈ সচেতন মহতৰ বাবে এক ডাঙৰ তথা চিন্তাৰ প্ৰশ্ন। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব কেৱল সাহিত্য সভা, সাহিত্যিক -বুদ্ধিজীৱী নতুবা চকাবাৰ হাতত তুলি ভাবিলে ভুল কৰা হ'ব। মাতৃভাষাৰ সুৰক্ষা তথা ৰক্ষণাবেক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। সেয়ে যুৱ প্ৰজন্মক এই বিষয়ত ডাঙৰকৈ সচেতন তথা জড়িত হ'বলৈ সুযোগ আৰু পৰিবেশ দিয়া উচিত।

আধুনিক প্ৰযুক্তি, বিশ্বায়ন আৰু চহকৰণৰ ফলত অসমীয়া ভাষাৰ স্বকীয়তা হেৰাই যোৱাৰ উপক্ৰম হৈছে আৰু সেই হেতু গৌৰৱৰ উদ্ধাৰৰ দায়িত্ব ন্যস্ত আছে যুৱ প্ৰজন্মৰ ওপৰত। উল্লেখ্য যে একাংশ যুৱ প্ৰজন্ম নিজ মাতৃভাষাটোৰ প্ৰতিও বিশেষ সচেতন নোহোৱাৰ বিপৰীতে ইয়াৰ মাজৰে একাংশই আকৌ বিশেষকৈ কিছুমান যুৱ সংগঠনে নিৰবিচ্ছিন্ন ভাবে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নীৰবে কাম কৰি আছে। গৌৰৱৰ বিষয় যে এই কামত জড়িত লোকৰ বা যুৱকৰ সংখ্যা তড়িত গতিত বৃদ্ধি পাব ধৰিছে। ই সঁচাই এক শুভ লক্ষণ। অসমীয়া ভাষাৰ এই সংকটৰ বেলিকা যুৱ প্ৰজন্মৰ এনে মানসিকতা শলাগ লৰ লগীয়া। কিয়নো, ভাষাৰ ব্যাহাৰ বৃদ্ধি তথা ইয়াক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰো যথেষ্ট দায়িত্ব তথা ভূমিকা আছে। যুৱ প্ৰজন্মৰ সম্মিলিত প্ৰচেষ্টাই অসমীয়া ভাষাক এক নতুন মাত্ৰা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবে অন্যান্য দল-সংগঠন বা অনুষ্ঠান -প্ৰতিষ্ঠানৰ যি তৎপৰতা বা ভূমিকা সেই একে ভূমিকা বা তৎপৰতা যুৱ প্ৰজন্মৰ বাবেও একেই। দেশ -তথা জাতি এতিয়া গভীৰ সংকটত। এই সংকটৰ বেলিকা বা দুৰ্বিষহ সময়ত যুৱ সমাজেই লৰ লগীয়া ঢাল কৰ্তাৰ ভূমিকা।

ভাষাৰ বিপৰয় বা বিপদগ্ৰস্ত হোৱা - এক গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ বিষয়, যাৰ ফলত ভাষাৰ বিলুপ্তি ঘটে আৰু ইয়াৰ সৈতে জড়িত সংস্কৃতি, জ্ঞান আৰু ইতিহাসৰ বিস্তৃত কণ্ঠি সাধন হয়। কেৱল সেয়ে নহয়, ভাষাৰ বিপৰ্যয়ৰ ফলত যোগাযোগৰ ব্যাহত হয়, জনজাতীয় সংস্কৃতিৰ বিলুপ্তি ঘটে, বিশ্বৰ বৈচিত্ৰ্যাৰ যথেষ্ট ক্ষতি সাধন হয়। যুৱ সমাজে এই সমূহৰ খৰৰ বখা উচিত আৰু এই সমূহ সমস্যাৰ সমাধানৰ বাবে যত্নপৰ হোৱাটো অতিশয় দৰকাৰী। যুৱ প্ৰজন্মৰ বহুতেই অবশ্যে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হৈছে আৰু অসমীয়া ভাষাৰ অধ্যয়ন আৰু গবেষণাত মনোনিবেশ কৰিছে, যাৰ ফলত অসমীয়া ভাষাই গুৰুত্ব পাবলৈ সক্ষম হোৱাৰ লগতে অসমীয়া ভাষাই গুৰুত্ব বিষয়েও অৱগত হ'বলৈ সক্ষম হৈছে। এফালে যুৱ সমাজৰ একাংশেই অসমীয়া ভাষাৰ বিকাশ, প্ৰকাশ তথা প্ৰচাৰত গুৰুত্ব দিয়াৰ বিপৰীতে আন একাংশ নৱ প্ৰজন্মই বিদেশী ভাষাৰ প্ৰতি আকৰ্ষিত হৈ মাতৃভাষাক পাহৰি যোৱাৰ উপক্ৰম হৈছে। মাতৃভাষাৰ সংকটৰ সময়ত ই আমাৰ বাবে এক চিন্তনীয় বিষয়।

অসমীয়া ভাষা অসমৰ উত্তৰ - পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা। আৰুনীয়ে সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি চৰকাৰী ভাৱে স্বীকৃত অসমীয়া ভাষা সমগ্ৰ উত্তৰ - পূৰ্বাঞ্চলৰ এক সংযোগী ভাষা হিচাপেও প্ৰচলিত হৈ আহিছে। অথচ আজি অসমীয়া

ভাষাৰ ভৰিষ্যতকলৈ শংকা। এনে সময়ত যদি এনেকুৱা বিকশিত ভাষাটো ৰক্ষাৰ বাবে বা পুনৰুদ্ধাৰৰ বাবে ব্যৱস্থা নকৰি নৱ প্ৰজন্মই যদি অনাদৰ কৰিবলৈ ধৰে, ভাষাৰ যদি বিপৰ্যয় ঘটে, তেনেহ'লে সেই মহান পুৰুষ, ভাষা আন্দোলনৰ শহীদ সকলৰ আত্মাই ভৰিষ্যত প্ৰজন্মক কেতিয়াও ক্ষমা নকৰিব।

আমি আমাৰ নিজৰ ভাষাটোক যদি জীয়াই ৰাখিব লাগে তেন্তে আমি প্ৰথমে কৰিব লগীয়া কামটো হ'ল নৱপ্ৰজন্মৰ মাজত আমাৰ ভাষাটোক জনপ্ৰিয় কৰি তোলা। যদি আমাৰ বৰ্তমান প্ৰজন্মই ভাষাটোক গুৰুত্ব সহকাৰে নলওঁ, তেন্তে আৰু হয়তো খুব বেছি তিনিটা প্ৰজন্মৰ পাছত আমাৰ ভাষাটো ইতিহাস হৈ যাব। অসমীয়া ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ আগ্ৰহ অসমীয়া ভাষাটোক জীয়াই তোলাত এক বিশেষ সহায়ক হৈ ৰ'ব। অন্যথা, ইয়াৰ বিপৰীতে অসমীয়া ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ আগ্ৰহ হীনতাৰ ফলত ভাষাটোৰ বাৰম্বাৰ কমিব, সাংস্কৃতিক ঐতিহ্য হেৰাই যাব, সামাজিক আৰু ভৌগোলিক বিভেদৰ সৃষ্টি হোৱাৰ লগতে অসমীয়া ভাষাত নতুন চিন্তাৰ উন্মেষ ঘটাৰ বাধাৰ সৃষ্টি হ'ব। সেয়ে ডিজিটেল মাধ্যমৰ ব্যৱহাৰ, সামাজিক সচেতনতা বৃদ্ধি আৰু ভাষাক শ্ৰদ্ধা কৰিবলৈ শিকাব লগতে অসমীয়া ভাষাৰ ভৰিষ্যত বিপদাপন্ন কৰি তুলিব পৰা কাৰক সমূহৰ প্ৰতি নৱ প্ৰজন্মক সজাগ কৰি তুলিবলৈ প্ৰয়াস কৰা কাইছি ভাষা সুৰক্ষা কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিব।

নৱ প্ৰজন্মই ভাষা ব্যৱহাৰত গুৰুত্ব দিয়াব লগতে সৃজনশীলতাৰ প্ৰসাৰ, সামাজিক মাধ্যমৰ ব্যৱহাৰ, অন্য ভাষাৰ সমাস্তৰালকৈ অসমীয়া ভাষাৰ প্ৰয়োগ, ভাষাটোক জীয়াই ৰখাৰ দায়ৱদ্ধতা, ঐতিহ্য তথা সংস্কৃতি প্ৰতিষ্ঠা ও বৰ্ধাৰ দৰে বিষয় সমূহৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা উচিত ৰ'ব। আধুনিকতাৰ দোহাই দি আমাৰ বহুতেই অসমীয়া ভাষাটোক হীন চকুৰে চায় বা ব্যৱহাৰ কৰিব নোখোজে। নৱ প্ৰজন্ম নিজেও সেই হীনমন্য মনোভাৱৰ পৰা দূৰত থকাৰ লগতে আনকো পাৰ্যমানে ভাষাটোৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ প্ৰয়াস কৰা উচিত।

এই কথা অনস্বীকাৰ্য যে ভাষাৰ ভৰিষ্যত ৰক্ষাৰ ক্ষেত্ৰত নৱ প্ৰজন্ম বা যুৱ প্ৰজন্মৰ সচেতনতা অত্যন্ত দৰকাৰী। কিয়নো, তেওঁলোকহে ভাষাৰ বাহক আৰু উত্তৰসূৰী। তেওঁলোকৰ ওপৰত ন্যস্ত আছে ভাষাৰ মৰ্যাদা ৰক্ষাৰ দায়িত্ব। সেয়েহে তেওঁলোকে নিজৰ মাতৃভাষাক গুৰুত্ব দি সাহিত্য চৰ্চাত অংশ লৈ তথা আনৰ ওপৰত নিয় আগি জপি নিদি নিজৰ কৰণীয়াখিনি পালন কৰাৰ ক্ষেত্ৰত তৎপৰ হ'লেহে অসমীয়া ভাষাৰ অস্তিত্ব আৰু প্ৰসাৰ সুনিশ্চিত হ'ব। ঐপদী মৰ্যাদা লাভ কৰা এই ভাষাৰ সমৃদ্ধিশালী ভবিষ্যত গঢ়িবলৈ তেওঁলোকৰ সক্ৰিয় তথা সহযোগিতাৰ পূর্ণ মাত্ৰাই প্ৰয়োজন। লগতে অসমীয়া ভাষাই যি ৰকীয়া বৈশিষ্ট্যৰে অনন্ত কৰিছে, যি প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে সেই ভাবুকি বা প্ৰত্যাহ্বান সমূহ চিনাক্ত কৰণ কৰি শিপাৰে সৈতে নিৰসন কৰিবলৈ যত্নপৰ হ'ব লাগিব। অসমীয়া ভাষাৰ ভৰিষ্যত ব্যক্তি, সম্প্ৰদায়, প্ৰতিষ্ঠান তথা চৰকাৰৰ ঘুটীয়া প্ৰচেষ্টাৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰে যদিও যুৱ প্ৰজন্মৰ দায়িত্বও এই ক্ষেত্ৰত বিশেষ ভাবে উল্লেখযোগ্য আৰু উল্লেখনীয়। ভাষাৰ প্ৰতি এক সম্মিলিত শক্তি সৃষ্টি কৰি অসমীয়া ভাষাৰ শুদ্ধতা বঢ়োৱাৰ বাবে চেষ্টা কৰাটো অতিশয় প্ৰয়োজনীয়। এই কথা ঠিক যে অসমীয়া ভাষাৰ ভৰিষ্যত নিশ্চিত নহয়, বিভিন্ন প্ৰত্যাহ্বানৰ সম্মুখীন হ'ব লগা হোৱা অসমীয়া ভাষাটো ৰক্ষাৰ বাবে যদিহে উপযুক্ত ব্যৱস্থা লোৱা হয় তেন্তেইয়াৰ ভবিষ্যত নিশ্চয়কৈ উজ্জ্বল হ'ব।

আমাৰ প্ৰথম পৰিচয় হ'ল অসমীয়া আৰু অসমীয়া ভাষাটোক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰোৱাটোৱেই এজন অসমীয়াৰ লক্ষ্য আৰু উদ্দেশ্য হোৱা উচিত। অন্যথা সেই দিন দূৰ নাই, যি দিনা অসমীয়া জাতি আৰু অসমীয়া ভাষাটো কেৱল ইতিহাসৰ পৃষ্ঠাত সীমাবদ্ধ হৈ ৰ'ব। নৱ প্ৰজন্ম সহিতে সকলোৱে অসমীয়াৰ প্ৰাণৰ ভাষাটোৰ ভবিষ্যত সুৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলেহে ই প্ৰত্যাহ্বান মুক্ত হৈ ভবিষ্যত সুনিশ্চিত কৰিব পাৰিব।

নাৰীৰ সুৰক্ষা ঃ সমাজৰ নৈতিক দায়িত্ব আৰু সম্মিলিত প্ৰচেষ্টা

চন্দন কুমাৰ নাথ

আধুনিক সমাজত নাৰীৰ সুৰক্ষাৰ প্ৰশ্নটো কেৱল এটা সামাজিক বিষয়েই নহয়, ৰৱঞ্চ ই এটা মানৱীয় আৰু নৈতিক দায়িত্বৰ বিষয়। সমাজৰ অৰ্ধাংশ গঠনকৰা নাৰীসকলৰ সুৰক্ষা আৰু সমান অধিকাৰ নিশ্চিত কৰাটো যিকোনো সভ্য সমাজৰ মূল ভিত্তি। কিন্তু দুৰ্ভাগ্যজনকভাৱে, আমাৰ সমাজত নাৰীৰ প্ৰতি হিংসা, বৈষম্য আৰু নিৰাপত্তাহীনতাৰ ঘটনা এতিয়া নিত্যনৈমিত্তিক বিষয় হৈ পৰিছে।

এই পৰিস্থিতিয়ে আমাক প্ৰশ্ন কৰিবলৈ বাধ্য কৰায় যে আচলতে আমাৰ সমাজে নাৰীৰ সুৰক্ষাক ক্ষেত্ৰত নিজৰ দায়িত্ব কিমানদূৰ পালন কৰিছে?

নাৰীৰ সুৰক্ষাৰ প্ৰশ্নটো কেৱল শাৰীৰিক নিৰাপত্তাৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ সৈতে জড়িত হৈ আছে নাৰীৰ মানসিক, সামাজিক আৰু অৰ্থনৈতিক সুৰক্ষাৰ বিষয়। আমাৰ সমাজত নাৰীসকলে বিভিন্ন ধৰণৰ হিংসাৰ সম্মুখীন হৈছে—যেনে, ঘৰুৱা হিংসা, যৌন নিৰ্যাতন, কৰ্মক্ষেত্ৰত হাৰাশাস্তি, আৰু বাজহুৱা স্থানত নিৰাপত্তাহীনতা। জাতীয় অপৰাধ ৰেকৰ্ড ব্যুৰোৰ তথ্য অনুসৰি, ভাৰতত নাৰীৰ প্ৰতি অপৰাধৰ হাৰ আতি উদ্বেগজনক। এই পৰিসংখ্যাই আমাৰ সমাজৰ গভীৰতম সমস্যাৰ প্ৰতি ইংগিত দিয়ে, য'ত নাৰীৰ প্ৰতি থকা পিতৃতান্ত্ৰিক মানসিকতা আৰু বৈষম্যমূলক চিন্তাধাৰাই এই সমস্যাৰ মূল কাৰণ হৈ পৰিছে। অসমৰ পৰিপ্ৰেক্ষিতত এই সমস্যাৰ স্বৰূপ কিছু পৃথক হ'লেও গুৰুত্ব কম নহয়। অসমৰ গ্ৰামাঞ্চলত নাৰীৰ প্ৰতি ঘৰুৱা সহিংসতাৰ ঘটনা বেছি দেখা যায়, আনহাতে নগৰীয়া অঞ্চলত কৰ্মক্ষেত্ৰত হাৰাশাস্তি আৰু বাজহুৱা স্থানত নিৰাপত্তাৰ অভাৱৰ সমস্যা প্ৰকট। উদাহৰণস্বৰূপে, গুৱাহাটীৰ দৰে নগৰীয়া অঞ্চলত সন্ধিয়াৰ পিছত মহিলাসকলৰ বাবে নিৰাপদে যাতায়াতৰ ব্যৱস্থা এতিয়াও পৰ্যাপ্ত নহয়। ইয়াৰ ফলত নাৰীৰ স্বাধীনতা আৰু গতিশীলতা সীমিত হৈ পৰিছে। এনে পৰিস্থিতিয়ে আমাক এই প্ৰশ্নৰ সম্মুখীন কৰে যে, আমাৰ সমাজে নাৰীৰ সুৰক্ষাৰ বাবে

গেলেকীত নিশা দুষ্কৃতিকাৰীৰ তাণ্ডৱ

অসম বার্তা, গেলেকী, ২৬ আগষ্ট ঃ যোৱা শুক্রবাৰে নিশা গেলেকীত দুষ্কৃতিকাৰীয়ে ৰাজহুৱা সম্পত্তি সংৰক্ষণৰ বাবে বিধায়ক পুঁজিবে নির্মাণ কৰি থকা পকী দেৱাল ভাঙি কৰিলে তহিলং। গেলেকী নাট্য মন্দিৰৰ নির্মীয়মান চাৰি সীমাৰ পকী দেৱাল নিশা ভাঙি লে অচিনাক্ত দুষ্কৃতিকাৰীয়ে। জানিব পৰা মতে নাজিবা সমষ্টিৰ বিধায়ক পুঁজিৰ প্রায় ২.৫ লাখ টকাৰে নির্মাণ কৰা হৈছে গেলেকী নাট্য মন্দিৰৰ চাৰিসীমান পকী বাহল কাম। যোৱা শুক্রবাৰে নিশা কোনো অচিনাক্ত দুষ্কৃতিকাৰী ভাঙি পৈ যোৱা নির্মীয়মান পকী বালৰ আধা অংশৰ কাম। যাকে লৈ এতিয়া তীব্র চাঞ্চল্যৰ সৃষ্টি হৈছে গেলেকীত। উল্লেখযোগ্য যে গেলেকী নাট্যমন্দিৰ সংৰক্ষণৰ বাবে বিভিন্ন সময়ত দল সংগঠনে দাবী জনাই আহিছে। এনেস্থলত নাট্যমন্দিৰটোৰ চাৰিসীমা সংৰক্ষণ বাবে নির্মীয়মান পকী দেৱাল ভাঙি দুষ্কৃতিকাৰীয়ে ভাঙি পেলোৱা বিষয়টোক গাৰিহণা জনাই ছে গেলেকীৰ সচেতন মহলে। ইতিমধ্যে গেলেকী নাট্যমন্দিৰ পৰিচালনা সমিতিয়ে এই বিষয়ে গেলেকী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তি ত গেলেকী আৰক্ষীয়ে বর্তমান তদন্ত আৰম্ভ কৰিছে।

লংকাত ৰে'লত উঠিবলৈ লওতেই ভৰি পিচল খাই কৰুণ মৃত্যু এজনৰ

অসম বার্তা, লংকা, ২৬ আগষ্ট ঃ লংকাত ৰে'লত উঠিবলৈ লওতেই ভৰি পিচল খাই কৰুণ মৃত্যুক সাৰটিলে লংকা ইছলাম বস্তিৰ ৫০ বছৰীয়া গোলাপ ছহেইন নামৰ এজন যুবকে। চিকিৎসাৰ বাবে ওষাহাটীলৈ বুলি লংকা ৰে'লৰে ষ্টেচনত নামনিমুৱা মৰিয়নি-ওষাহাটী বিজি. এক্সপ্রেছ ৰে'লখনত উঠিবলৈ ধৰোঁতেই সংঘটিত অঘটনটোত গোলাপ ছহেইনৰ শৰীৰ দুটুকুৱা হৈ পৰে। লংকাৰ ২ নং শ্যামবাৰীত ঘৰ গোলাপ ছহেইন। দুটা কণমানি সন্তান এৰি থৈ যোৱা গোলাপ ছহেইন ওষাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসক দেখুৱওৱাৰ বাবে ঘৰৰ ওলাই গৈছিল। ঘটনাস্থলীত ৰে'ল আৰক্ষী উপস্থিত হৈ যুৱক জনৰ মৃতদেহ উদ্ধাৰ কৰি ময়নাতৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসা লৈ প্রেৰণ কৰে আৰু তদন্ত অব্যাহত ৰাখে। উক্ত ঘটনাক লৈ লংকাৰ ই ছলাম বস্তি অঞ্চলজুৰি এক শোকাকুল পৰিবেশে বিৰাজ কৰিছে।

চামগুৰিত টাই আহোম যুৱ পৰিষদৰ নতুন আঞ্চলিক সমিতি গঠন

অসম বার্তা, আমগুৰি, ২৬ আগষ্ট ঃ শিৱসাগৰ জিলাৰ নামতিৰ সমীপবৰ্তী চামগুৰি ৰাজহুৱা প্রেক্ষাগৃহত আজি অনুষ্ঠিত এখন ৰাজহুৱা সভাত টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) শিৱসাগৰ জিলা সমিতিৰ অন্তর্গত চামগুৰি আঞ্চলিক সমিতি গঠন কৰা হয়। সমাজকর্মী মুনিন শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পার্থপ্রতীম আহোমে। সভাত উপস্থিত থাকে টাইপাৰ কেন্দ্রীয় সমিতিৰ সভাপতি দিগন্ত তামোলী, শিৱসাগৰ জিলা সমিতিৰ কার্যবাহী সভাপতি জয়ন্ত বৰগোঁহাই, যুটীয়া সম্পাদক সৌৰভ নেওগ আদি কেই বাগৰাকীও বিষয়বীয়া। সভাত মানস গঠনক সভাপতি, উপেন গগৈক কার্যকৰী সভাপতি আৰু সুমন সন্দিকৈক সাধাৰণ সম্পাদক কৰি ৫১ জনীয়া আঞ্চলিক সমিতি গঠন কৰা হয়। সভাত কেন্দ্রীয় সভাপতি দিগন্ত তামোলীয়ে নতুন সমিতিক আদৰণি জনাই সংগঠনটোৰ সংবিধান বিৰোধী কার্যবলৰা অাঁতৰত থাকি সমাজৰ উন্নতিৰ বাবে আত্মনিয়োগ কৰা কৰি যোৱাৰ আহ্বান জনায়।

ৰংদৈ দ গাঁৱত শিশু ভাওনা সমাবেহ আয়োজন

অসম বার্তা, নিমাতীঘাট, ২৬ আগষ্ট ঃ ৰংদৈ দ গাঁও যুৱক বৃন্দৰ উদ্যোগত আৰু গাঁওবাসী ৰাইজৰ সহযোগত অহা ইংৰাজী ১৮ জানুৱাৰী পৰা ২৪ জানুৱাৰী ২০২৬ লৈ সাত দিনীয়া কার্যসূচীৰে সপ্তম বার্ষিক সৰ্বে অসম শিশু ভাওনা সমাবেহ অনুষ্ঠিত কৰা হৈছে। যোৱা ৩ আগষ্ট ৰংদৈ দ গাঁও ৰৰ নামঘৰ প্রাঙ্গনত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই প্রফুল্ল ৰবা সভাপতি, ডিম্পল কলিতা আৰু প্রাঞ্জল কলিতাক যুটীয়া সম্পাদক হিচাবে লৈ সপ্তম বার্ষিক সৰ্বে অসম শিশু ভাওনা সমাবেহ উদযাপন সমিতি গঠন কৰি দিয়ে। এই ভাওনা সমাবেহ খনিত যোগদান কৰিব বিচৰা ভাওনা দল সমূহে অহা ৫ ছেপ্টেম্বৰৰ পৰা ১৫ ছেপ্টেম্বৰ ভিতৰত ৯৩৬৫০০০৪৬৬, ৯ ০ ৮ ৫ ৪ ৬ ১ ৩ ৪ ১ , ৯১০১৮৮৯০২ এই নাম্বাৰত যোগাযোগ কৰি নাটৰ পাণ্ডুলিপি সমূহ জমা দিবৰ বাবে উদযাপন সমিতিয়ে অনুৰোধ জনাইছে।

নগাঁৱৰ গোমোঠা গাঁৱত অসম নাট্য সম্মিলন কলংপাৰ শাখাৰ প্রথম বার্ষিক প্রতিষ্ঠা দিৱস উদ্‌যাপন

অসম বার্তা, পুৰণিগুদাম, ২৬ আগষ্ট ঃ অসম নাট্য সম্মিলন নগাঁও জিলা সমিতিৰ অন্তর্গত "কলংপাৰ" শাখাৰ প্রথম বার্ষিক প্রতিষ্ঠা দিৱসটি আজি গোমোঠা গাঁও প্রাথমিক বিদ্যালয়ত উদযাপন কৰা হয়। এই উপলক্ষে কার্যসূচী অনুসৰি পুৱাবেলা কৰে ব্রহ্মে সভাপতি কিৰণ কুমাৰ নেওগ আৰু শাখাৰ সভাপতি মাধৱ চন্দ্র বৰাই। ইয়াৰ পিছতে সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাৰ প্রতিচ্ছবিত বন্তি প্রজ্বলন আৰু পুষ্পাঞ্জলি অর্পণ কৰে অসম নাট্য সম্মিলনৰ কেন্দ্রীয় সমিতিৰ সহকাৰী সম্পাদক সুবজ কুমাৰ শইকীয়াই। ইয়াৰ পিছতে শাখাৰ সভাপতি মাধৱ চন্দ্র বৰাই। ইয়াৰ পিছতে সাংগঠনিক দিশ আলোচনা কৰে। সভাত নগাঁও জিলা সমিতিৰ সম্পাদক জিতুমনি মহন্তই কয় আমাৰ জাতীয় কৃষ্টি-সংস্কৃতি আমি জীয়াই ৰাখিব লাগিব। অন্যথা জাতীয় অস্তিত্বৰ প্রতি সংকট নামি আহিব। ভাষণত জিলা সম্পাদক মহন্তই যুৱ প্রজন্মক নাট-কলা সংস্কৃতিৰ প্রতি আকৃষ্ট কৰাৰ বাবে অসম নাট্য সম্মিলনে গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে সভাত দাঙি ধৰে। সভাত শাখাৰ সম্পাদক তথা নাট্যকর্মী গোলাপ বৰাই কলংপাৰ শাখাক সক্রিয় কৰি তোলাত গুৰুত্ব আৰোপ কৰাৰ লগতে উঠি অহা প্রজন্মৰ মাজত নাট্যচর্চাৰ প্রচাৰ আৰু প্রসাৰৰ উদ্দেশ্যেৰে "কলংপাৰ" শাখাই প্রতি দুমাহৰ মুৰে মুৰে এক নাট্য বিষয়ক আলোচনা চক্র অনুষ্ঠিত কৰা উচিত বুলি সভাত নাট্যকর্মী ৰঞ্জিত বৰাই কয়। সভাত শাখাৰ উপদেষ্টা তথা সমাজকর্মী ক্ষেমকান্ত শর্মা, কার্যকৰী সভাপতি কিৰণ কুমাৰ নেওগে শাখাৰ সাংগঠনিক দিশ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। উক্ত অনুষ্ঠানত গোমোঠা গাঁও প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক বজেশ্বৰ বৰা, শাখাৰ উপ সভাপতি প্রবোধ কুমাৰ বৰা, সহ সম্পাদক প্রবীণ চন্দ্র বৰা, ভাৰপ্রাপ্ত গাঁও আঞ্চলিক পঞ্চায়ৰৰ সদস্য জয়ন্ত কুমাৰবৰা, গাঁওপ্রধান দিপাংকৰ শইকীয়া, সমাজকর্মী দেবেন বৰবা, লাহুমণি নেওগ, ৰুবীবোদ শর্মা, বকণ জ্যোতি নেওগ, বিভু নেওগ, পদ্ম হাজৰিকা, হেমন্ত কলিতা, লক্ষ্যজিৎ চমুৱা, দোলন চন্দ্র বৰা আদি উপস্থিত থাকে।

খহনীয়া প্রতিবোধৰ বাবে ওলাই আহিল নামনি মাজুলীৰ কৰ্দেগুৰিৰ ৰাইজ

অসম বার্তা, উজনী মাজুলী, ২৬ আগষ্ট ঃ ২০০৪ চনৰ পৰা মাজুলী সুৰক্ষাৰ দায়িত্বত থকা বর্ডে মাজুলীৰ ভূমি সংৰক্ষণ কৰাত সম্পূর্ণ ব্যর্থ হোৱাৰ অভিযোগ মাজুলীৰ সচেতন মহল আৰু বিভিন্ন দল সংগঠনেও তুলি আহিছে। বহু সময়ত মাজুলী সুৰক্ষাৰ দায়িত্বত থকা এই সংস্থাটো মাজুলী সুৰক্ষাৰ দায়িত্বৰ পৰা অব্যাহতি দিবৰ বাবেও দাবী জনাই আহিছে মাজুলীবাসীয়ে। কিন্তু তাৰ পিছতো কি ৰাজ্য চৰকাৰ, কি কেন্দ্রীয় চৰকাৰ কোনেও এই সংস্থাটো মাজুলীৰ ভূমি সুৰক্ষাৰ দায়িত্বৰ পৰা আতৰ কৰাৰ চেষ্টা নকৰিলে। বাজাৰ ইখনৰ পিছত সিখন চৰকাৰে হাজাৰ কোটি টকা প্রতিটো বিত্তীয় বর্ষত মাজুলীৰ সুৰক্ষাৰ বাবে আৱণ্টন দি আহিছে যদিও সকলো যেন মিছা হৈছে। সর্বানন্দ সোণোৱালৰ আমোলতো মাজুলীৰ সুৰক্ষাৰ বাবে কেন্দ্রীয় চৰকাৰে আৱণ্টন দিছিল ২৩৮ কোটি টকা। এই বৃহৎ পৰিমাণৰ পুঁজিৰে ব্রহ্মপুত্র বর্ডে ২৭ কি: মি: বেংক বিৰেকটমেণ্ট আৰু ৪১খন আৰ.টি.চি পার্কু পাইন নির্মাণৰ বাবে ১৭৮ কোটি টকা নিবিদা আহ্বান কৰি টি: কে: ইঞ্জিনীয়ালিং কনাৰটিয়াম নামৰ অকণাচলৰ ব্যক্তিগত কোম্পানীক কাম কৰাৰ নির্দেশ প্রদান কৰিছিল। কিন্তু নির্ধাৰিত সময়ত কাম কৰাৰ বিপৰীতে কোম্পানীটোৱে মই মতালিবে কৰা কামৰ ফল আজিও সাধাৰণ ৰাইজে ভুগিয়েই আছে। সমান্তৰালভাবে নামনি মাজুলীৰ কৰ্দেগুৰিত চলি থকা ভয়াবহ খহনীয়াই অঞ্চলটোক আৰম্ভ কৰা খহনীয়া প্রতিবোধী আচনি খনতো বিষ্যগোম দুর্নীতিৰ অভিযোগে ৰাইজক চিন্তাত পেলাইছে। খহনীয়া প্রতিবোধৰ নামত নিম্নমানৰ ভগা পার্কুপাইন পেলাই আচনি ৰূপায়ণ কৰি খহনীয়া প্রতিবোধৰ চেষ্টাত শেহতীয়াকৈ ৰাইজ গৰজি উঠাৰ পিছত ব্রহ্মপুত্র বর্ডৰ ওপৰত আছা হেকৰাই অঞ্চলটোৰ ৰাইজে আজি নিজেই হাতে কামে লাগি খহনীয়া বোধৰ চেষ্টা চলায়। নামনি মাজুলীৰ কৰ্দেগুৰিৰ গাঁৱৰ যুৱক সংঘে, পাঞ্চজন্য সাংস্কৃতিক গোষ্ঠী, গাঁওৰখী বাহিনী, গাঁও উন্নয়ন সভাৰ সহযোগত কেইবাখনো গাঁৱৰ ৰাইজ মিলি খহনীয়াগ্রস্ত অঞ্চলটোৰ প্রায় দুই কিলোমিটাৰ ধৰি স্থলপয়া বৃক্ষৰ ডাল ৰোপণ কৰা। গছজোপাৰ জৰিয়তে বর্তমান সময়ত খহনীয়া প্রতিবোধ সম্ভৱ হৈ উঠাত চৰকাৰীৰ বাট নাচহি ৰাইজে নিজেই আজি উক্ত গছ জোপাহ হাতত লোৱা কার্যসূচী গ্রহণ কৰা হ'ব বুলি গাঁওবাসীয়ে জানিবলৈ দিছে।

'ছাত্রনেতা বিনোদ ধান সোঁৱৰণি চলন্ত ট্রফী ফুটবল'ৰ চেম্পিয়ন জহিং এফচি

অসম বার্তা, লীলাবাৰী, ২৬ আগষ্ট ঃ শৈক্ষিক, সাংস্কৃতিক আৰু ক্রীড়া ক্ষেত্রত তকণসকলক বিশেষ উৎসাহ দিয়া লখিমপুৰৰ এজন বিশেষ আদিবাসী ছাত্রনেতা প্রয়াত 'বিনোদ ধান'ক সোঁৱৰণ কৰাৰ প্রয়াসেৰে সদৌ অসম আদিবাসী ছাত্র সংস্থা চমুকৈ 'আছা'ৰ উজুনি পুৱ-কয়লাবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু জুনুবক্তি-ৰঙাজনাবাসী বাইজৰ সহযোগত জুনুবক্তি খেলপথাৰত 'ছাত্রনেতা বিনোদ ধান সোঁৱৰণি চলন্ত ট্রফী' ফুটবল প্রতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলত জহিং এফচিয়ে চেম্পিয়ন হৈ ৰিতীয় বেঙ্কৰ পুৰৈলে পৰিণত হৈছে সভূমি মাজুলী। সেই অনুসৰি পুৱাৰে পৰা ব্যবধান বাঢ়ে পেনাল্টি শ্বোটত জহিংয়ে ৩-২ গ'ল ত জয়ী হয়। আজি দিনটো প্রতিযোগিতাখনত জহিং এফচিয়ে চলন্তট্রফীৰ লগতে প্রাইজমানি আৰু চিনাকলীয়া এফচিয়ে প্রাইজমানি লাভ কৰে। উল্লেখ্য যে, প্রতিযোগিতাখনত ঈগল এফচিয়ে শ্রেষ্ঠ নিয়মানুৱর্তী দল'ৰ বঁটা লাভ কৰে।

কৃত্রিম বানপানীৰ সমস্যাক লৈ গেলেকীত সৰৰ সংগ্রামী সেনা, অসম

অসম বার্তা, গেলেকী, ২৬ আগষ্ট ঃ গেলেকী অঞ্চলত ভয়াবহ ৰূপত দেখা দিয়া কৃত্রিম বানপানীৰ সমস্যাক লৈ সৰৰ হৈ পৰিছে সংগ্রামী সেনা, অসম। আজি সংগ্রামী সেনাৰ কেন্দ্রীয় সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক মিন্টু দুৰবাৰ নেতৃত্বত এটা দলে বানপানী অধ্যুষিত গেলেকীৰ কেইবাটাও অঞ্চল পৰিদর্শন কৰে। উল্লেখযোগ্য যে গেলেকীৰ মাজেৰে বৈ যোৱা দৈখন, দেনচি আদিকে ধৰি কেইবাখনো সৰু সৰু নদী নালাগেলেও হোৱা অবৈধ কয়লা খননৰ ফলত উদ্ভৱ হোৱা বোকা মাটি বৈ আহি নদী কেইখনৰ সমতল পুত থাই পৰাত নদী কেইখন বাম হৈ কৃত্রিম বানৰ সৃষ্টি হৈছে। যাৰ বাবে গেলেকীৰ কেই টামান অঞ্চলৰ কৃষিজীবি ৰাইজ বাৰুকৈয়ে প্রভাবিত হৈছে। সমস্যাটো দিনক দিনে বৃদ্ধি পাই এতিয়া গেলেকীৰ নতুন নতুন অঞ্চল সামৰি লৈছে কৃত্রিম বানে। চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ এইক্ষেত্রত যি তৎপৰতা হব লাগিছিল সেইয়া আজিও সম্ভৱ হৈ উঠা নাই। আজিও কৃত্রিম বানত কৰকবাইছে সাধাৰণ ৰাইজে। গেলেকীৰ পৰা শিঙিবিল সংযোগী মুল পথটোৰ একাংশ যাই এই বানৰ কবলত পৰিছে যাব বাবে সমস্যাত পৰিছে সাধৰণ ৰাইজৰ লগতে, স্কুল কলেজৰ ছাত্র-ছাত্রী তথা জরুৰীকালীন বেগী। এই কৃত্রিম বানৰ কবলত থকা অঞ্চল কেইটা পৰিদর্শন কৰি স্থানীয় বিধায়ক দেৱব্রত শইকীয়াৰ লগতে শাসনাধিষ্ট চৰকাখখনৰ বিৰুদ্ধে ক্ষোভ উজাৰে সংগ্রামী সেনাই। ২০২৬ চনৰ নির্বাচনৰ আগত চৰকাৰখনে এই সমস্যাটোৰ ওপৰত ব্যৱস্থা গ্রহণ নকৰিলে ৰাইজে যোগ্য প্রত্যুত্তৰ দিব বুলি মত প্রকাশ কৰে সংগ্রামটোৰ নেতা মিন্টু দুৰবাই। লগতে নাজিবা সমষ্টিৰ বিধায়ক দেৱব্রত শইকীয়াই এই সমস্যাৰ বিষয়ে বিশেষ পদক্ষেপ গ্রহণ কৰিব বুলি আশ্বাস দিয়ে। চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ অভিযোগ কৰিছে সংগ্রামী সেনাই।

মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৰ তিথিত নাম প্রেম অমৃতৰ নদী বৈছে সত্রভূমি মাজুলীত

খোল তাল, ৰৰগীত, নাম-প্রসংগৰে মুখৰিত মাজুলীৰ আকাশ-বতাহ

আদিএলেঙী সত্রত 'ভোজন বেহাৰ' নাটক প্রদর্শন

অসম বার্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ কপাণ্ডৰৰ খনিকৰ জগতগুৰু শ্রীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাৰ তিথি উলহ-মালহ সত্রাজাকুৰি ভক্তি কথন বিলীন হোৱা পৰিলক্ষিত হৈছে। সমাস্তবালভাবে ৰিহনীয়া কুৰুবিলে পৰিণত হৈছে সভূমি মাজুলী। সেই অনুসৰি পুৱাৰে পৰা মাজুলীৰ সত্র নামঘৰত গুঞ্জৰিত গুৰুকন্দনাৰে মুখৰিত হৈছে মাজুলীৰ আকাশ বতাহ। আজি দিনটো মাজুলীৰ প্রতিখন সত্র আৰু নামঘৰত পুৱাৰ পৰা নিশা দুপৰলৈ চাৰি নাম ঠৈয় প্রসংগ খোল তাল বৰগীতৰ অমীয়া সুৰে মুখৰিত হৈ থাকিব। মাজুলীৰ ভোগপুৰ, উত্তৰ কমলাবাৰী, নতুন কমলাবাৰী, মধ্য মাজুলী কমলাবাৰী সত্রত ৩ দিনীয়াকৈ মহাপুৰুষ জনাৰ কীর্তন হিচাপে উদযাপন কৰিছে। প্রথম দিনা চাউল ভোজনী, ৰিতীয় দিনা থাপনি আজি মুল তিথি আৰু কাই'লৈ দশমীৰে তিথি আৰু সন্ধিয়া পৰিব। আজি পুৱাৰ পৰা পুৱাগীত, নামঘোষা কীর্তন ঘোষা, আদিব পাছত গায়ন বায়ন, বিহাৰ নৃত্য, ওজাপালি, মুটৈবিল, ৰঙাচাহী, গোসাঁইবাৰী, জালুকবাৰী আদিকে ধৰি প্রায়বোৰ নামঘৰত বিহুলি বিহুলা সকলে দিহানাম পৰিবেশনেৰে গুৰুজনাৰ তিৰোভাৰ তিথি উদযাপন কৰে।

চামগুৰি সত্র, এলেঙি নৰসিংহ সত্রতো গুৰুজনাৰ তিথি উদযাপন কৰে। নাম প্রসংগৰে মুখৰিত হৈ ৰিতীয় বেঙ্কৰ পুৰৈলে পৰ্যবসিত হৈছে সত্রপীঠ মাজুলী। এইদৰে সমগ্র মাজুলী সত্রত শংকৰ গুৰুজনাৰ তিথি বিস্তৃত আড়ম্বৰপূর্ণ ভাবে পালন কৰি আহিছে। কমলাবাৰীসত্রৰ গুৰুকীর্ত্তন হ'ল সত্রৰ সমুদায় সংগীত সম্ভাৰক অঙ্কুৰ অবিছিন্ন ৰীতিৰে পৰিবেশন কৰি তোলাৰ এটি বহুবৰ্ষীয়া জাহজবৰ্ত্তিনী দাস আৰু মাইকা শইকীয়াই আঁত ধৰা নিউজ দর্পণ কনক্লেভৰ বঁটা প্রদান অনুষ্ঠান বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক এনডি ২৪ৰ বার্তা সম্পাদক মানস প্রতীম ডেকা, জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ'ৰ জ্যেষ্ঠ বিষয়া প্রদীপ দত্ত, বিশিষ্ট সমাজকর্মী বঞ্চিত বৰা, সকপাই দাস আৰু ডা' ৰাজীব কুমাৰ মাহাতা। নিউজ দর্পণৰ সম্পাদক ৰমেন বৰাৰ সামগ্রিক কৃতিত্বলৈ অনুষ্ঠিত অনুষ্ঠানটিত সমাজৰ বিভিন্ন ক্ষেত্রৰ আগবঢ়োৱা বিশিষ্ট বৰঙনি বাহিনী লীলাকান্ত পায়েং, ডা' ৰাজীব কুমাৰ মাহাতা, দিগন্ত লস্কৰ, অনুৰা বয়, হিমাশ্রী কলিতা, চেংকাং বংহাং, ৰাইছে বে, ৰাণা ডেকা, ডা' সীমা কাশ্যপ, বনজিং দাস, কচুৰাৰ অসম বার্তা কাকত সাংবাদিক গুলজাৰ ছহেইন, গুনাকৰ গৌতম, নিশা আৰু নিফাক নিউজ দর্পণ কর্মপ্রাণ বঁটা প্রদান কৰা হয়।

অঙ্কুৰক গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৪ সংখ্যক প্রতিষ্ঠা দিৱস উদ্‌যাপন

সাহিত্য সভাৰ প্রতি থকা দায়বদ্ধতাৰ বাবেই ৰাইজে সভাৰ ভুলবোৰ আঙুলিয়াই দিয়ে ঃ দেৱজিত বৰা

ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৬ আগষ্ট ঃ "সাহিত্য সভাই সমগ্র প্রতি থকা দায়বদ্ধতাৰ বাবে লগতে অসম সাহিত্য সভাক ভালপোৱা বাবেই সভাৰ ভুলবোৰ ৰাইজে আঙুলিয়াই দিয়ে"। গোৱালপাৰা জিলা অঙ্কুৰক অনুষ্ঠিত হোৱা গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৪ সংখ্যক প্রতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে অংশগ্রহণ কৰি অসম সাহিত্য সভাৰ প্রধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। ভাষণ প্রসংগত বৰাই লগতে কয় যে, সমাজ জীৱনৰ একাংশ মানুহে খাজনাকৈ বাজনা বজোৱা বুলি বজায়। পশ্চিম পইছাৰ কাম কৰি পয়সুৰু পইছাৰ বাজনা বজায়। ইফালে সমাজত এনে কিছু মানুহ আছে যি এশ টকাৰ কাম কৰি এক টকাৰো মূল্য নিবিছাৰে। "তেখেতসকলৰ উপদেশ মাফিক সহকাৰে গ্রহণ কৰি সাহিত্য সভাৰ কামতন্ত্রী হ'বলৈ সেনাসংগঠনে আহ্বান জনায় দেৱজিত বৰাই।" ধুপধৰা দক্ষিণ বিকালী শাখা সাহিত্য সভাৰ আতিথ্যত ২৩ আগষ্ট বর্ণাঢ্য কার্যক্রমণিকাবে অঙ্কুৰ প্রাগজ্যোতিষ শিল্পী সংঘত গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্র নাথৰ পৌৰোহিত্যত দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে গোৱালপাৰা জিলা সাহিত্য সভাৰ জিলা প্রতিনিধি জিতুমণি দাসে। উদ্বোধকৰ ভাষণত তেওঁ গোৱালপাৰা জিলা সাহিত্য সভাৰ ইতিহাস আৰু কর্মসূচীৰ ব্যাখ্যা দাঙি ধৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড' সুভাষ বর্মন, অসম সাহিত্য সভাৰ প্রচাৰ আহ্বায়ক শংকু সিঙ্হ নাথ, গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাৰ সভাপতি তাৰুক বার্তু এঃ বিশিষ্ট অতিথিৰূপে অংশগ্রহণ কৰে। বিশিষ্ট অতিথিৰ ভাষণক ক্রমে ড' সুভাষ বর্মনে অসম সাহিত্য সভাৰ বর্তমান সাংগঠনিক কার্যক্রম, স্কুল কলেজৰ ছাত্র-ছাত্রী তথা জরুৰীকালীন বেগী। এই কৃত্রিম বানৰ কবলত থকা অঞ্চল কেইটা পৰিদর্শন কৰি স্থানীয় বিধায়ক দেৱব্রত শইকীয়াৰ লগতে শাসনাধিষ্ট চৰকাখখনৰ বিৰুদ্ধে ক্ষোভ উজাৰে সংগ্রামী সেনাই। ২০২৬ চনৰ নির্বাচনৰ আগত চৰকাৰখনে এই সমস্যাটোৰ ওপৰত ব্যৱস্থা গ্রহণ নকৰিলে ৰাইজে যোগ্য প্রত্যুত্তৰ দিব বুলি মত প্রকাশ কৰে সংগ্রামটোৰ নেতা মিন্টু দুৰবাই। লগতে নাজিবা সমষ্টিৰ বিধায়ক দেৱব্রত শইকীয়াই এই সমস্যাৰ বিষয়ে বিশেষ পদক্ষেপ গ্রহণ কৰিব বুলি আশ্বাস দিয়ে। চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ অভিযোগ কৰিছে সংগ্রামী সেনাই।

খহি পৰিল ১নং বুলহেডৰ এটা অংশ; নিশ্চিহ্ন হৈ পৰিল ঐতিহাসিক ককিলা পথাৰ

নিমাতীঘাটত ব্যাপক খহনীয়া

অসম বার্তা, নিমাতীঘাট, ২৬ আগষ্ট ঃ নিমাতীঘাটৰ প্রচণ্ড খহনীয়াত পুনৰ শংকিত হৈ পৰিছে যোৰহাটবাসী। যোৰা এটা সপ্তাহৰ ভিতৰত নিমাতী-হাতীশাল ১ নং বুলহেডৰ বাঁওফালৰ এটা ডাঙৰ অংশ পুনৰ বহি যোৱাত আতংকিত হৈ পৰিছে স্থানীয় ৰাইজ। প্রতিবছৰে খহনীয়াৰ কবলত নিমাতীঘাটৰ ভৌগোলিক অৱস্থান সংকটত হৈ যি অবশিষ্ট অংশ আছিল, তাকো প্রচণ্ড খহনীয়াই শেষ কৰিছে। যোৰা সপ্তাহৰ পৰা নিমাতীঘাটৰ ১নং বুলহেডটোৰ বাঁওফালৰ অংশটো ক্রমাগতভাবে বহি যোৱাৰ সামাস্থবালভাবে সোঁফালে ব্যাপক খহনীয়াৰ ফলত সম্পূর্ণ ভাবে নিশ্চিহ্ন হৈ পৰিল ঐতিহাসিক ককিলা পথাৰ। মাজুলীৰ বেচাৰমা দিশৰ পৰা নদীখনে প্রত্যক্ষভাবে খুঙা মৰাৰ ফলত নিমাতী - হাতীশালৰ ২নং শৈল বান্ধ আৰু ১নং বুলহেডৰ মাজৰ ডিভিন ককিলা অঞ্চলত ব্যাপক হাৰত খহনীয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে যোৰহাট ৰক্ষাকৰ্ষ ককিলা মাঠাউৰীৰ

ৰামায়নৰ ৰাৱন, মহাভাৰতৰ

গৌৰৱ গগৈ আৰু সহ তত্ত্বাবধায়ক গৰাকীক কংগ্ৰেছ কৰ্মীসকলে আজি পুৱা কমলাবাৰী পাৰঘাট ধোৱেল-দগৰে উষ্মা আদৰণি জনায়। ইফালে কমলাবাৰী পাৰঘাটত ভৰি ধোৱাৰ পিছতেই গৌৰৱ গগৈয়ে সাংবাদিকৰ সম্মুখত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ৰাজাৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটৰ ভিতৰত বিটিচিৰ নিৰ্বাচন সদৰ্ভত তেওঁ কয় বিটিচিত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপিৰ প্ৰাৰ্থী নাৰী কেলেংকাৰীৰ লগত জড়িত। মোডীয়ে কৰ্পাচিত প্ৰচাৰ চলাবলৈ যোৱা ব্যক্তি জনেই নাৰী কেলেংকাৰীত অভিযুক্ত হৈছে। বিজেপিৰ এইটো পৰম্পৰা বুলি অভিহিত কৰি গৌৰৱ গগৈয়ে বিজেপি দলক ক্ষোভৰাষ্ট্ৰ সমালোচনা কৰে। ইফালে গৌৰৱ গগৈয়ে পাকিস্তানৰ সৈতে সম্পৰ্ক সদৰ্ভত পুনৰ মন্তব্য কৰি কয় "পেহেলগামৰ ঘটনাৰ পাছত পাকিস্তানৰ সৈতে ১৪ চেপ্তেম্বৰত কিয় ক্ৰিকেট খেলব আয়োজন কৰিছে? আমি এই কাৰ্যক ঘোৰ বিৰোধতা কৰোঁ বুলি গুৱাহাটীত মন্তব্য কৰা পৰিলক্ষিত হয়। কেন্দ্ৰীয় চৰকাৰে কিয় পাকিস্তানক বিভিন্ন খেলৰ প্ৰতিযোগিতাৰ পথা বহিষ্কাৰ নকৰে বুলি মন্তব্য কৰি তেওঁ কয় পাকিস্তানৰ পথা যেতিয়া সন্ত্ৰাসবাদীয়ে ওলায় তেনে কিয় পাকিস্তানৰ লগত খেল পাতিব লাগে বুলি লগতে তেওঁ চৰকাৰক সমালোচনা কৰে। ইফালে আজি সোনাৰিষাটি বগামঞ্চত মাজুলী জিলা কংগ্ৰেছৰ উদ্যোগত "ভোট চোৰ-চকী এৰক" শীৰ্ষক সভাগাতা সভা আৰু জিলা ভিত্তিক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ আৰু বিকাশ উপাধ্যায়ে অংশগ্ৰহণ কৰা এই সভা খনত গৌৰৱ গগৈয়ে ভাষণত ভোট চোৰ-চকী এৰক বুলি দাবী তুলি কয়-ভুমিঅ কোৰ্টে কেন্দ্ৰীয় নিৰ্বাচন আয়োগক স্থিতিৰ বিপক্ষে ৰায় দান দিয়াৰ বিপৰীতে চৰকাৰে এই বিষয়ত আলোচনাৰ পোষকতা নকৰাটোইহে চৰকাৰে যে জনসাধাৰণৰ মনৰ কথা শুনিবলৈ নিবিচাৰে তাৰেই প্ৰমাণ হ'ল। ইফালে যোৰহাট মাজুলী দলং৷ নিৰ্বাচন প্ৰক্ৰিয়া আৰু হোৱাৰ পিছতে দলংৎ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাত লগন হোৱাৰ সদৰ্ভত তেওঁ কয় চৰকাৰৰ এতিয়া এই বিষয়ত গুৰুত্ব নাই। ইয়াৰ বিপৰীতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পুলিচ মিলিটেৰীৰ ভয় খুৱাই সাংবাদিক, সমাজ সেৱক আৰু বিৰোধী দল সমূহক দমন কৰিছে বুলি গৌৰৱ গগৈয়ে মন্তব্য কৰে। ইফালে ৰাজাৰ ভূমি পূৰ্বে অপাৰ চৰকাৰেই হওক, কংগ্ৰেছ চৰকাৰেই হওক বা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনকে ধৰি কোনো এখন চৰকাৰেই অসমৰ ভূমি আদানি, আম্বানী আৰু পতঞ্জলিক দিয়া নাছিল কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৪০ হাজাৰ বিঘা মাটি আদানি আম্বানি, পতঞ্জলীক গতাব বিচাৰিছে আৰু বাকীখিনি নিজৰ পত্নী নামত নামজাৰি কৰিছে বুলি তেওঁ উল্লেখ কৰি জনজাতিৰ যি অধিকাৰ সেই অধিকাৰকো তেওঁ কেৰেণ নকৰে। কাৰ্বি মানুহে সংবিধানৰ ভিতৰত অধিকাৰ পাইছে সেই অধিকাৰো দিব নালাগে, বড়ো মানুহৰ ট্ৰাইবেল বেল্ড এণ্ড ব্লক বিচাৰে কিন্তু তেওঁলোকৰ সভাপতি দিলীপ শইকীয়াই কেডিয়াও ট্ৰাইবেল বেল্ড এণ্ড ব্লক নিবিচাৰে তাৰ বিপৰীতে শ শ বিঘা মাটি টিমেন্ট ফেক্টৰী মালিকক দি দিলে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় আজি অসমত জনজাতিৰ বাবে ষষ্ঠ অনুসূচী আছে, ট্ৰাইবেল বেল্ড এণ্ড ব্লক আছে কিন্তু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বাবে সেয়া ওকতুহীন। জনজাতিৰ সুৰক্ষাক বাদ দিলে কিন্তু হিমন্ত বিশ্ব শৰ্মাই ইজনাতে যাঁত তেওঁৰ বাবে মাটি লাগে লৈ ল'ব বা যাক বিক্ৰী কৰিব লাগে মাটি বিক্ৰী কৰিব। তেওঁ ইমানেই অহংকাৰ বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় অলপ দিনৰ আগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ভিতৰত কণমানি শিশুৰ মৃত্যু হ'ল চৰকাৰৰ গাফিলতিৰ বাবে, চিকিৎসক গাফিলতিৰ বাবে। যিজন মুখ্যমন্ত্ৰী আগতে স্বাস্থ্যমন্ত্ৰী আছিল। আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ভিতৰত শিশুৰ মৃত্যু হৈছে তত তেওঁ কেৰল মোক ভুল হৈছে বুলি কৈয়েই দায়িত্ব সামৰিছে মাত্ৰ দুটা শব্দ কৈয়েই দায়িত্ব শেষ তেওঁৰ। ৰামায়নৰ ৰাৱন আৰু মহাভাৰতৰ দুৰ্যোধনো ইমান অহংকাৰী নাছিল যিমান মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা অহংকাৰী বুলি মুখ্যমন্ত্ৰীক ক্ষোভাৰ সমালোচনা কৰা পৰিলক্ষিত হয়। মহাভাৰতত যি দৰে শকনি মামাই কৌৰৱ পাণ্ডৱৰ মাজত গুহ যুদ্ধ লগাইছিল ঠিক তেনেদৰে অসমত এতিয়া হিমন্ত মামাই শকুনিৰ কপ ধৰি আই ভাই মাজত যুদ্ধ লগাইছে বুলি মন্তব্য কৰাৰ উপৰিও তৰুণ গগৈ চৰকাৰে অসমৰ লৰা ছোৱালীৰ হাতত লেপটপ দিব বিছাৰিছিল কিন্তু বৰ্তমানৰ ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমৰ লৰা ছোৱালীৰ হাতত লেপটপ দিয়া ব্যৱস্থা কৰিছেবুলি ভাষণত উল্লেখ কৰে। ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাবধায়ক বিকাশ উপাধ্যায়ে বৰ্তমান চৰকাৰৰ কাম সমূহকো সমালোচনা কৰি ২০২৬ চনত কংগ্ৰেছ চৰকাৰকে চৰকাৰ গঠন কৰি বুলি মন্তব্য কৰে। উদ্ভৱ দলেই আঁত ধৰা সভাত এ আই চি চি বিকাশ উপাধ্যায়, এ পি চি চি জয়ন্ত কলিতা, এ পি চি চিৰ সম্পাদক বাণী হাজৰিকা, ৰুচীয়া সম্পাদক মহিম পায়েং, মাষ্টাৰ ট্ৰেইনৰ বাণী বৰা, মাজুলী জিলা কংগ্ৰেছ সভাপতি অমল পুজাৰী, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ডঃ মৃণাল পায়েং আদি উপস্থিত থাকে।

মণিপুৰত নিষিদ্ধ ঘোষিত

গোটৰ সদস্যকে ধৰি ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে। প্ৰতিবন্ধা মুখপাত্ৰ লেফটেণেণ্ট কৰ্নেল অমিত গুৰুত্বই প্ৰকাশ কৰা মতে সুৰক্ষা বাহিনীয়ে বিগত কেইদিনমানত বাজখন্ন ভিৰিয়াম ফেজলল, বিষ্ণুপুৰ, থৌবাল, পুৰ আৰু পশ্চিম ইম্ফল জিলাত ঘুটীয়া অভিযান চলায়। আটক কৰা উগ্ৰপন্থীকেইজন কাংলেপাক কমিউনিষ্ট পাৰ্টী আৰু ৰিভলিউচনেৰী পিপলছ ফ্ৰন্ট-পিপলছ লিবাবেচন আৰ্মীৰ সদস্য বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে সুৰক্ষা বাহিনীৰ এই ঘুটীয়া প্ৰচেষ্টাই মণিপুৰত শান্তি আৰু নিৰাপত্তা বজাই ৰখাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে।

বিজেপিত যোগদান কৰিলে

আনুষ্ঠানিক ঘোষণা এতিয়ালৈকে হোৱা নাই, তথাপি কিছুমান লক্ষণীয় ঘটনাই এই দিশত ইংগিত দিছে। অগৰত সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই গেৰুৱা বসন পিন্ধি বিজেপিত যোগদান কৰিলে নেকি? এই প্ৰশ্নই এতিয়া সকলোৱে মাজত উথাপিত হৈছে। যদিও এই দুই নেতাই বিজেপিত যোগদান কৰাৰ কোনো স্পষ্ট খবৰ নাই, তথাপি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা বশিষ্ঠ অৱস্থিত বিজেপিৰ বাজিক কাৰ্যালয় বাজপেয়ী ভবনলৈকে থকা পথসমূহত লগোৱা হৰ্ডিং আৰু বেনাৰসমূহত এই দুই নেতাৰ ফটো প্ৰধানভাবে স্থান পাইছে। এই হৰ্ডিংসমূহত বিজেপিৰ প্ৰতীক পদ্মম ফুলৰ চিহ্ন আৰু 'ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশ' লিখা দেখা গৈছে, কিন্তু ক'তো অসম গণ পৰিষদৰ প্ৰতীক বা দলটোৰ নাম উল্লেখ নাই। এনে পৰিস্থিতিয়ে সকলোকে চিন্তাত পেলাইছে আৰু যোগদানৰ সম্ভাবনাক আৰু অধিক শক্তিশালী কৰি তুলিছে। এই ঘটনাই সামাজিক মাধ্যমতো তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। বহুতে এই আঞ্চলিকতাবাদী নেতাসকলক আঞ্চলিকতাবাদৰ পোচাক এবি বিজেপিৰ গেৰুৱা দলত লীন হোৱাটোক উচিত বুলি মন্তব্য কৰিছে। তেওঁলোকে যুক্তি দিছে যে এই পদক্ষেপে ৰাজাৰ ৰাজনীতিত স্থিৰতা আনিব পাৰে। আনহাতে, আন কিছুমানে এইটোক চে কটাক্ষ কৰি কয় যে নামত যদিও বিজেপি আৰু অগপ দুটা ভিন্ন আদৰ্শৰ ৰাজনৈতিক দল, কিন্তু বাস্তৱত এতিয়া এই দুটাই এটা দললৈ পৰিণত হৈছে। এনে মহামহসমূহে ৰাজাৰ ৰাজনৈতিক পৰিবেশক আৰু অধিক জটিল কৰি তুলিছে। উল্লেখ্য যে, অমিত শাহ অহা ২৮ আগষ্টৰ সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। সেই নিশা কইনাঘাত অবস্থিত ৰাজিক অতিথিশালাত অতিথাহিত কৰাৰ পিছত, পিছদিনা অৰ্থাৎ ২৯ আগষ্টত তেওঁ এই নিৰ্মিত ৰাজভবনৰ শুভ উদ্বোধন কৰিব। এই অনুষ্ঠানৰ পিছত খানাপানাত আয়োজিত এনডিএৰ পঞ্চায়ত সম্মিলনত তেওঁ এই নিৰ্বাচিত পঞ্চায়াত প্ৰতিনিধিসকলক সম্বোধন কৰিব। বিয়লিৰ ফালে তেওঁ গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীসমূহৰ মাজতে অমিত শাহৰ আদৰণি জনাবলৈ বাজিক বিজেপিয়ে বাজ্যৰ বিভিন্ন ঠাইত বিশালকায় প্ৰতিকৃতি স্থাপন কৰিছে। এই প্ৰতিকৃতিবোৰ বৰবৰা বিমানবন্দৰৰ পৰা আৰম্ভ কৰি সমগ্ৰ গুৱাহাটী অনুষ্ঠান

খাদ্য বিষক্রিয়া সন্দর্ভত সষ্টম-ডিব্রুগড় জিলাৰ স্বাস্থ্য বিভাগৰ সাধাৰণ নীতি-নির্দেশনা জাৰি

ষ্টাফ বিপৰ্টাৰ, ডিব্রুগড়, ২৬ আগষ্ট ঃ ডিব্রুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত গজপুৰীয়া আয়ুষ্মান আৰোগ্য মন্দিৰৰ অধীনৰ ২নং দিখাৰী গাঁৱৰ ভাদমহীয়া নাম - প্ৰসংগৰ মাহ - প্ৰসাদ খাই ৫০ জনৰো অধিকৰ খাদ্য বিষক্রিয়া হৈ চিকিৎসাধীন হ'বলগা হোৱাৰ পৰিপ্ৰেক্ষিতত ডিব্রুগড় জিলাৰ স্বাস্থ্য বিভাগে খাদ্য বিষক্রিয়া সম্পৰ্কে বাইজক সজাগ কৰিবলৈ কেতবোৰ নীতি -নির্দেশনা জাৰি কৰিছে। এই খাদ্যৰ বিষক্রিয়া হৈছে জীৱিত বেক্টেৰিয়া বা অজৈৱ ৰাসায়নিক পদাৰ্থৰ দ্বাৰা সংক্ৰমিত খাদ্য (কীটনাশক, সাৰ, আৰ্চেনিক যুক্ত) বা পানীয় তথা ঘনৰীয়া কাঢ়ফুলা বা সাগৰীয় খাদ্য খোৱাৰ ফলত হোৱা এক গুৰুতৰ ব্যাধি। খাদ্যৰ বিষক্রিয়া হোৱাৰ ফলত পেটৰ বিষ, বমি, ডায়েৰিয়া, জ্বৰ আদি হয়। ইয়াৰ ফলত যকৃত, হৃদয়ত্ব আৰু বৃক্ক আদিৰ দৰে শৰীৰৰ গুৰুত্বপূৰ্ণ অংগবোৰৰ প্ৰভাবিত কৰিব পাৰে, যাৰ বাবে এই অংগবোৰ বিকল হোৱাৰ বাবে আক্ৰান্ত ব্যক্তিৰ মৃত্যুও হ'ব পাৰে। খাদ্য বিষক্রিয়া প্ৰতিবোধৰ বাবে কেঁচা বা ৰন্ধা সামগ্ৰী যেনে- মাছ পাচলি, মাংস ইত্যাদি ভালদৰে ধুই খোৱা উচিত। খাদ্য খোৱাৰ আগত সাবুন দি ভালদৰে হাত ধুৱা আৰু খোৱা বাচন পৰিষ্কাৰকৈ ধুই ল'ব লাগে। সৰায় কেঁচা আৰু ৰন্ধা খাদ্য পৃথক কৰি ৰখাৰ লগতে খোৱা খাদ্য সৰায় ভালদৰে আৰু সম্পূৰ্ণকৈ ৰন্ধা উচিত। খাদ্য সামগ্ৰীসমূহ সদায় ফ্ৰীজ বা উপযুক্ত তাপমাত্ৰা আৰু সুৰক্ষিত স্থানত ঢাকনিদে ঢাকি ৰাখিব লাগে। ৰন্ধন কাৰ্য বাবহৃত পানী আৰু খাদ্য-সামগ্ৰী ধোৱাৰ বাবে সদায় পৰিষ্কাৰ পানী ব্যৱহাৰ কৰাটো অপৰিহাৰ্য। আনহাতে, ধৰ্মীয় অনুষ্ঠান/সামুহিক ৰন্ধনত যেনে- প্ৰসাদ, খিচৰি, ভোগ আদি ৰন্ধাৰ বাবে ব্যৱহৃত খাদ্য সামগ্ৰীসমূহ ভালদৰে পৰিষ্কাৰ পানীৰে ধুই ল'ব। একেদৰে ধৰ্মীয় স্থান (মন্দিৰ, নামঘৰ আদি) বা ঘৰত প্ৰসাদৰ বাবে আগবঢ়োৱা বুট- মাহ, কেঁচা ফল-মূল ইত্যাদি চাফা পাত্ৰত পৰিষ্কাৰ পানীৰে ভালদৰে কেই বাবাৰো ভালদৰে ধুইহে পৰিবেশন কৰা বা খোৱা উচিত। একেদৰে, অসুৰক্ষিত আৰু অজ্ঞাত মানদগুৰ খাদ্য সামগ্ৰী আৰু পাচলি ধুৱৰেলে কেতিয়াও চাবোন, ডিটাৰজেণ্ট পাউডাৰ আদি ব্যৱহাৰ কৰা অনুচিত। আনহাতে, যদি খাদ্য খোৱাৰ পিছত পেটৰ বিষ, বমি, পনীয়া শৌচ বা পেটৰ অসুখ, মূৰৰ বিষ, জ্বৰ আদিৰ দৰে কোনো লক্ষণে দেখা দিয়ে, তেন্তে তাৎক্ষণিকভাবে নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ স্বাস্থ্য বিভাগে ডিব্রুগড় জিলাবাসী ৰাইজক আহ্বান জনাইছে। তদুপৰি যিকোনো স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শৰ বাবে ১০৪ আৰু এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰিবলৈ ও অনুৰোধ কৰিছে ডিব্রুগড় জিলা স্বাস্থ্য বিভাগে। উল্লেখযোগ্য যে, খাদ্য বিষক্রিয়াৰ ঘটনাৰ প্ৰতিবোধ ৰ বাবে ডিব্রুগড় জিলাৰ স্বাস্থ্য বিভাগে স্বাস্থ্য কৰ্মীৰ দ্বাৰা সজাগতা সভাৰ আয়োজন কৰি ৰাইজৰ সচেতন কৰিবলৈ প্ৰয়াস কৰিছে। আনহাতে, কোনো ব্যক্তিয়ে যদি কোনো খাদ্য/মাহ- প্ৰসাদ ইত্যাদি বিষক্রিয়া হ'ব পাৰে বুলি সন্দেহ কৰি তাৰ গুণাগত মানদণ্ড নিৰ্ণয়ণ কৰাৰ বিচাৰে তেন্তে ডিব্রুগড় জিলাৰ ঘুচীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়স্থিত "খাদ্য-সুৰক্ষা" ফুড -টেইষ্টিং বিভাগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ঘুচীয়া স্বাস্থ্য সঞ্চালকৰ ডাঃ তুষাৰকান্তি। তাৰ বাবে বা আন যিকোনো স্বাস্থ্য সম্পৰ্কীয় আপাতকালীন পৰিস্থিতিত সহায়ৰ বাবে ডিব্রুগড় জিলা স্বাস্থ্য বিভাগে নিজাকৈ মুকলি কৰা সহায়তা নম্বৰ (হেল্প-লাইন নম্বৰ) ৬০২৬৪৬৯০৩৩তে ফোন কৰিবলৈও ৰাইজক অনুৰোধ কৰিছে।

বাক্সাত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনক সাধাৰণ সভা ভূমিৰ অধিকাৰ কলিতাৰ জন্মস্বত্ব অধিকাৰঃ নয়ন কলিতা

অসম বার্তা, ধমধমা, ২৬ আগষ্ট ঃ "অসমত ভূমিৰ অধিকাৰ কলিতা জনগোষ্ঠীৰ জন্মস্বত্ব অধিকাৰ"-এই বক্তব্য সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক নয়ন কলিতাৰ। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বাক্সা জিলা সমিতিৰ উদ্যোগত বড়িকাদত্তা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত এখন কলিতা জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ বিষয়কলৈ সাধাৰণ সভা অনুষ্ঠিত হয়। সন্মিলনৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ ঢেকাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে জিলা সমিতিৰ সভাপতি জীতেন কলিতাই। সভাত সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নয়ন কলিতাই মানদণ্ড নিৰ্ধাৰণ কৰা বিশাৰে তেন্তে ডিব্রুগড় জিলাৰ ঘুচীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়স্থিত "খাদ্য-সুৰক্ষা" ফুড -টেইষ্টিং বিভাগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ঘুচীয়া স্বাস্থ্য সঞ্চালকৰ ডাঃ তুষাৰকান্তি। তাৰ বাবে বা আন যিকোনো স্বাস্থ্য সম্পৰ্কীয় আপাতকালীন পৰিস্থিতিত সহায়ৰ বাবে ডিব্রুগড় জিলা স্বাস্থ্য বিভাগে নিজাকৈ মুকলি কৰা সহায়তা নম্বৰ (হেল্প-লাইন নম্বৰ) ৬০২৬৪৬৯০৩৩তে ফোন কৰিবলৈও ৰাইজক অনুৰোধ কৰিছে।

হাজাৰ বছৰ পূৰণি হোৱাৰ লগতে অসমৰ এটি সৰ্ববৃহৎ খিলঞ্জীয়া জনগোষ্ঠী। ঘিটো জনগোষ্ঠীৰ ৰব অসম গণ্য আৰু অসমীয়া জাতি গঠনত নিজ জনগোষ্ঠীয়া বহু সংস্কৃতি বিলিন কৰি দিছে। অথচ আজি সেই জনগোষ্ঠীটোৱেই এই খন অসমত ভূমি অধিকাৰৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। তাতেকৈ লাজৰ কথা কি হ'ব পুৰি কলিতই দুখ প্ৰকাশ কৰে। অতি সোনকালে অসমত চলি থকা ভূমি আইন সংশোধন কৰি হলেও কলিতাসকলক অসমৰ প্ৰতিটো স্থানতে ভূমিৰ অধিকাৰ দিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। সভাত সন্মিলনৰ কাৰ্যকৰী সভাপতি ভুবনেশ্বৰ কলিতাই কয় যে সন্মিলনৰ মূল দাবী হৈছে "কলিতা সকলক অনুসূচীত জনজাতি ঘোষনা কৰি ষষ্ঠ অনুসূচীভুক্ত কৰা।" এই দাবী সম্পূৰ্ণ নহোৱালৈকে ৰাজনৈতিক, শৈক্ষিক আৰু নিয়োগৰ ক্ষেত্ৰত চৰকাৰে কলিতাৰ ক্ষেত্ৰত বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। সভাত সন্মিলনৰ উপদেষ্টা প্ৰৱজ্যোতি বৰুৱা, বাক্সা জিলা সমিতিৰ মুখ্য উপদেষ্টা বামেশ্বৰ ডেকা আৰু তামোলপুৰ জিলা সমিতিৰ সভাপতি ভুপেন্দ্ৰ কলিতায়ে নিজৰ বক্তব্যত কলিতাসকলে বি.টি.আৰ.ত ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ বাবে দুখ প্ৰকাশ কৰে। এই উপলক্ষে পুৰা মাৰাধান দৌৰ প্ৰতিযোগিতা, বৃক্ষৰোপণ আৰু বাটৰ নাট পৰিবেশন কৰা হয়। ইয়াৰ পিছতে কৰিব আক্ৰমণ ছত্তিছনৰ সভাপতিত্বত "ড্ৰাগছ মুক্ত এখন সমাজ গঢ়ো আহক" শীৰ্ষক এখনি সভা এখনি অনুষ্ঠিত কৰে। মঞ্চত অধ্যক্ষ কলিম উদ্দিনৰ প্ৰযোজনাত জবাল ই বহমান একাডেমীৰ ছাত্ৰীৰ জাতীয় সংগীত পৰিবেশনেৰে সভা মুকলি কৰে। ইফালে হেফজুৰ ৰহমানে আঁত ধৰা আৰু মিৰ্জা ৰবিউল হাছানে উদ্ধোপ ব্যাখ্যা কৰা সভাত ভাষণ দি বক্তাসিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক তথা সাহিত্যিক -সাংবাদিক দীপক শমহি কয়- "ড্ৰাগছ মুক্ত কৰিব হ'লে পৰিষালটো প্ৰথমতে সজাগ-সতৰ্ক হ'ব লাগিব। অভিভাৱকৰ অধিক মনমত সন্তান বেয়া হয়। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ সংগঠনবোৰেবো অনেক কৰণীয় আছে। আৰুহী - প্ৰশাসনেও সঠিক সময়ত নিবপেক্ষ ভূমিকা ল'ব লাগে।" সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৰসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কয়- "সময়তকৈ মূল্যবান বস্তু আন একো নাই। পঢ়া-শুনাৰ লগতে সংগীত, নৃত্য, খেল আদি চৌবিশ বিধ বিদ্যা সময় থাকোঁতেই আয়ত্ত কৰিব লাগে। শাৰীৰিক কাম-চাম কৰিলে কোনো মাদক দ্ৰব্যৰ প্ৰতি আসক্তি নাহে।" বিশিষ্ট লেখিকা তথা আসৰণপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বুলু কুমাৰী বড়াই নিজৰ ভাষণত কয়- "ড্ৰাগছ বা অন্যান্য মাদক দ্ৰব্য সেৱনৰ ফলত বহু পৰিয়াল নিশ্চিহ্ন হৈ গৈছে। এই ক্ষেত্ৰত সমাজ সচেতক বা সমাজবোধৰ অনেক দায়িত্ব আৰু কৰ্তব্য আছে।" জিলা শিক্ষক আৰু প্ৰশিক্ষণ মহাবিদ্যালয় "ডায়েট" গোৱালপাৰাৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদে তেওঁৰ ভাষণত কয়- "এহেজাৰ টোপাল তেজত এটোপাল ড্ৰাগছে মানুহজনক অচেতন কৰাৰ লগতে মানসিক ভাৱে বাধাৰ সৃষ্টি কৰে।" সভাত আৰ ভি ভি এনৰ বিষয়-বৰীয়া ৰবিউল ছহেইন, শ্মান একাডেমী চিফৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক শহিদুল ইছলাম তবফদাৰ, কবি মিৰ্জা হুমায়ুন কবিৰে এখন ড্ৰাগছ মুক্ত সমাজ গঢ়িবলৈ অভিভাৱক, সমাজ, চৰকাৰ, প্ৰশাসন আদি সকলোৱে আগবাঢ়ি আহিব লাগিব বুলি একেমুখে মত পোষণ কৰে। সভাত ৰুকচানা আহমেদে সত্ৰীয়া নৃত্য, হুছুৰা ইয়াছমিন, মফিদা বেগমে আধুনিক গীত পৰিবেশন কৰে। শেষত বাষ্ট্ৰীয় সংগীত পৰিবেশনেৰে অনুষ্ঠান সামৰণি পৰে।

ড্ৰাগছ, মাদক দ্ৰব্য নিবাৰণৰ বিৰুদ্ধে সজাগতা সভা

সোণতলীত গৌৰৰ গগৈ ফেনচ্ ক্লাবৰ অষ্টম বর্ষপূর্তি উদ্‌যাপন

অসম বার্তা, সোণতলী, ২৬ আগষ্ট ঃ কাঞ্চনপ জিলাৰ সোণতলীস্থিত শ্মান একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত গৌৰৰ গগৈ ফেনচ্ ক্লাব, অসমৰ অষ্টম বর্ষ পূর্তি উৎযাপন কৰে। এই উপলক্ষে পুৰা মাৰাথান দৌৰ প্ৰতিযোগিতা, বৃক্ষৰোপণ আৰু বাটৰ নাট পৰিবেশন কৰা হয়। ইয়াৰ পিছতে কৰিব আক্ৰমণ ছহেইনৰ সভাপতিত্বত "ড্ৰাগছ মুক্ত এখন সমাজ গঢ়ো আহক" শীৰ্ষক এখনি সভা এখনি অনুষ্ঠিত কৰে। মঞ্চত অধ্যক্ষ কলিম উদ্দিনৰ প্ৰযোজনাত জবাল ই বহমান একাডেমীৰ ছাত্ৰীৰ জাতীয় সংগীত পৰিবেশনেৰে সভা মুকলি কৰে। ইফালে হেফজুৰ ৰহমানে আঁত ধৰা আৰু মিৰ্জা ৰবিউল হাছানে উদ্ধোপ ব্যাখ্যা কৰা সভাত ভাষণ দি বক্তাসিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক তথা সাহিত্যিক -সাংবাদিক দীপক শমহি কয়- "ড্ৰাগছ মুক্ত কৰিব হ'লে পৰিষালটো প্ৰথমতে সজাগ-সতৰ্ক হ'ব লাগিব। অভিভাৱকৰ অধিক মনমত সন্তান বেয়া হয়। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ সংগঠনবোৰেবো অনেক কৰণীয় আছে। আৰুহী - প্ৰশাসনেও সঠিক সময়ত নিবপেক্ষ ভূমিকা ল'ব লাগে।" সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৰসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কয়- "সময়তকৈ মূল্যবান বস্তু আন একো নাই। পঢ়া-শুনাৰ লগতে সংগীত, নৃত্য, খেল আদি চৌবিশ বিধ বিদ্যা সময় থাকোঁতেই আয়ত্ত কৰিব লাগে। শাৰীৰিক কাম-চাম কৰিলে কোনো মাদক দ্ৰব্যৰ প্ৰতি আসক্তি নাহে।" বিশিষ্ট লেখিকা তথা আসৰণপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বুলু কুমাৰী বড়াই নিজৰ ভাষণত কয়- "ড্ৰাগছ বা অন্যান্য মাদক দ্ৰব্য সেৱনৰ ফলত বহু পৰিয়াল নিশ্চিহ্ন হৈ গৈছে। এই ক্ষেত্ৰত সমাজ সচেতক বা সমাজবোধৰ অনেক দায়িত্ব আৰু কৰ্তব্য আছে।" জিলা শিক্ষক আৰু প্ৰশিক্ষণ মহাবিদ্যালয় "ডায়েট" গোৱালপাৰাৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদে তেওঁৰ ভাষণত কয়- "এহেজাৰ টোপাল তেজত এটোপাল ড্ৰাগছে মানুহজনক অচেতন কৰাৰ লগতে মানসিক ভাৱে বাধাৰ সৃষ্টি কৰে।" সভাত আৰ ভি ভি এনৰ বিষয়-বৰীয়া ৰবিউল ছহেইন, শ্মান একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক শহিদুল ইছলাম তবফদাৰ, কবি মিৰ্জা হুমায়ুন কবিৰে এখন ড্ৰাগছ মুক্ত সমাজ গঢ়িবলৈ অভিভাৱক, সমাজ, চৰকাৰ, প্ৰশাসন আদি সকলোৱে আগবাঢ়ি আহিব লাগিব বুলি একেমুখে মত পোষণ কৰে। সভাত ৰুকচানা আহমেদে সত্ৰীয়া নৃত্য, হুছুৰা ইয়াছমিন, মফিদা বেগমে আধুনিক গীত পৰিবেশন কৰে। শেষত বাষ্ট্ৰীয় সংগীত পৰিবেশনেৰে অনুষ্ঠান সামৰণি পৰে।

অৰুণাচলৰ পখিলা মানৰ ৰশন উপাধ্যায়, জীৱবিজ্ঞানী ড° মুনছুন জ্যোতি গগৈৰ লগতে দেশ-বিদেশৰ বিশেষজ্ঞৰ অংশগ্ৰহণ

নগাঁৰৰ বিভিন্ন নামঘৰ-সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৰ তিথি উদ্‌যাপন

অসম বার্তা, নগাঁও, ২৬ আগষ্ট ঃ অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি তিৰোভাৰ তিথি সমগ্ৰ ৰাজ্যখন লগতে নগাঁও জিলাৰ প্ৰান্তে প্ৰান্তে মহাপুৰুষজনাৰ তিৰুভাৰ তিথিটি আজি উদ্‌যাপন কৰা হয়। ওক বন্ধনাৰে বিৰীতৰ হৈ পৰে সমগ্ৰ নগাঁও জিলা। জিলাখনৰ সকলো নামঘৰ-সত্ৰ আৰু বহু কেই খন শিক্ষানুষ্ঠান আদিত গুৰুজনাৰ তিৰোভাৰ তিথি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে সত্ৰ-নামঘৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মভূমি শ্ৰী শ্ৰী বটদ্ৰৱা থানত পৰম্পৰা বক্ষা কৰি উদ্বলি মুদলি পৰিবেশত গুৰুজনাৰ তিথি উদ্‌যাপন কৰা হয়। অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ জিলাখনৰ কলিয়াবৰ অঞ্চলত ৰাইজে বিভিন্ন কাৰ্যসূচীকে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৰ তিথি উদ্‌যাপন কৰা হয়। আজি পুৱাবে পৰাগধূলিলৈকে জিলাখনৰ নামঘৰ-সত্ৰত ভকত-বৈষ্ণৱ, আই মাতৃ সমন্বিতে কিশোৰ-কিশোৰী, যুবক - যুবতীসকলে জাতীয় সাজ-পাৰ পৰিধান কৰি ভীৰ কৰা পৰিলক্ষিত হয়। হাতচাপৰি, খোল, নাগাৰা, ডবা, তাল আদিৰ শব্দই এক নান্দনিক পৰিবেশৰ সৃষ্টি কৰে। ভকত বৈষ্ণৱ, আই-মাতৃৰ হৰিনামৰ ধ্বনিয়ে সমগ্ৰ নগাঁও জিলাত আধ্যাত্মিক পৰিবেশৰ সৃজন কৰে। সত্ৰ-নামঘৰৰ লগতে জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানত গুৰু জনাৰ তিথি উদ্‌যাপন কৰা হয়। নগাঁৰৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহত উদযাপিত তিথি উপলক্ষে ছাত্ৰ -ছাত্ৰী সকলক শ্ৰীমন্ত শংকৰদেৱক পৰিচয় কৰি দিয়াৰ প্ৰয়াস কৰা হয়। তিথি উপলক্ষে গুৰুজনাৰ অমৰ সৃষ্টি ঘোষা, খোলপ্ৰসঙ্গ, দিহানাম, সত্ৰীয়া নৃত্য আদি পৰিবেশন কৰে কণ কণ ছাত্ৰ-ছাত্ৰীয়ে। তদুপৰি গুৰুজনাৰ জীৱন দৰ্শনৰ ওপৰত শিক্ষাৰ্থী সকলক সমাজ ধাৰণা দিয়া হয়। জিলাখনৰ ঠাই বিশেষে গুৰুজনাৰ জীৱন দৰ্শনৰ বিষয়ে আলোচনা সভা, ভাওনা প্ৰদৰ্শনী আদি অনুষ্ঠান অনুষ্ঠিত হয়। জিলাখনৰ জামুগুৰি, বেৰেজীয়া, নঁনে, পাটৰি, আজুনতল, মৰিকলং, দক্ষিণপাট, বৰকৰা, তুলসীমুখ, বঢ়মপুৰ, চাপানলা, কঠীয়াতলি, পাটৰি, ফুলগুৰি, হাতীচোৰ মৌজা, চকলাঘাট, ধিং, জুবীয়া, কপহী আদিৰ লগতে নগাঁও চহৰৰ সকলো নামঘৰত গুৰুজনাৰ তিথি উদযাপন কৰা হয়। নামঘৰ সত্ৰ সমূহত আজি ভক্তপ্ৰাণ ৰাইজৰ লানিনিচিঙা সুত দেখিবলৈ পোৱা যায়।

দিহিং পাটকাইত তৃতীয় বার্ষিক পখিলা আৰু জৈৰ বৈচিত্র্য মিট আয়োজন

অসম বার্তা, তিনিচুকীয়া, ২৬ আগষ্ট ঃ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমৰ পৰিবেশ বৈচিত্ৰ্যৰ বিষয়ে অধ্যয়ন কৰাৰ উদ্দেশ্যে উইংছু তম নেচাৰ কনজাৰ্ভেশান ছ'চাইটি উদ্‌যোগত অসমৰ প্ৰাকৃতিক সম্পদৰে চহকী দিহিং পাটকাই বাষ্ট্ৰীয় উদ্যানত অহা ইং ২৯ আগষ্টৰ পৰা ১ ছেপ্টেম্বৰ-লৈকে তৃতীয় বার্ষিক দিহিং পাটকাই পখিলা আৰু জৈৰ বৈচিত্ৰ্য মিটৰ আয়োজন কৰিবলৈ লৈছে। উল্লেখ্য যে, এই বাৰ তিনিটাকৈ স্থানত কার্যসূচী হাতত লৈছে। ইয়াৰ ভিতৰত ডিগবৈ আৰু ডিব্রুগড় ন সংমঞ্জলৰ অন্তৰ্গত চৰাইপুং, লক্ষ্মীপথাৰ আৰু জয়পুৰ বেঞ্জৰ মাজেৰে তিনিদিনীয়া ফিল্ড ট্রেইল অন্তর্ভুক্ত কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে। দিহিং পাটকাই ক্ষেত্ৰত সংখ্যা, চৰাইৰ টোকা আৰু বাসস্থানৰ মেপিং আদি কার্যসূচী গ্ৰহণ কৰা হব। তয়াপুৰত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠান অর্থাৎ তৃতীয় দিনা পখিলাৰ প্ৰজাতিৰ তালিকা প্ৰস্তুত কৰা, হাটী কৰিড'ৰ আৰু নিয়ন্ত্ৰণিক বর্ষাবণাৰ প্ৰতি ভাবুকিৰ বিষয়ে আলোচনা কৰা হ'ব। এই তিনিদিনীয়া অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ পখিলা মানৰ ৰশন উপাধ্যায়, জীৱবিজ্ঞানী, বিশিষ্ট পৰিবেশকর্মী ড° মুনছুন জ্যোতি গগৈ, বর্ষাবণ্য পৰিবেশ বিজ্ঞানৰ গৱেষক ড° লবজ্যোতি, বন-পথ বিশেষজ্ঞ আবুচন খিমৰে, ডিগবৈ অটমাছল প্ৰাণীবিজ্ঞানত এইচ.অ.ডি. ৰাজীব ৰুদ্ৰ তাবাই আদিকে ধৰি বহুকেইগৰাকী বিশেষজ্ঞই অংশগ্ৰহণ কৰি প্ৰশিক্ষণ প্ৰদান কৰিব। লিহিৰি ইক' ক্লাবৰ সভাপতি-সম্পাদকৰ লগতে বহুকেইগৰাকী বিশেষজ্ঞই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। লগতে আয়োজকসকলে প্ৰকৃতি ফটোগ্ৰাফাৰ, শিক্ষক আৰু প্ৰাকৃতিক পৰিবেশৰ লগত জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ জনাইছে বুলি জানিবলৈ দিয়ে।

ভূৰবন্ধা শংকৰদেৱ শিশু নিকেতনত শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদ্‌যাপন

ষ্টাফ বিপৰ্টাৰ মৰিগাঁও, ২৬ আগষ্ট ঃ আজি ভূৰবন্ধা শংকৰদেৱ শিশু নিকেতনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম-তিথি আধ্যাত্মিক আৰু সাংস্কৃতিক ভাবনাৰ মাজেৰে উদযাপন কৰা হয়। স্কুল পৰিসৰত আজিৰ এই বিশেষ কাৰ্যসূচী পুৱা নাম-প্ৰসঙ্গৰ জৰিয়তে শুভাৰম্ভ হয়। এটি সুন্দৰ পৰিবেশত ছাত্ৰ-ছাত্ৰী, আচাৰ্য -আচাৰ্যা আৰু অভিভাৱক সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত নিকেটনৰ ছাত্ৰ-ছাত্ৰীসকলে মহাপুৰুষৰ সৃষ্টিকার্য আৰু সমাজ সংস্কাৰক অনুষ্ঠানৰ কথা বিভিন্ন সাংস্কৃতিক কার্যসূচী উপস্থাপন কৰে। বৰগীত শংকৰদেৱৰ জীৱনীমূলক ৰচনা, কুই জ প্ৰতিযোগিতাও আয়োজন কৰা হয়'ত মহাপুৰুষৰ আদর্শ আৰু জীৱনদর্শন প্রতিফলিত হয়। প্রধান অতিথি হিচাপে উপস্থিত বিদ্যালয় পৰিচালনা সমিতিৰ বিষয় বৰীয়া সকলৰ আৰু স্থানীয় বহু সংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত প্রধান আচার্য পংকজ কুমাৰ বৰাই মহাপুৰুষৰ আদর্শৰ ব্যাখ্যা কৰি কয় যে, শংকৰদেৱে সমাজত ভাতৃত্ব, সমতা আৰু ধর্মীয় সহিষ্ণুতাৰ বাণী প্রচাৰ কৰিছিল। লগতে তেওঁ কয় যে মহাপুৰুষৰ শিক্ষা কেৱল ধর্মীয় আধ্যাত্মিকতাৰ ক্ষেত্রতেই সীমাবদ্ধ নহয়, তেওঁ মানুহৰ মনত মানবীয় গুণৰ বিকাশ ঘটাই ন্যায়পূর্ণ সমাজ গঠনলৈ দিশ দেখুৱাইছে। শ্ৰীমন্ত শংকৰদেৱৰ একতা আৰু সম্প্রতিৰ আদর্শ অনুসৰণ কৰাটোৱেই আজিৰ যুগত গুৰুত্বপূর্ণ। শিশুসকলক যদি শংকৰদেৱৰ ধর্ম, সংস্কৃতি আৰু নৈতিকতাৰ বাণীৰ সৈতে পৰিচয় কৰাব পাৰি, তেনেহ'লে আগন্তুক প্রজন্মত এটা দৃঢ় সমাজ গঢ়ি পৰা যাব। অনুষ্ঠানত অংশগ্রহণ কৰা অভিভাবক আৰু স্থানীয় লোকসকলেও শিশু নিকেতনৰ এই উদ্যোগক ধন্যবাদ জনায়। তেওঁলোকে কয়, প্রাথমিক শিক্ষাৰ পৰা শংকৰ-সাহিত্য আৰু বর্ণপৰিচয় দিয়া হ'লে শিশুসকলৰ মানসিক আৰু নৈতিক বিকাশত এক বিশেষ ভূমিকা পালন কৰিব। পৰবর্তী সময়ত দিনটোৰ কার্যসূচী শংকৰদেৱৰ স্মৃতিত সামূহিক প্রার্থনা আৰু নামপ্রসঙ্গৰে সমাপ্ত হয়। সমগ্ৰ অনুষ্ঠানটোত আচার্য আচার্যা ছাত্র-ছাত্রীসকলৰ লগতে অভিভাবক আৰু স্থানীয় লোকৰ উপস্থিতিয়ে এক সুন্দৰ পৰিবেশ সৃষ্টি কৰে।

কানৈ মহাবিদ্যালয়ত 'শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্রতিক অসমৰ যুৱ সমাজ' শীর্ষক বক্তৃতানুষ্ঠান

ষ্টাফ বিপৰ্টাৰ, ডিব্রুগড়, ২৬ আগষ্ট ঃ "শিল্প চেতনাই মানুহক উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহায় কৰে'। ঐতিহ্যমণ্ডিত ডিব্রুগড় হনুমানবক্স সুবজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ৰুক্মিণীদেবী কানৈ ছাত্রীনিবাসৰ আৰু ডিব্ৰুম্বেশ্বৰ চলিহা ছাত্রাগাৰস ঘৌ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৰ তিথিৰ লগত সংগতি বাখি অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অৰসৰপ্রাপ্ত প্রাধ্যাপক ড° গোপাল হাজৰিকাই এইদৰে কয়। 'শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্রতিক অসমৰ যুৱ সমাজ' শীর্ষক বিষয়ত বক্তৃতা প্রদান কৰি ড° হাজৰিকাই কয় শিল্পী হ'লেই হ'লে, শিল্পক জীয়াই ৰাখিবলৈ হ'লে সাধাৰণ মানুহৰ হৃদয় চুই যাব লাগিব আৰু মানুহৰ হৃদয় স্পর্শ কৰিব পাৰিব লাগিব। তেওঁ কয় সাধাৰণ মানুহ সোঁত বিপৰীতে গতি কৰিব পাৰে। সেই সোঁতৰ গতি কৰিব পৰা গুণ থকাৰ বাবেই সেইসকলে সাধাৰণ মানুহৰ পৰা মহাপুৰুষৰ শাৰীলৈ গতি কৰে। মুখ্যদ্বাৰৰ পৰা ছাত্রীনিবাসৰ আৰাসীসকলে আবতৰি উঠা আদৰণী জনাই নিয়া অনুষ্ঠানটিত ড° হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি কয় শংকৰদেৱে নিজেই এখন বিশ্ববিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমৰ শিৱায়ৰ পৰা ধুবুৰীলৈ বহু গায়ক সৃষ্টি কৰিলে। ড° হাজৰিকাই তেওঁৰ ভাষণ প্রসংগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সকলোকে কেনেদৰে সমদৃষ্টিৰে চাই, জাতি, ধর্ম,

চকীয়াপাৰা নঁনৈঘাট দুর্গা মন্দিৰ প্রাংগনত আৰতি কর্মশালা সম্পন্ন

অসম বার্তা, পাথৰিঘাট, ২৬ আগষ্ট ঃ পশ্চিম দৰং দুর্গা পূজা উদযাপন সমন্বয়ৰক্ষী সমিতি উদ্যোগত আৰু ছিপাঝাৰ বিধান সভা সম্ভিৰ বিধায়ক ড° পদ্মনন্দ ৰাজবংশীৰ সহযোগত চকীয়াপাৰা নঁনৈঘাট দুর্গা মন্দিৰ প্রাংগনত দিনযেৰা কার্যসূচীৰে আৰতি কর্মশালা অনুষ্ঠিত হয়। কর্মশালাখন উদ্বোধন কৰে ছিপাঝাৰ বিধান সভা সম্ভিৰ বিধায়ক বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। বৃহত্তৰ আঞ্চলটিৰ শতাধিক প্রশিক্ষার্থীয়ে অংশগ্রহণ কৰা কর্মশালাত মুখ্য প্রশিক্ষক হিচাপে অংশগ্রহণ কৰে পদ্মশ্রী বঁটা প্রাপক গুৰু দ্রোণ ভূএঞ্জই। কর্মশালা সামৰণি পৰাৰ পিছতে বঁটা প্রদান সভা এখন অনুষ্ঠিত হয়। পশ্চিম দৰং দুর্গা পূজা উদযাপন সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক প্রাণেশ্বৰ শর্মাই আঁতৰধৰা ধৰা সভাখন সঞ্চালনা কৰে। পশ্চিম দৰং দুর্গা পূজা উদযাপন সমন্বয়ৰক্ষী সমিতি সভাপতি আদা প্রসাদ শর্মাই। ছিপাঝাৰ বিধান সভা সম্ভিৰ প্রাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই উদ্বোধন কৰা সভাত প্রাক্তন ৰাজ্যিক মন্ত্রী ড° জয়নাথ শর্মা, পদ্মশ্রী গুৰু দ্রোণ ভূএঞ্জ, মমত আলী, পশ্চিম দৰং দুর্গা পূজা উদযাপন সমন্বয়ৰক্ষী সমিতিৰ কার্যকৰী সভাপতি জয়ন্ত কাকতি, ৰাণা বশিষ্ঠ প্রমুখে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্রহণ কৰে। চকীয়াপাৰা নঁনৈঘাট দুর্গা মন্দিৰ সভাপতি ৰামচন্দ্র চহৰীয়াই আদৰণী ভাষণ প্রদান কৰা সভাত বিগত ২০২৪ বর্ষত শ্রেষ্ঠ পূজা সমিতি হিচাপে স্বীকৃতি লাভ কৰা পূজা সমিতি সমূহক বঁটা প্রদান কৰা হয়। মুঠীয়াভাৰে প্রথম স্থান লাভ কৰে চকীয়াপাৰা নঁনৈঘাট শাৰদীয় দুর্গোৎসৱ সমিতি আৰু দ্বিতীয় স্থান লাভ কৰে বাপাপৰা সর্বজনীন শ্রীশ্রীদুর্গাপূজা উদযাপন সমিতি, দ্বিতীয় নঁনৈঘাট সর্বজনীন শ্রীশ্রী দুর্গোৎসৱ উদযাপন সমিতি, ঢেকীপাৰা, তৃতীয় দিপীলা আঞ্চলিক সর্বজনীন দুর্গোৎসৱ সমিতি, চতুর্থ বিভক্তাঙা আঞ্চলিক সর্বজনীন শাৰদীয় শ্রীশ্রীদুর্গাপূজা উদযাপন সমিতি আৰু পঞ্চম স্থান লাভ কৰে বৃহত্তৰ বালিপোটা সর্বজনীন শ্রীশ্রী দুর্গোৎসৱ সমিতিয়ে। একে দৰে সম্প্রতিহ বঁটা লাভ কৰে পাথৰিঘাট সর্বজনীন শ্রীশ্রীদুর্গাপূজা উদযাপন সমিতি আৰু সাংগঠনিক বঁটা লাভ কৰে ৰৱলাখাট সর্বজনী শ্রী শ্রী দুর্গাপূজা উদযাপন সমিতিয়ে। উক্ত সভাতেই আৰতি কর্মশালাত অংশগ্রহণ কৰা প্রতিযোগীকী প্রশিক্ষার্থীক ওলগণি পত্র প্রদান কৰা হয়।

ৰৱপেটাত বান-খহনীয়াৰ আশংকা ব্যৱস্থাপনা সম্পর্কীয় বেকী উপ-অৱবাহিকাৰ বৈঠক

অসম বার্তা, ৰৱপেটা সদৰ, ২৬ আগষ্ট ঃ আজি ৰৱপেটাৰ ডি আৰ ডি এ প্রশিক্ষণ প্রেক্ষাগৃহত বেকী উপ-অৱবাহিকাৰ বাবে সংহত বান আৰু খহনীয়াৰ আশংকা ব্যৱস্থাপনা পৰিকল্পনা (আই এফ ছ আৰ এম পি) প্রস্তুত কৰাৰ উদ্দেশ্যে এদিনীয়া সভা আৰু কর্মশালা অনুষ্ঠিত হয়। এই আলোচনাত বেকী অৱবাহিকাৰ অন্তর্গত ছয়খন জিলাৰ বিভিন্ন বিভাগীয় বিষয়া আৰু প্রতিনিধিয়ে অংশগ্রহণ কৰে। অসম চকাবাৰে ব্রহ্মপুত্রৰ অন্যতম নদীহঁত আৰু উপ-অৱবাহিকা—বেকী, বুঢ়ী-দিহিং, আৰু জিয়াধল নদীসমূহৰ বাৰিষা পূর্বাভাস আৰু বিপদ ব্যৱস্থাপনাৰ বাবে এক বৃহৎ প্রকল্পৰ কাম কৰি আছে। অসম সহায়ক নদী অৱবাহিকা ব্যৱস্থাপনা প্রকল্প (AIRBMP)ৰ অধীনত থকা বিশ্বৰ বেংকৰ পুঁজিৰে চলি থকা এই প্রকল্পটো অসমৰ জলসম্পদ বিভাগ (WRD), অসমৰ লগতে অসমৰ বান-আক্রান্তী নদী গহনীয়া ব্যৱস্থাপনা সংস্থা (FREMAA)ৰ উদ্যোগত চলি আছে। এই প্রক্রিয়া ক্ষিপ্র কৰিবলৈ চকাবাৰে এই নদীসমূহৰ বাবে উপ-অৱবাহিকা সমিতিও গঠন কৰিছে। প্রকল্পটোৰে অংশগ্রহণমূলক পদ্ধতি অনুসৰণ কৰে, অর্থাৎ সকলো আনুষংগিক বিভাগ আৰু আগ্রহী পৰা হাই ইনপুটসমূহ গুৰুত্বপূর্ণ। ৰৱপেটাৰ বাহিৰেও বেকী উপ-অৱবাহিকাৰ অন্তর্গত আন জিলাসমূহ হ'ল নলবাৰী, চিৰাং, বাকছা, তামোলপুৰ, আৰু বজালী। ৰৱপেটাৰ জিলা উপায়ুক্ত উপ-অৱবাহিকা সমিতিৰ অধ্যক্ষ, ৰৱপেটাৰ ডৰিউ আই ডিৰ কার্যবাহী অভিষেষ্টই সদস্য সম্পাদক হিচাপে কার্যনির্বাহ কৰে। ৰৱপেটাৰ জিলা উপায়ুক্ত আই এছ এছ শ্রীযুত বোছন কুমাৰ ঝাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে। উপস্থিত অন্যান্য মূল বিষয়াসকল আছিল—ৰৱপেটা জিলা সমাহৰণ আধিকাৰিক মুখ্য কার্যবাহী বিষয়া শ্রী দিগন্ত বৈশ্য, শ্রী কৌস্তুভ কলিতা, অতিৰিক্ত উপায়ুক্ত (দুর্যোগ ব্যৱস্থাপনা), ৰৱপেটা, শ্রী প্রাঞ্জল কৌৰৱ, অতিৰিক্ত উপায়ুক্ত (দুর্যোগ ব্যৱস্থাপনা), বজালী, শ্রী দয়ানন্দ বৈষ্ণৱ, কার্যবাহী অভিষেষ্টা, WRD, ৰৱপেটা, দোনৰবেলগুৰি জ্যেষ্ঠ নদী অৱবাহিকা বিশেষজ্ঞ মঞ্জিত বন নিউৰেনছহু, ডু অর্ণব শর্মা, জ্যেষ্ঠ জলবিজ্ঞানী আৰু অংশীদাৰ বিশেষজ্ঞ ভাষণত উপায়ুক্তগৰাকীয়ে ছয়খন জিলাৰ সকলো বিষয়া-প্রতিনিধিৰ আদৰণি জনায়। বহনক্ষম পানী ব্যৱস্থাপনা আৰু আঞ্চলিক বৃদ্ধিৰ বাবে সকলোকে একত্রিত হোৱাটো উৎসাহজনক বুলিও তেওঁ কয়। তেওঁ আলোকপাত কৰে যে চকী সংস্কৃতি আৰু সম্প্রদায়ৰ সৈতে ৰৱপেটা সদায় নদী আৰু জলাশয় সৈতে সংযুক্ত হৈ আছে। বানপানী, জলসিঞ্চন, পৰিবেশ সুৰক্ষাৰ দৰে বিষয়সমূহত কাৰিকৰী বিশেষজ্ঞতা আৰু সামুহিক প্রচেষ্টা দুয়োটাৰে প্রয়োজন বুলিও তেওঁ লগতে কয়। তেওঁ জো�ৰ দি কয় যে এই বৈঠকৰ উদ্দেশ্য কেৱল তথ্য পর্যালোচনা কৰাই নহয়, কৃষকসকলে খেতিৰ বাবে উপযুক্ত পানী লাভ কৰা, পৰিবেশ তন্ত্র সুৰক্ষিত হোৱা, জলবায়ু পৰিবর্তনৰ বাবে মানুহ ভালদৰে প্রস্তুত হোৱা ভবিষ্যতৰ কথাও কৰাও। ৰৱপেটা আৰু সমগ্র বেকী উপ-অৱবাহিকা যাতে সর্বাংগীণ আৰু ফলপ্রসূ জল শাসনৰ নিদর্শন হ'ব পাৰে তাৰ বাবে সকলোকে একেলগে কাম কৰিবলৈ আহ্বান জনাই উপায়ুক্তগৰাকীয়ে সামৰণি মাৰে।

মাজুলী অগপৰ বিশেষ সাংগঠনিক সভা; ঠেহ ভগাইনহঁমাজুলী জিলা অগপ

বিধায়ক ভুৱন গামৰ বিৰুদ্ধে ক্ষোভ অব্যাহত মাজুলী জিলা অগপৰ

'২৬ত মাজুলী বিধানসভা সমষ্টিত অগপক দিয়াৰ দাবীত অটল জিলা সমিতি

অসম বার্তা, উজনী মাজুলী, ২৬ আগষ্ট ঃ বর্তমান অসমৰ প্রায়বোৰ সমষ্টিতে একপ্রকাৰে শক্তিশালী ৰূপত থকা বিজেপিয়ে কেৱল মিত্রতাৰ বান্ধোনত থকাৰ বাবেই মিত্রজোটত থকা অগপ দলে আগন্তুক বিধান সভা নির্বাচনৰ লক্ষ্য কৰি নিজৰ অস্তিত্ব প্রতিপন্ন কৰিবলৈ যেন চেষ্টাৰ ত্রুটি নকৰিব। সমাস্তৰালভাৱে এসময়ৰ আঞ্চলিকতাবাদৰ দুর্গ স্বৰূপ মাজুলীত বর্তমান এম্ঠিমান অগপ কর্মীয়ে দলটোক জিলা খনত জীয়াই ৰাখিবলৈ আপ্রাণ চেষ্টাৰ পিছতো ভিতৰি বৰ বেথা দি দলীয় কাম-কাজ অব্যাহত ৰাখিছে। কেৱল দুগৰাকী নেতাৰ মস্তিষ্ক, ৰঙ্গ বাজসভা আৰু বিধানসভাৰ আসন দিয়াতে সন্তুষ্ট হোৱা দুবাৰকৈ অসমত চকাৰ গঠন কৰিবলৈ সক্ষম হোৱা অগপ দলৰ বর্তমানৰ স্থিতিও সাংগাঠনিক তৎপৰতা, সংগঠনক মজবুত কৰাৰ বিপৰীতে মিত্রতাৰ জৰিয়তে পুনৰ দলটোক বিজেপিৰ অঁজিলেতহে জীয়াই ৰখাৰ একেই কুচকাৰাজ আৰম্ভ কৰা বুলি সর্বত্র চর্চা আৰম্ভ হৈছে। এনে সময়তে দলটোৰ তৃণমূলৰ কর্মী সকলে মিত্রতাৰ জৰিয়তে এসময়ৰ আঞ্চলিক দলটো যে অসমত অস্তিত্বহীন হবলৈ গৈ আছে সেয়া বাৰুকৈয়ে উপলব্ধি কৰিছে। যাৰ পৰিপ্রেক্ষিতত আগন্তুক বিধান সভা নির্বাচনৰ পূর্বে এতিয়া অসমৰ চাৱে চাৱে অগপৰ তৃণমূল কর্মীৰ বিদ্রোহ আৰম্ভ হোৱা দেখা গৈছে। সমাস্তৰালভাৱে এসময়ৰ অগপৰ দুর্গস্বৰূপ মাজুলী জিলাতো আজিৰ পৰা কিছুদিন পূর্বে লোৱা সিদ্ধান্ত আজিও বাহাল আছে বুলি আজি অগপৰ এখন সাংগঠনিক সভাত মাজুলীৰ সভাপতি ৰঞ্জেন গামে সাংবাদিকৰ আগত মন্তব্য কৰে। যি কাগজি মাজুলীত থকা অগপ বিজেপিৰ সংঘাতে চূড়ান্ত ৰূপ ধাৰণ কৰা পৰিলক্ষিত হ'ল। আজি গড়মুৰস্থিত অগপৰ কার্যালয়ত মাজুলীৰ ২৩খন আঞ্চলিক প্রতিনিধিৰে আগন্তুক ২৬ৰ নির্বাচনক কেন্দ্র কৰি হোৱা আলোচনাৰ শেষত সাংবাদিকৰ সম্মুখত অগপৰ সভাপতি গৰাকীয়ে কয় মিত্র দল হিচাপে মাজুলীৰ বিধায়ক গৰাকীয়ে আগন্তুক অগপক বিজেপিৰ ওচৰত দিয়া মিত্রতা ভঙ্গ কৰি লাগিছিল তেনেধৰণৰ পৰিবেশ বিগত সময়ত আমি নেদেখিলোঁ। আমাৰ মিত্রতা বিজেপিৰ সৈতে ঠিকেই আছে যদিও আমাৰ মাত পাৰ্থক্য আছে সেয়ে আমি আমাৰ দলটো সমিতিৰ ক'বলগীয়াখিনি আমাৰ কেন্দ্রীয় নেতৃত্বৰ প্রেৰণ কৰিছোঁ। আমি ২০২৬ চনত মাজুলী বিধানসভা সমষ্টিৰ আসনখন অগপক বিজেপিয়ে এৰি দিয়াটো বিচাৰেঁ বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। ই ফাংলে বিধায়ক ভুৱন গামৰ ৰাজনৈতিক সভা-সমিতিত সহযোগ নকৰাৰ সিদ্ধান্ত মাজুলী জিলা অগপৰ অব্যাহত আছে বুলি মন্তব্য কৰে। আমি বর্তমান কেন্দ্রীয় সমিতিৰ সিদ্ধান্তৰ প্রতি বাট চাই আছোঁ বুলি মাজুলী জিলা অগপৰ সভাপতি জনে আমাক অৱগত কৰে। বর্তমান ২০২৬ ৰ নির্বাচনৰ বাবে তৃণমূল পর্যায়ত ভেটি শক্তিশালী কৰাৰ বাবে পদক্ষেপ লোৱা বুলি আজি গড়মুৰস্থিত বিশেষ সাংগঠনিক সভাত মাজুলী জিলাৰ সভাপতি সমূহে ইমানদিনে কেন্দ্রীয় সমিতিৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস কৰাৰ সময়তে মাজুলী জিলা সমিতিয়ে অগপৰ ৰক্ষাত যুঁজীৰ আনুষ্ঠানিকভাবে অকলেই ঘোষণা কৰাই এতিয়া আগন্তুক সময়ত এই ক্ষোভৰ উদগীৰণ আন আন জিলালৈয়ো যে বিয়পি যাব সেয়া একপ্রকাৰে খাটিং। ইফালে জিলা অগপৰ এই দৃঢ় সিদ্ধান্ত অব্যাহত থাকিলে আগন্তুক সময়ত মাজুলীৰ বিধায়ক ভুৱন গাম আৰু বিজেপি দল যে মাজুলী জিলাৰ ক্ষোভ আস্তৰ্ভুক্তি অন্ত পৰিব বুলি উল্লেখ কৰিছিল। কিন্তু জিলা সমিতিয়ে ধনৰ একপক্ষীয় সিদ্ধান্তৰ পিছতো কেন্দ্রীয় সমিতিয়ে হস্তক্ষেপ নকৰা, বর্তমানো জিলা সমিতি খনে নিজস্ব সিদ্ধান্তত অটল থকাৰ বিষয়টো একপ্রকাৰে নুবুজা সাধাৰণ দৰে কথা হৈছে বুলি এতিয়া চর্চা আৰম্ভ হৈছে। মাজুলী জিলা অগপৰ নেতৃত্বই আগন্তুক অগপৰ কেন্দ্রীয় প্রতিষ্ঠা দিবসতো অংশগ্রহণ নকৰা সাজু হৈছে বুলি জানিব পৰা গৈছে।

নাচনকুটি গাঁৱৰ পৌৰাণিক গোপাল ঠাকুৰৰ দৌল মন্দিৰৰ আধাৰশিলা স্থাপন

অসম বার্তা, ৰাসুগাঁও, ২৬ আগষ্ট ঃ বঙাইগাঁও জিলাৰ ডাংতল উন্নয়ন খণ্ডৰ অন্তর্গত তথা কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ নাচনকুটি গাঁৱৰ এক পৌৰাণিকোগোপাল ঠাকুৰৰ দৌল মন্দিৰ প্রাঙ্গণৰ আজি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বর্মনে আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ আঁচনিৰে পৰা অধ্যক্ষগৰাকীয়ে এই অনুদান আগবঢ়োৱাৰ বাবে গাওঁবাসীৰ বধনিয়ীয়া অভাৱ এটি পূৰণ হোৱাত গাওঁবাসী সন্তুষ্টি প্রকাশ কৰে। উক্ত কার্যসূচীত সমাজ-সেৱক সঞ্জিত বর্মন আৰু নাচনকুটি গাঁৱৰ প্রায় শতাধিক বয়োজ্ঞেষ্ঠ ব্যক্তিসকলৰ লগতে মহিলাসকল উপস্থিত থাকে। আজিৰ অনুষ্ঠানত গাঁৱৰ মহিলা সকলে কোচ ৰাজবংশীয় সাজ-পাৰ পৰিধান কৰি অহাৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বর্মনে শলাগ লয়। আগন্তুক কমসময়ৰ ভিতৰতে নাচনকুটিৰ বাইজৰ সুবিধাৰে কে এ চিৰ বিভিন্ন আচনিৰ পৰা মহিলাসকলক পাটানি, সুতা আৰু খেতিয়ক সকলক খেতিত কাম কৰাৰ বাবে স্প্রে মেচিন দিয়াৰ প্রতিশ্রুতি দিয়ে।

৩১ আগষ্টত টংলা আঞ্চলিক ছাত্র সম্ভাৰ বিশেষ অভিনন্দন অনুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৬ আগষ্ট ঃ সদৌ অসম ছাত্র সম্ভাৰ অন্যতম টংলা আঞ্চলিক ছাত্র সম্ভাৰ উদ্যোগত টংলা মহাবিদ্যালয় গোট আৰু টংলা শাখা ছাত্র সম্ভাৰ সহযোগত শহীদ সুজিত নাৰ্জাৰী প্রেক্ষাগৃহত অহা ৩১ আগষ্টত দিনজোৰা বর্ণাঢ্য কার্যসূচীৰে ২০২৫ বর্ষত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিয়ৰে উত্তীর্ণ মেধাৱী শিক্ষার্থী আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সম্মানীয় ডক্টৰেট ডিগ্রী প্রাপকক অভিনন্দন জনাবলৈ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। কার্যসূচী অনুসৰি পূৰা ৯ বজাত টংলা আঞ্চলিক ছাত্র সম্ভাৰ অন্তর্গত টংলা মহাবিদ্যালয় গোট আৰু টংলা শাখা ছাত্র সম্ভাৰ সহযোগত ৯-১৫ বজাত সম্পাদক কনকন দাসে শ্রদ্ধীন তৰ্পণ কার্যসূচী ৰূপায়ণ কৰিব। টংলা আঞ্চলিক ছাত্র সম্ভাৰ সভাপতি নাৰায়ণ দাসৰ সভাপতিত্বত ১০ বজাৰ পৰা অনুষ্ঠিতব্য বিশেষ অভিনন্দন অনুষ্ঠান সদৌ অসম ছাত্র সম্ভাৰ ৰাজ্যিক কার্যনির্বাহক চিৰঞ্জীৱ মনি চক্রৱর্তীয়ে উদ্বোধন কৰিব। ওৱাহাটী বিশ্ববিদ্যালয়ৰ প্রাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্র কলিতাই নির্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিবলগীয়া অনুষ্ঠানত সদৌ অসম ছাত্র সম্ভাৰ উপ সভাপতি নৰজ্যোতি ৰায় মুখ্য অতিথি, সাহিত্য সম্পাদক নিহাৰিকা শইকীয়া সম্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। আসাম টকছল বাতৰি পৰিবেশক, প্রযোজক অভিজয়া দাস আৰু এন বি নিউজ বাতৰি পৰিবেশক, প্রযোজক অংশুমান গোস্বামীয়ে আঁত ধৰিবলগীয়া ছাত্র - ছাত্রীৰ সৈতে অন্তৰংগে আলাপ অনুষ্ঠানত সদৌ অসম ছাত্র সম্ভাৰ ৰাজ্যিক কার্যনির্বাহক দীপজ্যোতি নাথ, সদৌ ওদালগুৰি জিলা ছাত্র সম্ভাৰ সভাপতি বিতোপন দাস, সাধাৰণ সম্পাদক মাধুর্য শর্মা, অসম সেনাৰ সংগঠক পংকজ শর্মা, অসম উন্নতি সভাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি ঘন কান্ত ডেকা, সদৌ কোচ ৰাজবংশী ছাত্র সম্ভাৰ উপসভাপতি হেমন্ত বড়া কোচ, অসম জাতীয়তাবাদী যুব ছাত্র পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ উপ সভাপতি দেৱজিৎ দাস, ওদালগুৰি জিলা বাভা ছাত্র সম্ভাৰ শিক্ষা সম্পাদক অনুপ জ্যোতি বাভা আৰু টংলা আঞ্চলিক ছাত্র ছাত্র সম্ভাৰ সভাপতি ৰাজীৰ বড়োই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অভিনন্দন অনুষ্ঠানত টংলা আঞ্চলিক ছাত্র সম্ভাৰ অন্তর্গত অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ৩৫৫ গৰাকী মেধাৱী শিক্ষার্থী, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত কৃতিয়ৰে উত্তীর্ণ কৃতী ছাত্রী নিশিতা শর্মা, ওদালগুৰি জিলাৰ ভিতৰতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত সর্বোচ্চ নম্বৰ প্রাপক বর্লিল পাঠক আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সম্মানীয় ডক্টৰেট ডিগ্রী লাভ কৰি সুনাম অর্জন কৰা জয়ন্ত কুমাৰ বড়ো, সংগমিত্রা চহৰীয়া, চানু চৰকাৰ, প্রিয়কা তালুকদাৰ, দীপশিখা স্বর্গীয়ৰী, টামান্না শর্মা জোনাগি ৰাভা, কৌশিক হাজৰিকা আৰু নিমি বিশ্ব কর্মাক অভিনন্দন জনাব বুলি টংলা আঞ্চলিক ছাত্র সম্ভা, টংলা মহাবিদ্যালয় গোট আৰু টংলা শাখা ছাত্র সম্ভাৰ বিষয় বৰীয়াই জানিবলৈ দিছে।

যোৰহাটৰ সাহপুৰীয়াত 'মামা শকুনি' উন্মোচন

অসম বার্তা, পশ্চিম যোৰহাট, ২৬ আগষ্ট ঃ যোৰহাট পশ্চিম অঞ্চলৰ সাহপুৰীয়া গাঁৱৰ নিৰাসী অঞ্জন শইকীয়াৰ কথা-সুৰ, প্রযোজনাবে আকাশবাণীৰ কণ্ঠত সহ শিল্পী প্রাণজিৎ লগতে ভালেকেইগৰাকীয়ে পৰিবেশন কৰা মামা শকুনি গীতটো ২৫ আগষ্টত উন্মোচন কৰে কণ্ঠশিল্পী, নাটাকাৰ, কথাছবি পৰিচালক জয়ন্ত নাথে। নেই ষ্টৰ অৰসৰপ্রাপ্ত কর্মচাৰী, সাংস্কৃতিক সংগঠক ভাই মন শইকীয়াৰ সৌৱৰণত উৎসর্গিত মামা শকুনি সমূহীয়া সংগীতটো উন্মোচন কৰি জয়ন্ত নাথে অঞ্জন শইকীয়াই সাংস্কৃতিক ক্ষেত্রখনলৈ আগবঢ়োৱা অৱদানৰ সম্পর্কত উল্লেখ কৰে। পোহৰ লাইভৰ অমৰ বৰকাই, নিউজ নাওৰ উৎপল দাস, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰঞ্জিমা শইকীয়া বিশিষ্ট অতিথিৰূপে উপস্থিত থকা মামা শকুনি উন্মোচন অনুষ্ঠানৰ আঁতৰধৰা সাংস্কৃতিক কর্মী, শিক্ষক ৰঞ্জন শর্মাই। সাহপুৰীয়া গাঁৱৰ ভকত-বৈষৱৰ, আই সকলৰ লগতে বহুসংখ্যক লোক উপস্থিত থকা সাহ পুৰীয়া গাঁৱৰ নামঘৰত শংকৰদেৱৰ তিথিৰ লগত সংগতি ৰাখি সন্ধিয়া মামা শকুনি উন্মোচন কৰা হয়। গীততিত মানস ৰৱাই বাঁহী, চন্দন দত্তই মেলা'ডি, দেৰেশ্বৰ শইকীয়াই নেগেৰা, অঞ্জন শইকীয়াই খোল পৰিবেশনৰ লগতে গাঁওখনৰ আৰু অঞ্চলটোৰ বহুসংখ্যক সহযোগিতা কৰা মামা শকুনি সংগীত শব্দ সংমিশ্রণ কৰিছে যোৰহাট ষ্টুডিঅ' মেলডিৰ ঋতুপর্ণ ৰৱাই। গীতটো 'অনুপম বিতুপন' ইউটিউব চেনেলত উপলব্ধ কৰিব।

ভোট চুৰিৰ বিৰুদ্ধে কংগ্রেছ সজাগ- দেৱব্রত শইকীয়া; গণতন্ত্র ৰক্ষাৰ আহ্বান ৰবিবুল হুছেইনৰ

মৰিগাঁৰত কংগ্রেছৰ BLA প্রশিক্ষণ আৰু ভোট চোৰ চকী এৰক সজাগতা সভা

ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৬ আগষ্ট ঃ মৰিগাওঁ জিলাৰ কংগ্রেছ কমিটিৰ উদ্যোগত আজি এক বিশেষ অনুষ্ঠান আয়োজন কৰা হয়। জিলাখনৰ বিভিন্ন সমষ্টিৰ দলীয় নেতা-কর্মী আৰু কর্মীসকলে উপস্থিত থকা এই অনুষ্ঠানত মূলত BLA (Booth Level Agent) প্রশিক্ষণৰ লগতে "ভোট চোৰ চকী এৰক" সজাগতা সভা শীর্ষক এক বাক্যবে এই অনুষ্ঠান অনুষ্ঠিত হয়। প্রশিক্ষণ শিবিৰত দলীয় কর্মীসকলক বুথ স্তৰত ভোট প্রক্রিয়া সঠিকভাবে পৰিচালনা কৰা, ভোটাৰতালিকাসকৰণ সুৰক্ষা নিশ্চিত কৰা আৰু গণতান্ত্রিক প্রক্রিয়াৰ প্রতি দায়িত্বশীল ভূমিকা গ্রহণ কৰাৰ দিশত বিস্তৃত ধৰণে শিক্ষা দিয়ে। সভাখনত উপস্থিত হৈ বিৰোধী দলপতি দেৱব্রত শইকীয়ায়ে ভাষণ দিকয়া যে অসমত গণতান্ত্রিক ব্যৱস্থা সুৰক্ষিত ৰাখিবলৈ কংগ্রেছ সদায়ে সজাগ। বুথ স্তৰত অনৈতিক কার্যকলাপ ৰোধ কৰাৰ বাবে BLA প্রশিক্ষণ অতি প্রয়োজনীয়। ভোট চুৰি অথবা জালিয়াতি যিকোনো প্রচেষ্টা প্রতিহত কৰিবলৈ আমি সকলো সময়তে সতর্ক থাকিম। উপস্থিত সাংসদ ৰবিবুল হুছেইনয়ে এই সুযোগত কয় যে ভোট চুৰিয়ে গণতন্ত্রত আঘাত হানে। আজিৰ এই সজাগতা সভাই কর্মীসকলক শক্তিশালী কৰাৰ লগতে ভোটদাতাসকলকো আশ্বাস দিয়ে যে কংগ্রেছ দল যিকোনো অনৈতিক চেষ্টাৰ বিপক্ষে দৃঢ়ভাবে ৰখা থাকিব। আমাৰ শক্তিক আগবঢ়াই লৈ যোৱাটো আমাৰ লক্ষ্য। অনুষ্ঠানত জিলা কংগ্রেছৰ নেতৃত্বে দলীয় স্থিতি দৃঢ় কৰাৰ আহ্বান জনাই কয় যে, আগন্তুক দিনত জনসাধাৰণৰ মাজত কংগ্রেছৰ নীতি-আদর্শ আৰু উন্নয়নৰ প্রতিশ্রুতি অধিক প্রচাৰ কৰা হ'ব। এই অনুষ্ঠানত উপস্থিত থাকে ৰিকৱী দলপতি দেৱব্রত শইকিয়া, সাংসদ ৰবিবুল হুছেইন, প্রদুৎ ৰৱদলৈ, বিধায়ক আচিফ আহমদ নাজাৰ, প্রদেশ কংগ্রেছ কমিটিৰ উপ সভাপতি চৰিফউজ জামান, সাধাৰণ সম্পাদক ক্রমে ডাঃ জয় প্রকাশ দাস, আনুৰাধা ৰহুৱৈন, সম্পাদক ৰমেশ ৰবলৈ, মতিনুৰ ৰহমান, হাকন আহমদ মিডিয়া সমন্বয়ক হেপি গগৈ, জিলা সভাপতি ৰীৰ কুমাৰ কোঁৰৰৰ সহ বহু সংখ্যক লোক।

ৰৱক্ষেত্রী মহাবিদ্যালয়ত স্বাস্থ্য সজাগতা শিবিৰ

অসম বার্তা, ৰৱক্ষেত্রী, ২৬ আগষ্ট ঃ নলবাৰী জিলাৰ মুকালমুৱা নাৰায়ণপুৰস্থিত ৰৱক্ষেত্রী মহাবিদ্যালয় প্রাঙ্গণত গ্লোবলহেল্থ এৰেলেন্স চেন্টাৰ আৰু IQAC ৰৱক্ষেত্রী মহাবিদ্যালয়ৰ উদ্যোগত আজি এক স্বাস্থ্য সজাগতা শিবিৰৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানটোত অঁত ধৰে ৰৱক্ষেত্রী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক দেৱান নজৰুল ইছলাম। IQAC ৰ সমন্বয়ক ড° মকছেদ আলী, কেনেকৈ লাভ কৰিব পাৰে তাৰ বাবে এগনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। সভাত যোৰহাট মাগুলিকৰ মুখ্য বিষয় ক্রমে অমিত শ্রীবাস্তৱ, অমিত কমাৰ, অনুপ কুমাৰ-ইউকো বেংকৰ শোনিতপুৰ এৰ এৰি ডি এম আচুৰ্যা সোণোৱাল, পৰিচালক - দিপাংকৰ বৰগোহাঞি, ৰশ্মি শর্মা সহ বহুকেই গৰাকী বিষয়া কর্মচাৰী উপস্থিত থাকে।

ডিব্রুগড়ত ইউকো বেংকৰ গ্রাহক সভা আৰু 'সম্পৃক্ত শিবিৰ' সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্রুগড়, ২৬ আগষ্ট ঃ দেশৰ অন্যতম ৰাষ্ট্রীয়কৃত - বাণিজ্যিক বেংক ইউকো বেংক ক্রমে-ডিব্রুগড় খানা চাৰিআলি, মানকটা আৰু লেপেটকটা শাখাৰ উদ্যোগত এখন উচ্চ পর্যায়ৰ সভা ডিব্রুগড়স্থ পুষ্কৰা চাৰোভাৰ পর্তিকো হোটেলত অনুষ্ঠিত হৈ যায়। জিলাখনৰ কর্মযোগী বিশিষ্ট ব্যৱসায়ী সকল লগতে ইউকো বেংকৰ পৰা বিশেষ সেৱা লাভ কৰা বহু সংখ্যক গ্রাহক সভাত উপস্থিত থাকে। অসম চকাবাৰ শক্তি মন্ত্রী প্রশান্ত ফুকনে সভাত মুখ্য অতিথি হিচাপে অংশ গ্রহণ কৰি আনুষ্ঠানিক ভাবে বস্তি প্রজুলন কৰে। বেংকটোৰ কলকাত্তাস্থিত মুখ্য কার্যালয়ৰ চিন্ময় চাহৰে সন্মানীয় অতিথি ৰূপে উপস্থিত থকা সভাৰ আদৰণি ভাষণ আগবঢ়ায় যোৰহাট আঞ্চলিক শাখাৰ প্রবন্ধক-নন্দেহ প্রতাপ সিঙে। সভাত বেংকৰ পৰা সেৱা গ্রহণ কৰি ব্যৱসায়ত সফল হোৱা কর্মযোগী, সমাজ সেৱক সকলক সন্মানসহ প্রশংসা কৰি বেংকৰ ফালৰ পৰা এগনি গামোচাকৈ আৰু ইউকো বেংকৰ স্মাৰক প্রদান কৰা হয়। ডিব্রুগড় নির্মালী গাঁৱতো মহিলা আত্মসহায়ক গোটৰ এটি বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়। এই বিশেষ শিবিৰত ইউ বেংকৰ পুৰণা আৰু নতুনকৈ ক্রমে-ডিব্রুগড় খানা চাৰিআলি, মানকটা আৰু লেপেটকটা শাখাৰ অন্তর্ভুক্ত হোৱা গ্রাহক সকলৰ বাবে কেন্দ্রীয় চকাবাৰৰ ঋছাবাহী পর্তিকো হোটেলত অনুষ্ঠিত হৈ যায়। জিলাখনৰ কর্মযোগী বিশিষ্ট ব্যৱসায়ী সকল লগতে ইউকো বেংকৰ পৰা বিশেষ